# প্ৰান্তিক

ষষ্ঠ বছৰ ২৩শ সংখ্যা ১—১৫ নৱেম্বৰ '৮৭

অসমৰ
হাতীদাঁত শিল্প



## আঞ্চলিক ৰাজনীতি, ৰাষ্ট্ৰীয় ৰাজনৈতিক বিকল্প আৰু অসম

ডিব্ৰুগড় চহৰ সুৰক্ষিত নে?

OKDISCD

# এই মুহূৰ্তত আপুনি যেতিয়া এইখন পঢ়িছে...আপোনাৰ মুখৰ অত্যাৱশ্যক ছাল-কোমলকাৰক আৰ্দ্ৰতা হেৰাই গৈছে!



ইয়াৰ প্ৰতিকাৰৰ আপুনি কি ব্যৱস্থা কৰিছে ?

যদি কয় একো কৰা নাই...তেতিয়াহলে জানিম, হয়তো আপুনি নাজানে যে আৰ্দ্ৰতা হ'ল আপোনাৰ দেহত্বক-কোষৰ একান্ত আৱশ্যক, জীৱনদায়িনী অংশ যি ছাল কোমল আৰু নিমজকৈ ৰখাত সহায় কৰে। নহলে আপোনাৰ ৰূপ-লাৱণ্য শুকান, প্ৰাণহীন বা ক্লান্ত দেখালেও আপুনি কোনো কেৰেপ নকৰে।


অৱশ্যে যেতিয়ালৈকে কৈশোৰ থাকে, আপোনাৰ দেহত্বকৰ হেৰোৱা আৰ্দ্ৰতা লগে লগে ঘূৰি আহে। সেয়ে কম বয়সীয়া ছাল কোমল আৰু নমনীয় হৈ থাকে। পিছে কৈশোৰ পাৰ হৈ যোৱাৰ লগে লগে ছালৰ আৰ্দ্ৰতা যিমান শীঘ্ৰে হেৰাই যায়, তিমান শীঘ্ৰে ঘূৰি নাহে... আৰু ঠিক সেই সময়তে এনে এটি কিবাৰ প্ৰয়োজন, যি আপোনাৰ ছালৰ আৰ্দ্ৰতা ভালদৰে অক্ষুন্ন ৰাখি ইয়াক কোমল আৰু নিমজ কৰে।

আপোনাৰ প্ৰয়োজন লেকমে মেক্সিমাম মইশ্চাৰাইজিং লোশ্যন। ই হ'ল পানী আৰু কিছুমান বিশিষ্ট কোমলকাৰক পদাৰ্থৰ এটি সূক্ষ্ম সংমিশ্ৰণ যি সঁচাকৈয়ে মৃদুভাবে আপোনাৰ ছালৰ গভীৰৰ কোষত প্ৰবেশ কৰি তাত আৰ্দ্ৰতা আৰু পুষ্টি ঘূৰাই আনে। আপোনাৰ ছাল কোমল আৰু নিমজ কৰি ৰখাত সহায় কৰে। তদুপৰি ই অতি পাতল অথচ তেলেতীয়া নহয়। আপুনি সানিছে বুলি অনুভৱেই নহব, অথচ আপোনাৰ ছাললৈ আহিব এক সজীৱ, স্নিগ্ধ অনুভূতি।

লেকমে মেক্সিমাম মইশ্চাৰাইজিং লোশ্যনত আছে এবিধ অনন্য নিজে নিজে নিয়ন্ত্ৰণ কৰিব পৰা গুণ যি তাৰ শোষণ মাত্ৰা ব্যক্তি বিশেষৰ প্ৰয়োজন অনুসৰি কম-বেছি কৰে। অৰ্থাৎ আপোনাৰ মুখৰ অধিক শুকান অংশসমূহত অধিক কাম কৰে।

যেনে ধৰক চকু আৰু ঠোঁটৰ চাৰিওকাষৰ অংশসমূহক বেছিকৈ শোষণ কৰিবলৈ দিয়ে। আকৌ তেলেতীয়া অংশসমূহক, যেনে— নাক, ঠুতৰি আদিক কমকৈ শোষণ কৰিবলৈ দিয়ে। ফলত আপোনাৰ ছাল যি ধৰণেৰেই হওক... শুকান বা তেলেতীয়া, স্বাভাৱিক বা সমন্বয়—লেকমে মেক্সিমাম মইশ্চাৰাইজিং লোশ্যনে আপোনাৰ কাৰণে ভালদৰে কাম কৰে।

**লেক্‌মে মেক্সিমাম মইশ্চাৰাইজিং লোশ্যন। কোমল, সুন্দৰ ছালৰ বাবে।**




অপৰূপ ৰঙ-ৰূপ, সুন্দৰ অনুভূতি
লেকমেৰ সান্নিধ্যত।

Rediffusion/L/5226 a AM



# প্ৰান্তিক

ষষ্ঠ বছৰ ২৩শ সংখ্যা ১—১৫ নৱেম্বৰ '৮৭ | মূল্য চাৰি টকা

যোগাযোগৰ ঠিকনা ঃ পোঃ শিলপুখুৰী, গুৱাহাটী-৭৮১০০৩


## অহা সংখ্যাত

তিনি বছৰত সম্পূৰ্ণ হ'বলগীয়া আঁচনি এখনৰ কাম তেৰ বছৰতো সম্পূৰ্ণ নহয়, ফলত ৰাইজৰ লক্ষ-লক্ষ টকা ক্ষতি হয়; চাৰে বাৰ বজাত এটা বিভাগৰ এঘাৰজন কৰ্মচাৰীৰ তিনি জনে কাম কৰি আছে, বাকী কেইজনে ইফালে-সিফালে চাই সময় নষ্ট কৰি আছে; চৰকাৰৰ নিজা প্ৰতিষ্ঠান এটায়েই গুৱাহাটীতে বস্তু কিনি কৰৰ হাত সাৰিবলৈ অৰুণাচলত কিনা বুলি দেখুৱায়; ৩১ মাৰ্চ নামৰ তাৰিখ এটাই এখন ৰাজ্যৰ উন্নয়ন পৰিকল্পনাৰ চেহেৰা নিৰ্ণয় কৰে; —এইবোৰৰ মাজত ৰাজ্যৰ জনসাধাৰণৰ উন্নতি, সুখ-সুবিধাৰ দায়িত্ব লয় কোনে? মন্ত্ৰীয়ে, বিধায়কে, বিষয়াই নে কৰ্মচাৰীয়ে? স্বস্তিৰে উশাহ লোৱাৰ ঠাই ক'ত?

**পৰাগ কুমাৰ দাসৰ অনুসন্ধানমূলক প্ৰবন্ধ চৰকাৰী আয়-ব্যয়ৰ পৰিকল্পনা, ৩১ মাৰ্চ আৰু অন্যান্য**

শ্ৰীগকুল হাজৰিকাই প্ৰান্তিকত ইউকেলিপটাছ গছৰ অপকাৰিতাৰ বিষয়ে লিখা এটা প্ৰবন্ধৰ প্ৰভাৱত বহুতে হেনো ইউকেলিপটাছ গছ কাটি পেলাবলৈ আৰম্ভ কৰিছে। কিন্তু সঁচাকৈয়ে এই গছ অপকাৰীনে? এনেকুৱা গছ সম্পৰ্কে বিশেষভাৱে কৰা পঢ়া-শুনাৰ ভিত্তিত **তৰুণ চন্দ্ৰ শৰ্মাই** লিখা প্ৰবন্ধ

**ইউকেলিপটাছৰ সপক্ষে**

ব্ৰহ্মপুত্ৰ সম্পৰ্কে এটা স্থায়ী সমাধান লাগে বুলি কওঁতে লগতে বিদেশৰ কোন নদীত কি কৰা হৈছে, তাৰো উদাহৰণ দিয়া হয়। আমেৰিকা যুক্তৰাষ্ট্ৰত কমপিউটাৰৰ সহায়ত নদীৰ অধ্যয়ন কৰা কামত নিযুক্ত আছে **দেব কুমাৰ বৰা** নামৰ এজন ইঞ্জিনিয়াৰ। তেওঁক পাঠকৰ লগত পৰিচয় কৰাই দিছে **ডঃ দিলীপ কুমাৰ দত্তই।**

## এই সংখ্যাত

দেশৰ জনসাধাৰণে যেতিয়াই উপলব্ধি কৰে যে তেওঁলোকৰ সমস্যাসমূহ সমাধানৰ ৰাজনৈতিক দিশত সৰ্বভাৰতীয় শাসক দলৰ আগ্ৰহ নাই আৰু সমৰ্থনৰ বাবে বিকল্প সৰ্বভাৰতীয় দলো নাই, তেতিয়াই তেওঁলোকৰ মন আঞ্চলিক ৰাজনীতিৰ প্ৰতি ঢাল খায়। ইয়াৰ সহায়তেই তেওঁলোকে উদ্ধাৰৰ পথ বিচাৰে।

দেশৰ বৰ্তমান ৰাজনৈতিক পৰিস্থিতিত আঞ্চলিক ৰাজনীতি আৰু ৰাষ্ট্ৰীয় বিকল্পৰ সম্ভাৱনা সম্পৰ্কে **দিলীপ কুমাৰ মহন্তৰ** আলোচনা:

**আঞ্চলিক ৰাজনীতি, ৰাষ্ট্ৰীয় ৰাজনৈতিক বিকল্প আৰু অসম ।১২।**

চলিত বছৰত হোৱা ব্ৰহ্মপুত্ৰৰ ব্যাপক বান আৰু খহনীয়াৰ পৰিপ্ৰেক্ষিতত উজনি অসমৰ চাহ আৰু নানা উদ্যোগেৰে সমৃদ্ধ, প্ৰায় ডেৰ লাখ অধিবাসী থকা ডিব্ৰুগড় চহৰৰ বহুতৰে মনত একেটা প্ৰশ্নই ভুমুকি মাৰিছিল: এই চহৰখন আৰু সংলগ্ন অঞ্চলটো ব্ৰহ্মপুত্ৰৰ খহনীয়াৰ বিপদৰপৰা মুক্তনে?

**ভুবন বৰুৱাৰ** পৰ্যালোচনা: **ডিব্ৰুগড় সুৰক্ষিত নে? ।২০।**

বৃটিছৰ ৰাজত্ব কালত দেশ-বিদেশৰ মানুহৰ মাজতো বিশেষ সমাদৰ লাভ কৰা অসমৰ হাতীদাঁত শিল্পটো বৰ্তমান মৰণমুখী। প্ৰয়োজনীয় কেঁচামালৰ অভাৱ আৰু চৰকাৰৰ পৃষ্ঠপোষকতাৰ অভাৱেই ইয়াৰ বাবে দায়ী। অসম চৰকাৰৰ হাতত প্ৰায় তিনি হাজাৰ কেজি হাতীদাঁত থকা অৱস্থাত অসমৰ থলুৱা শিল্পীৰ প্ৰতিষ্ঠান কেইটালৈ বছৰি কেইকেজিমান হাতীদাঁত যোগান ধৰাটো দোষণীয় হ'ব নোৱাৰে।

**মৃত্যুৰ মুখত অসমৰ হাতীদাঁত শিল্প: গণেশ দাস ।২৯।**

পত্ৰালাপ ।৪। ঘটনা-প্ৰবাহ ।৮। কুলদীপ নায়াৰৰ প্ৰবন্ধ ।১০। আঞ্চলিক ৰাজনীতি, ৰাষ্ট্ৰীয় বিকল্প ।১২। ডিব্ৰুগড় সুৰক্ষিত নে ।২০। কৃষিবিদ গুৰু বৰঠাকুৰ ।১২। হাতী দাঁত শিল্প ।২৯। বিজ্ঞান ।৩৩। অসমীয়া ভাষা লিখা আৰু কোৱা ।৩৭। দৈনন্দিন ।৩৮। উপন্যাস ।৪১। কবিতা ।৪৫। গল্প ।৪৬। ক্ৰীড়াংগন ।৪৯। শেষ পৃষ্ঠা ।৫০।


**মুখ্য সম্পাদক: ডঃ ভবেন্দ্ৰনাথ শইকীয়া**

**নিবন্ধকাৰ:** কুলদীপ নায়াৰ * বদন বৰুৱা * ডঃ নিৰোদ কুমাৰ বৰুৱা * পুলক লাহিড়ী * ডঃ দিলীপ কুমাৰ দত্ত * পূৰ্ণ বৰা * ডঃ কৃষ্ণগোপাল ভট্টাচাৰ্য * ডঃ সুনীল পৱন বৰুৱা * ডঃ কুলেন্দু পাঠক * গণেশ দাস, * পৰাগ কুমাৰ দাস * দিলীপ কুমাৰ মহন্ত * ধীৰেন বেজবৰুৱা * সমুদ্ৰ গুপ্ত কাশ্যপ

**সহকাৰী সম্পাদক:** ইমৰান হুছেইন

**অংগ সজ্জা:** দেবানন্দ উলুপ, সীমান্তজ্যোতি বৰুৱা **আলোকচিত্ৰ:** দীপক বেজবৰুৱা

**মুদ্ৰাংকন:** ট্ৰিবিউন প্ৰেছ আৰু শৰাইঘাট অফছেট প্ৰেছ

**প্ৰদীপ বৰুৱাৰ** দ্বাৰা মুদ্ৰিত, প্ৰকাশিত আৰু সম্পাদিত

Vol VI No. 23. 1—15 November '87

**Prantik**
The Assamese Fortnightly

P.O. Silpukhuri, Guwahati—781003 Phone : 28751

## পত্ৰালাপ

# অসমৰ স্থায়ী ৰাজধানীৰ স্থান

পঞ্জাব আৰু হাৰিয়ানাৰ মাজত চণ্ডীগড়ক লৈ টনা-আজোঁৰা হৈ থকা সকলোৱে জানে। চণ্ডীগড় দুয়োখন ৰাজ্যৰে ৰাজধানী। পঞ্জাব চুক্তিত হাৰিয়ানাৰ বাবে এখন আটক ধুনীয়া ৰাজধানীৰ সম্পূৰ্ণ দায়িত্ব কেন্দ্ৰীয় চৰকাৰে বহন কৰিছে; তথাপি হাৰিয়ানাবাসীয়ে চণ্ডীগড় এৰি দিবলৈ টান পাইছে।

সত্তৰৰ দশকৰ আগভাগত, অসমক পুনৰ খণ্ডিত কৰি মেঘালয় সৃষ্টি কৰা হ'ল; শ্বিলঙৰ পৰা অস্থায়ী (?) ভাৱে ৰাজধানী দিছপুৰলৈ নমাই অনা হ'ল। ক্ষতিপূৰণৰ দাবী তেনেকৈ উত্থাপন কৰা নহ'ল। কেন্দ্ৰীয় চৰকাৰে আশ্বাস (?) দিলে, স্থায়ী ৰাজধানীৰ স্থান ঠিক কৰিলেই, চৰকাৰী ধনৰ যোগান ধৰা হ'ব। যোৱা পোন্ধৰ বছৰে অসম চৰকাৰে স্থায়ী ৰাজধানীৰ স্থান উলিয়াব নোৱাৰিলে, চেষ্টা নকৰিলে বা বিষয়টো ৰাজনৈতিক লাভালাভৰ লগত সংযুক্ত কৰি ৰাখিলে। চন্দ্ৰপুৰত ৰাজধানী পাতিবলৈ কেন্দ্ৰই দুশ কোটি টকা আগবঢ়োৱাৰ কথা সকলোৱে জানে। প্ৰয়াত প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীয়ে তাত আধাৰশিলাও স্থাপন কৰিছিল। যিহেতু অসম বিভাজন কৰি ৰাজধানী স্থানান্তৰ কৰা হৈছিল, সেইহেতু অসমলৈ ৰাজধানীৰ বাবে ধন যোগান ধৰিবলৈ কেন্দ্ৰ প্ৰতিশ্ৰুতিবদ্ধ; কিন্তু এতিয়ালৈকে অসম চৰকাৰৰ হেমাহি আৰু উদাসীনতাৰ বাবে অসমবাসীয়ে স্থায়ী ৰাজধানীৰ পৰা বঞ্চিত হ'ব লগা হৈছে। অসমৰ প্ৰাক্তন মুখ্যমন্ত্ৰী, বৰ্তমান বিধায়ক শ্ৰীশৰৎ সিংহ, প্ৰাক্তন মুখ্যমন্ত্ৰী শ্ৰীগোলাপ বৰবৰা, প্ৰাক্তন মুখ্যমন্ত্ৰী শ্ৰীযোগেন হাজৰিকা, প্ৰাক্তন মুখ্যমন্ত্ৰী আৰু বৰ্তমানে মিজোৰামৰ ৰাজ্যপাল শ্ৰীহিতেশ্বৰ শইকীয়াই স্থায়ী ৰাজধানী পাতিব নোৱাৰিলে বা তেওঁলোকৰ চেষ্টা ফলৱতী নহ'ল। বৰ্তমানৰ মুখ্যমন্ত্ৰী শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্তই এই বিষয়ে যি চিন্তাচৰ্চা কৰি আছে, তাতো বিধি-পথালি দিবলৈ অনেকেই খদমদম লগাইছে। বৰপেটা জিলাৰ হৈও আমি ভাবোঁ, অসমৰ ৰাজধানীৰ উপযুক্ত স্থান শিলঘাট। যোৱা ১৯ অক্টোবৰত অবিভক্ত কামৰূপ বন্ধৰ ঘটনা ৰাজনৈতিক উদ্দেশ্য প্ৰণোদিত আৰু অসমত যে স্থায়ী ৰাজধানী হোৱাটো এচামে ভাল নাপায়, সেইটোকে এই ঘটনাই উদঙাই দেখুৱাইছে। অসম-বিৰোধী চক্ৰয়ো, অসমৰ স্থায়ী ৰাজধানী নোহোৱাটো বিচাৰে। অসমৰ প্ৰত্যেকখন জিলাই যদি ৰাজধানীৰ বাবে বন্ধ পালন কৰে, তেন্তে ৰাজধানীখন দিল্লীতে পতা ভাল হ'ব নেকি? কামৰূপ জিলা ছাত্ৰ সন্থাই বন্ধ পালন কৰিলে, নগাঁও, শিৱসাগৰ, ডিব্ৰুগড় বহি থাকিবনে? আমি স্পষ্টভাৱে কব খোজোঁ, স্থায়ী ৰাজধানীৰ লগত অসমৰ বিদেশী বহিষ্কাৰৰ কোনো সম্পৰ্ক নাই, থাকিব নোৱাৰে। ভাৰতবৰ্ষৰ অসমখণ্ডত ঘটা বিদেশীৰ অনুপ্ৰবেশ বন্ধ, চিনাক্তকৰণ, বহিষ্কৰণ আদি কাম চৰকাৰৰ নীতিগত কাৰণত, দেশৰ নিৰাপত্তাৰ খাতিৰত কৰিবই লাগিব; কিন্তু তাৰমানে এইটো নহয় যে, অন্যান্য উন্নয়নমূলক কাম-কাজ, অৰ্থনৈতিক কাৰ্যসূচীসমূহ বন্ধ কৰি থব লাগিব। কিছুমান অশুভ শক্তিৰ গৰাহত পৰি অসম আজি জৰ্জৰিত। এই শক্তিসমূহে জনজাতি, উপজাতি, বামুণ-কলিতা, উজনি অসম-নামনি অসম, কামৰূপীয়া, নগঞা আদি ভাবৰ জন্মদাতা আৰু এই শক্তিসমূহেই অসমীয়া মহাজাতি গঠনৰ পৰোক্ষভাৱে বিৰোধিতা কৰে।

ৰাজধানী গুৱাহাটীত লাগে কিয়? সকলো ক্ষেত্ৰতে আজি গুৱাহাটী আগবঢ়া, গুৱাহাটীয়ে অত্যধিক বোজা ল'ব নোৱৰা হৈছে। বস্তি অঞ্চলৰ প্ৰাধান্য বাঢ়িছে, পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ অভাৱ গুৱাহাটীত বাৰুকৈয়ে চকুত পৰা। বানপানী হ'লে ৰাধাগোবিন্দ বৰুৱা পথৰ লোকসকলক সাহায্য দিব লগা হয়, ভৰলুমুখত সাহায্য শিবিৰ খুলিব লাগে! গুৱাহাটীত ৰাজধানী ৰখাটো মূলতঃ ব্যৱসায়ীসকলৰহে কাম্য আৰু সেইসকলৰ কাম্য— যিসকলে চাৰিওফালে মাটি কিনি, ঘৰ বান্ধি, দুটা কমৰ বাবদ ৬০০/৭০০ কৈ ভাৰা লৈ আছে। শিলঘাটত ৰাজধানী হ'লে, কামৰূপৰ লোকৰ একো বিশেষ অসুবিধা নহয়। গুৱাহাটীৰ চাৰ্চফিল্ড, দিছপুৰ, ভৰলুমুখ, জালুকবাৰীৰ পৰা যদি গুৱাহাটী-শিলঘাটলৈ দ্ৰুতগামী ছিটিবাছ আধাঘণ্টাৰ মূৰে-মূৰে চলোৱাৰ সুবিধা কৰা হ'য়, তেন্তে অসুবিধাটো ক'ত? ধুবুৰীৰপৰা, ডিব্ৰুগড়ৰ পৰা মানুহে অস্থায়ী ৰাজধানী দিছপুৰলৈ কেনেকৈ আহি আছে? কলীয়াভোমোৰা দলঙে শিলঘাটক অধিক সুবিধা প্ৰদান কৰিছে। যিহেতু সকলো জিলাৰ সদৰ আৰু প্ৰধান ঠাইসমূহ ৰাজধানীৰ লগত পৰিবহন আৰু অন্যান্য ক্ষেত্ৰত সংযোজিত হৈ থাকে গতিকে শিলঘাটত ৰাজধানী পতাৰ বিৰোধিতাৰ কোনো যুক্তিযুক্ততা নাই। জিলা ছাত্ৰ সন্থাসমূহে যাতে নিজাৱৰীয়াকৈ 'বন্ধ'ৰ দৰে গুৰুত্বপূৰ্ণ কাৰ্যসূচী ল'ব নোৱাৰে, তাৰ বাবে সদৌ অসম ছাত্ৰ সন্থাৰ নেতৃবৃন্দই মন কৰা উচিত। কামৰূপৰ জনমতৰ ওপৰত ভিত্তি কৰি যদি অসমৰ স্থায়ী ৰাজধানী ঠিক কৰিব লাগে, তেনেহ'লে আমি ভাবোঁ,— অসম বহুখণ্ডিত হ'বলৈ আৰু সৰহ দিন নালাগিব।

জিলাভিত্তিক বাক-বিতণ্ডা আৰু হৈ-চৈয়ে যাতে সুদূৰ প্ৰসাৰী, সুফলদায়ক প্ৰচেষ্টা নষ্ট কৰিব নোৱাৰে তাৰবাবে অসমৰ শুভাকাংক্ষী সকলো লোকেই সচেষ্ট হ'ব লাগে। গুৱাহাটীৰ বেতকুছিত IIT হোৱাৰ কথাও ওলাইছিল। ধৰি ল'লো বিদেশী চিনাক্তকৰণ আৰু বহিষ্কৰণ এটা জটিল কাম আৰু এইবোৰ ক্ষেত্ৰত কাৰ্য সম্পাদন কৰোঁতে সময় বেছি লয়; কিন্তু এখন IIT, এটা তেল শোধনাগাৰ, এখন স্থায়ী ৰাজধানীৰ স্থান ঠিক কৰোঁতে যদি যথাক্ৰমে, এতিয়ালৈকে দুবছৰ, দুবছৰ আৰু পোন্ধৰ বছৰ লাগে, তেন্তে অসমৰ সামগ্ৰিক উন্নতিৰ ছবিখনৰ বিষয়ে আপুনি চিন্তা কৰক। এনেকৈ আমি সুন্দৰ, ভেদাভেদ নোহোৱা, ঐক্যবদ্ধ, সোণৰ অসম গঢ়িবলৈ ওলাইছোঁ!

আমাৰ মতৰ লগত বহুতৰে মতৰ অমিল হ'ব পাৰে, তেখেতসকলৰ মতামত প্ৰান্তিকৰ পাতত প্ৰকাশ পালে সুখী হ'ম। কিন্তু কোনো ক্ষেত্ৰতে আমি, নগঞা, কামৰূপীয়া, বৰপেটীয়া নলবৰীয়া, শোণিতপুৰীয়া— এনেধৰণৰ ভাৱ গ্ৰহণ কৰিবলৈ প্ৰস্তুত নহওঁ।

—শিশিৰ কুমাৰ দাস, অনুপ কলিতা
ৰুমী চৌধুৰী, গুৱাহাটী

## প্ৰিন্স অৱ ৱেলছৰ বৰঙণি

অসমৰ শিক্ষানুষ্ঠানসমূহৰ ভিতৰত বিদেশীলোকৰ নামেৰে নামকৰণ কৰা অনুষ্ঠান হ'ল, মোৰ বোধেৰে, গুৱাহাটীৰ কটন কলেজ আৰু যোৰহাটৰ অভিযান্ত্ৰিক আৰু কাৰিকৰী শিক্ষানুষ্ঠান— H. R. H. The Prince of Wales Institute of Engineering and Technology. ডিব্ৰুগড়ৰ বৰ্তমান অসম মেডিকেল কলেজ এটা সময়ত বেৰিহোৱাইট মেডিকেল স্কুল নামেৰে পৰিচিত আছিল। ১৯০১ চনৰ ২৭ মে' তাৰিখত তেতিয়াৰ অসমৰ মুখ্য আয়ুক্ত ছাৰ হেনৰি জন ষ্টিডমেন 'কটনে কটন কলেজৰ দুৱাৰ মুকলি কৰিছিল। উচ্চ শিক্ষাৰ বাবে অসমৰ প্ৰথম আৰু দেশৰ ভিতৰতে অতি পুৰণি কটন কলেজ স্থাপনৰ আঁৰত থকা আনজন নাম লবলগীয়া লোক আছিল মাণিক চন্দ্ৰ বৰুৱাদেৱ। কটন কলেজৰ নাম এতিয়াও কটন কলেজ হৈ থকাৰ যুক্তিযুক্ততা আছে কাৰণ হেনৰি কটন ভাৰতীয় জাতিৰ তথা অসমীয়া জাতিৰ হিতৈষী লোক আছিল। এই ইংৰাজ লোক ভাৰতীয় জাতীয় আন্দোলনৰ লগতো জড়িত আছিল।

কিন্তু যোৰহাটৰ কাৰিকৰী শিক্ষানুষ্ঠানটোৰ নামকৰণ কেতিয়া হৈছিল,— বৰ্তমানেও কিয় সেই নাম চলি আছে সেই কথা আমি নাজানো। ৱেলছৰ ৰাজকুমাৰৰ অনুষ্ঠানটি প্ৰতিষ্ঠাৰ প্ৰতি কি বৰঙণি আছিল সেই বিষয়ে আমি জানিবলৈ উৎসুক। যদি প্ৰকৃততেই তেনে কোনো স্মৰণীয় অৱদান নাই, তেনেহলে অনুষ্ঠানটিৰ নাম বৰ্তমানে সলনি হোৱাটো বিচাৰোঁ।

—প্ৰদীপ কুমাৰ বৰদলৈ, তিতাবৰ

## "এছবেছটছ অপকাৰী"

শ্ৰীঅঞ্জন কুমাৰ ফুকনৰ "এছবেছটছ অপকাৰী" শীৰ্ষক চিঠিখনৰ (১।৮।৮৭) সংক্ৰান্তত এই চিঠিখন লিখিলো।

এছবেছটছ হ'ল বিভিন্ন প্ৰকাৰ ছিলিকেটৰ এটা মিশ্ৰণ। প্ৰকৃততে আমি বহুতে ভবাৰ দৰে ঘৰৰ চাল হিচাপে ব্যৱহাৰ কৰাতেই এছবেছটছৰ ব্যৱহাৰ সীমাবদ্ধ নহয়। ছিমেণ্ট পাইপ, এছবেছটছ শ্বিট, বিভিন্ন নলীৰ আৱৰণ, হ'ল ছুলেশ্যন পেপাৰ, ফ্ৰিক্‌শ্যন আৰু পেকিং পদাৰ্থ, পেইণ্ট, ঔষধ, পানীয় (beverage) টাইলছ ব্ৰে'ক লাইনিং আদি বহু বস্তু নিৰ্মাণত এছবেছটছ ব্যৱহাৰ কৰা হয়।

এছবেছটছৰ বিষক্ৰিয়াক "এছবেছটছিছ" বোলা হয়। প্ৰথম এছবেছটছিছৰ ঘটনাটো ধৰা পৰিছিল ইংলণ্ডত, ১৮৯৯ চনত। এছবেছটছিছৰ ফলস্বৰূপে সাধাৰণ বিষক্ৰিয়াৰ উপৰিও হাওঁফাওঁ আৰু উশাহনলীৰ কৰ্কট ৰোগ হয়। এই কৰ্কটৰোগৰ এছবেছটছ ব্যৱহাৰ কৰা কাৰখানাৰ কৰ্মীসকলৰ মাজত হোৱাৰ আশংকা বেছি। ইংলণ্ডত এটা অধ্যয়নত দেখা গৈছিল যে এছবেছটছ কাৰখানাত কাম কৰা যিসকললোক মেছ'থেলিঅমা (Mesothalioma) নামৰ কৰ্কট ৰোগত ভুগিছিল, তেওঁলোকৰ প্ৰতি দহ জনৰ এজনৰ কৰ্কট ৰোগ হৈছিল এছবেছটছৰ বিষক্ৰিয়াৰ বাবে।

এছবেছটছ হ'ল এবিধ লাহে লাহে ক্ৰিয়াকৰা পদাৰ্থ। নিৰৱচ্ছিন্নভাৱে (chronic) এছবেছটছ উশাহত অলপ অলপকৈ দেহৰ ভিতৰলৈ গৈ থকাৰ ফলত ৰোগৰ লক্ষণ ফুটি উঠোঁতে যথেষ্ট সময় লয়। বিছৰ পৰা ত্ৰিছ বছৰৰ পাছতহে এছবেছটছৰ বিষক্ৰিয়াই লক্ষণ দেখুউৱা আৰম্ভ কৰে। এবাৰ এছবেছটছিছ হোৱাৰ পাছত তাৰ পৰা পৰিত্ৰাণৰ উপায় নাথাকে; কিয়নো ইয়াৰ কোনো চিকিৎসা নাই অথবা এতিয়াও এনে কোনো নিষ্ক্ৰিয়ক পদাৰ্থ (antidote) ওলোৱা নাই যি এছবেছটছৰ ক্ৰিয়া ব্যাহত কৰিব পাৰে।

তথাপি, এছবেছটছৰ দৰে সামগ্ৰী বন্ধ কৰাটো ভাৰতৰ দৰে দুখীয়া দেশত সম্ভৱ নহয়। তদুপৰি এবিধ বা দুবিধ সামগ্ৰী বন্ধ কৰি এছবেছটছৰ বিষক্ৰিয়াৰ পৰা হাত সাৰিব নোৱাৰি।

—প্ৰবীণ কুমাৰ নেওগ,
অসম কৃষি বিশ্ববিদ্যালয়
খানাপাৰা, গুৱাহাটী

## মহম্মদ (দ.)ৰ চিঠি

প্ৰান্তিকৰ ঘটনা-প্ৰবাহৰ বাতৰি এটাত উল্লেখ কৰা মতে: "জৰ্ডানৰ ৰজা হুছেইনৰ মতে তেওঁৰ হাতত পয়গম্বৰ হজৰত মহম্মদে ৬৩৬ খৃষ্টাব্দত ৰোমান সম্ৰাট হিৰাক্লিয়াছলৈ লিখা মূল চিঠিখন আছে।" (১।৯।৮৭)।

হজৰত মহম্মদ (দঃ)ৰ মৃত্যু হৈছিল ৬৩২ খৃষ্টাব্দত'। কিন্তু বাতৰিটোত উল্লেখ কৰা মতে তেওঁ চিঠিখন লিখিছিল ৬৩৬ খৃষ্টাব্দত। যিজন চাৰিবছৰ আগতে স্বৰ্গী হৈছে তেওঁ ৬৩৬ খৃষ্টাব্দত চিঠি লিখিব পাৰেনে? নে এইখন মূল চিঠি নহয়? নাইবা এইটো ছপাৰ ভুল নেকি? —ইঃ ৰঃ হাজৰিকা,
বৰদোলগুৰি দৰং

প্ৰান্তিকে সংগ্ৰহ কৰা উৎসটোৰ মূল বাতৰিটোতে চনটো ৬৩৬ খৃষ্টাব্দ বুলি থকা বাবেই প্ৰান্তিকৰ বাতৰিটোতো চনটো তেনেদৰেই প্ৰকাশিত হ'ল।

আচলতে হুদাইবিয়া সন্ধি আৰু মদিনাত মুছলিম ৰাষ্ট্ৰ স্থাপনৰ কিছুদিনৰ পাছত হজৰত মহম্মদে (দঃ) পাৰছ্য সম্ৰাট খুছৰু, ৰোম সম্ৰাট হিৰাক্লিয়াছ, মিছৰৰ শাসনকৰ্তা মুকাউকিছ আদিলৈ ইছলাম গ্ৰহণ কৰিবলৈ অনুৰোধ জনাই চিঠি লিখিছিল। এইটো ষষ্ঠ হিজৰিৰ শেষভাগৰ ঘটনা। আনহাতে হজৰত মহম্মদ (দঃ) ৰ মৃত্যু হৈছিল ১১ হিজৰিত। ইংৰাজী চনটো আছিল ৬৩২ খৃষ্টাব্দ। সেই হিচাপে চালে চিঠি লিখা চনটো ৬২৬ বা ৬২৭ খৃষ্টাব্দ হ'ব লাগে। [স. স., প্ৰান্তিক]

## নিজৰ ঠাইত লোকচান, বাহিৰত লাভ

এইবেলি ইঞ্জিনিয়াৰিং কলেজৰ টেষ্টত ছিট পাই, বাহিৰলৈ যোৱাৰ সুবিধা পায়ো কিবা কাৰণত নগৈ, যোৱা ২৪ জুলাইত জালুকবাৰী ইঞ্জিনিয়াৰিং কলেজত নাম ভৰ্তি কৰালো। যিবোৰ ল'ৰা বাহিৰলৈ গৈছে, সিহঁতৰ পৰা গম পোৱা মতে অসমৰ বাহিৰৰ বিশ্ববিদ্যালয়ে হেনো আগষ্ট মাহৰ ভিতৰতে তাৰ ক্লাছবোৰ আৰম্ভ কৰিব। কিন্তু মই এতিয়া গম পোৱা মতে জালুকবাৰীত ১৯৮৮ চনৰ জানুৱাৰীৰ আগতে ক্লাছ আৰম্ভ হোৱাৰ আশা নাই। তেতিয়া-হ'লে আমি এই আগষ্টৰ পৰা জানুৱাৰী মাহলৈ কি কৰিব লাগিব? অকল এই বছৰেই নহয়, প্ৰতি বছৰে এনেকুৱা হৈ থকা সত্ত্বেও কাৰো খবৰ নাই।

একে লগৰ বাহিৰত পঢ়া ল'ৰাতকৈ গুৱাহাটী বিশ্ববিদ্যালয়ৰ তলত পঢ়া লৰাজন এবছৰ পিছুৱাই যায়।

—পৱন কুমাৰ শৰ্মা,
থেকেৰাবাৰী, ৰঙামাটি, মঙলদৈ

## শ্ৰেণী বৰ্জন

আজি কিছুদিনৰ পৰা সদৌ অসম ছাত্ৰ সন্থাই নতুন কিছুমান বিষয়ৰ বাবে আন্দোলনৰ কাৰ্যসূচী লৈছে। আজিৰ কাৰ্যসূচী আছিল ছাত্ৰ-ছাত্ৰীয়ে শ্ৰেণী বৰ্জন কৰি চৰকাৰী কাৰ্যালয়ৰ সমুখত (উপপতি সমাহৰ্তা, খণ্ড উন্নয়ন বিষয়াৰ কাৰ্যালয় আদিত) ধৰ্ণা দিব লাগে। এখন মহাবিদ্যালয়ৰ প্ৰায় পাঁচ শ ছাত্ৰ-ছাত্ৰীয়ে শ্ৰেণী বৰ্জন কৰিলে আৰু মাত্ৰ ছজন ছাত্ৰইহে ধৰ্ণা দিবৰ বাবে কাৰ্যালয়লৈ যোৱা দেখা পালোঁ।

কুসুম বৰা, বিহপুৰীয়া

## কৰম ঠানি

শ্ৰীহীৰেন্দ্ৰ নাথ দত্তৰ 'কৰম ঠানি' কবিতাটোৰ (১৬।৮।৮৭) শেষৰ টোকাত "চিকা-মৰলীয়া গছক অসমীয়া চাহ সম্প্ৰদায়ৰ লোকসকলে কৰম গছ বুলি কয়" বুলি লিখা হৈছে। প্ৰকৃততে আমি সদায় দেখি থকা আৰু জনাত চিকা মৰলীয়া আৰু কৰম দুবিধ বেলেগ গছ। অসমীয়াত যি বিধ গছক চিকা-মৰলীয়া বোলা হয় সেই গছৰ পাতখিলাৰ তলৰ পিঠিত এবিধ বগা পদাৰ্থ থাকে। পাতৰ জোখ এক বৰ্গফুটমান আৰু পাতৰ সমানে দীঘল এডাল ঠাৰিৰেই গছৰ ডালত লাগি থাকে। এই পাতবিলাকৰ প্ৰায় চিকাৰ দৰে গোন্ধ আছে কাৰণে ইয়াক চিকা-মৰলীয়া বোলা হয়। তথাপি পূজা-সবাহৰ প্ৰসাদ বিতৰণত এই পাতবিলাক ব্যৱহাৰ হয় কাৰণে এই বিধ গছ অসমীয়া সমাজৰ কাৰণে সন্মানীয়। বগা আৰু ৰঙা দুই প্ৰজাতিৰ চিকা-মৰলীয়া অসমত আছে যদিও ৰঙা প্ৰজাতি অতি বিৰল। কিন্তু চাহ সম্প্ৰদায়ৰ লোকসকলে তেওঁলোকৰ কৰম পূজাত যি গছ ব্যৱহাৰ কৰে সেইবিধ গছক অসমীয়াতো কৰম গছ বোলা হয়। (অতীজতে যদি অন্য কিবা নাম আছিল

নাজানো।) এইবিধ গছ পোন্ধৰ ফুট মানলৈকেহে ওখ হয় আৰু এইবোৰৰ দীঘল ঠানি থাকে। গতিকে চাহ সম্প্ৰদায়ৰলোকে পুজা কৰিবলৈ সম্পূৰ্ণ গছজোপাকে উঘালি থিয়কৈ দাঙি নিব পাৰে। ইয়াৰ পাতবিলাকৰ আকাৰ হাতৰ তলুৱাৰ সমান। গতিকে 'কৰম-ঠানি' কৰিস্তাটোৰ তলৰ টোকাৰ কথাখিনি আসোঁৱাহযুক্ত।

প্ৰতাপ হাজৰিকা, টেঙাখাত, ডুলীয়াজান

## "কলীয়া ভোমোৰা"

শ্ৰীপুণ্যপ্ৰসাদ শইকীয়াৰ "কলীয়া-ভোমোৰা" শীৰ্ষক পত্ৰখন (১।৭।৮৭) পঢ়িলো। তেখেতে লিখিছে,— বদন চন্দ্ৰক আঁতৰাই কলীয়া ভোমোৰাক নিয়োগ কৰাৰ কথা হ'বই নোৱাৰে। কিন্তু হিতেশ্বৰ বৰবৰুৱাৰ "আহোমৰ দিন"ৰ মতে বদন চন্দ্ৰক আহোম ৰাজত্বকালত দুবাৰ বৰফুকন পতা হৈছিল। প্ৰথম বাৰ স্বৰ্গদেৱ গৌৰীনাথ সিংহৰ দিনত তেওঁক বৰফুকন পতা হৈছিল। ইয়াৰ পাছত কমলেশ্বৰ সিংহ ৰজা হয়। সেইসময়ত গুৱাহাটীত বদন বৰফুকন অত্যাচাৰী হৈ উঠাত বদনক বৰফুকন পদৰ পৰা আঁতৰাই তেওঁৰ ঠাইত কলীয়াভোমোৰাক বৰফুকন পতা হয়। কলীয়াভোমোৰাৰ মৃত্যুৰ পাছত দ্বিতীয়বাৰৰ বাবে বদনক বৰফুকন পতা হয়। ইয়াৰ কিছুদিনৰ পাছতে কমলেশ্বৰ সিংহৰ মৃত্যু হোৱাত ভায়েক চন্দ্ৰকান্ত সিংহ ৰাজপাটত উঠে।

বিশেষকৈ বদন বৰফুকনৰ এই দ্বিতীয় কাৰ্যকালত আহোম বুৰঞ্জীত উল্লেখযোগ্য ঘটনা ঘটিল। —ৰাজকমল কোঁৱৰ, বাপাপুং, ডিগবৈ

### দুই

"আহোমৰ দিন"ৰ ২৮১ পৃষ্ঠাত আছে, "…বদন বৰফুকনক গুৱাহাটীত বৰফুকন ৰূপে ৰখাটো ভাল যেন নেদেখি সন্দিকৈ বংশৰ গেন্ধেলা ওৰফে কলীয়া ভোমোৰাক বৰফুকন পাতি, গুৱাহাটীলৈ পঠালে।" অৱশ্যে শইকীয়াদেৱে কোৱা মতে ২৮৬ পৃষ্ঠাত স্বৰ্গদেউ কমলেশ্বৰ সিংহৰ মৃত্যুৰ আগতেই কলীয়া ভোমোৰাৰ মৃত্যু হোৱাৰ কথাও উল্লেখ আছে। লগতে এই কথাও জানিব পৰা যায় যে বদন চন্দ্ৰ তিনিবাৰ বৰফুকন হয়। প্ৰথমবাৰ গৌৰীনাথ সিংহৰ ৰাজত্ব কালত। স্বৰ্গদেৱে চেতীয়াৰ বুঢ়া বৰফুকনৰ মৃত্যুৰ পাছত ঘিনাইক বদন চন্দ্ৰ নাম দি বৰফুকন পাতে। তেতিয়াৰ পৰা তেখেত কমলেশ্বৰ সিংহৰ ৰাজত্ব কাললৈকে বৰফুকন হৈ থাকে। (২৮১ পৃষ্ঠা)। ১৭১৭ শকৰ কমলেশ্বৰ সিংহৰ ৰাজত্ব কালতেই কলীয়া ভোমোৰা বৰফুকনৰ মৃত্যুৰ পাছত বদন চন্দ্ৰকেই পুনৰ দ্বিতীয়বাৰ বৰফুকন পাতে। (২৯৮ পৃষ্ঠা)। ইয়াৰ পাছত বদন বৰফুকন পলাই গৈ মান লৈ ঘূৰি আহি প্ৰতাপী হৈ উঠিল। পূৰ্ণানন্দ বুঢ়াগোঁহাইৰ মৃত্যুৰ পাছত চন্দ্ৰ কান্ত সিংহৰ ৰাজত্ব কালত দিহিঙীয়াৰ ঘনশ্যামক বৰফুকন ভাঙি পুনৰ তৃতীয় বাৰৰ বাবে বদন চন্দ্ৰ বৰফুকন হয়। —দিব্যধৰ গগৈ, বাগলিপাৰ

## ডালিমী আৰু জিমু

শ্ৰীবেণুধৰ দাসৰ চিঠিখনৰ (১।৮।৮৭) আঁত ধৰি জনাওঁ যে আমি যিমান দূৰলৈ জানো পদ্মনাথ গোহাঞি বৰুৱাদেৱৰ 'জয়মতী' নাটৰ 'জিমু' চৰিত্ৰ আৰু লক্ষ্মীনাথ বেজবৰুৱাদেৱৰ 'জয়মতী' নাটৰ 'ডালিমী' চৰিত্ৰ দুয়োটাই কাল্পনিক। গোহাঞি বৰুৱাদেৱৰ 'জয়মতী' নাট লিখাৰ আগতে নগা পৰ্বতলৈ যোৱাৰ সুযোগ হৈছিল; অৰ্থাৎ নগা গাভৰুৰ বৰ্ণনা দিবলৈ তেওঁ অধ্যয়ন কৰিব পাৰিছিল। আনহাতে 'জয়মতী' নাট লিখাৰ আগতে বেজবৰুৱাদেৱ নগা পৰ্বতলৈ যোৱা নাছিল। কিন্তু বেজবৰুৱাদেৱৰ ডালিমী চৰিত্ৰটোৰ বৰ্ণনা ইমান সুন্দৰ, সজীৱ আৰু মৰ্মস্পৰ্শী হৈছে যে ডালিমীৰ চৰিত্ৰটোৱে অতি সোনকালেই পাঠকৰ মাজত জনপ্ৰিয়তা অৰ্জন কৰিলে। হয়তো বেজবৰুৱাদেৱক ডালিমীৰ চৰিত্ৰটো বৰ্ণনা কৰোঁতে জিমুৰ চৰিত্ৰটোৱে সহায় কৰিব পাৰে; কাৰণ গোহাঞি বৰুৱাদেৱৰ জয়মতী নাট বেজবৰুৱাদেৱৰ জয়মতী নাটৰ ১৫ বছৰ আগতে প্ৰকাশিত হোৱা। ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালায়ো 'জয়মতী' বোলছবিখন নিৰ্মাণ কৰোঁতে বেজবৰুৱাদেৱৰ 'জয়মতী' নাটহে বাছি লৈছিল। সেই বাবেও জয়মতী নিৰ্মাণৰ পাছত ডালিমীৰ চৰিত্ৰটোৱে জনপ্ৰিয়তা লভিবলৈ সুবিধা পায়। বৰ্তমান এনে এটা অৱস্থা পাইছে যে সৰহভাগ লোকেই বেজবৰুৱা দেৱৰ সৃষ্টি ডালিমীৰ লগত পৰিচিত, আৰু আনহাতে সৰহ ভাগ লোকেই গোহাঞি বৰুৱাদেৱৰ সৃষ্টি জিমুৰ লগত অপৰিচিত।

গৌৰৱ কলিতা, নৰগ্ৰহ পথ, গুৱাহাটী

## কামৰ মানুহৰ প্ৰসংগত

"কামৰ মানুহ" শীৰ্ষক সৰ্বেশ্বৰ চুতীয়াৰ চিঠিখনৰ বাবে (১৬।৯।৮৭) তেখেতলৈ ধন্যবাদ জনাইছোঁ। আমি গাঁৱৰ মানুহ। সহজেই কথাৰ ফুলজাৰিত ভোল যাওঁ। কিন্তু সেইটো অজুহাততে আমাক ৰাজনৈতিক ক্ষেত্ৰত ব্যৱহাৰ কৰাটো সহ্য কৰিব নোৱাৰোঁ।

আমি এতিয়াও, নিৰ্বাচনৰ প্ৰাক্‌মুহূৰ্তত এটা সমষ্টিক প্ৰতিনিধিত্ব কৰিব খোজা এগৰাকী ব্যক্তিৰ তেতিয়াৰ তেওঁৰ কথা-বাৰ্তা আৰু ভাবমূৰ্তিৰ ওপৰত বিশ্বাস ৰাখি ধৈৰ্য সহকাৰে কিছু কথা আলোচনা কৰোঁ। সেই গৰাকী ব্যক্তিৰ ভাবমূৰ্তিৰ বিষয়ে আমাৰ মনত যি বিশ্বাস আছে, সেই বিশ্বাস তেওঁৰ দুই-এটা ভুল কামৰ বাবে আমাৰ মনৰ পৰা নোহোৱা হৈ যাবলৈ দিবলৈ টান পাওঁ। আৰু নিদিওঁ। কিন্তু যেতিয়া বহু নেদেখিবলগীয়া, নুশুনিবলগীয়া কাণ্ড আৰু কথা দেখিবলৈ-শুনিবলৈ পাওঁ, ব্যক্তি গৰাকীৰ নিজৰ সমষ্টি বা অঞ্চলটোৰ প্ৰতি উদাসীনতাৰ ভাব দেখিবলৈ পাওঁ বা তেওঁৰ কিছু কথা কাণ্ডৰপৰা বুজি পাওঁ, তেতিয়া মনত কষ্ট পাওঁ।

আমি কেতিয়াও এই ৰাজ্যখন ৰামৰাজ্য হওক বুলি নভবাকৈ নাথাকোঁ। কিন্তু সেইটো একে দিনাই, এটা মাহতে বা পাঁচ বছৰতে হওক বুলিও নাভাবোঁ। শ্ৰীচুতীয়া দেৱৰ ভাষাৰে যাদুৰ দৰে অলৌকিক পৰিবৰ্তন আমি কোনো দিনে আশা নকৰোঁ। কিন্তু স্বাধীনতাৰ চল্লিছ বছৰ পাছতো গাঁৱৰ ৰাস্তাটো বোকা হৈ থাকক, দলংখন বাঁহৰ হৈ থাকক, স্কুলঘৰটোৰ বেৰকেইখন খহি থকা ভাগেই থাকক বুলি চাই থাকিবলৈ কষ্ট পাওঁ। "আমি বিধান তৈয়াৰ কৰিব লাগিব।" বুলি কৈ যোৱা কথাবোৰ মানুহজনে একেবাৰে মনৰ পৰা কোৱা বুলিয়েই আমি এতিয়াও ভাবি আছোঁ।

সকলো ধৰণৰ ব্যক্তিকে সন্তুষ্ট কৰাটো সহজ কথা নহয়। কিন্তু অলপতে সন্তুষ্ট হোৱা ব্যক্তিসমূহক সন্তুষ্ট কৰাটো বোধহয় টান কাম নহয়। পঁষেকত এবাৰ আহিম বুলি কৈ যোৱা মানুহজনে যেতিয়া বছৰটোত এবাৰো আহিব নোৱাৰে, তেতিয়া বুজা যায় যে মানুহজন অতি বেছি ধৰণে কৰ্মব্যস্ত। তথাপি বছৰটোত এবাৰো নিজৰ অঞ্চলটোলৈ আহিবলৈ সঁচাকৈয়ে তেওঁ সময় উলিয়াব নোৱাৰিলেনে? তেওঁৰ কামৰ সময়খিনিত নিজৰ অঞ্চলটোৰ মানুহখিনিক তেওঁৰ ক'বলগীয়া একো নায়েই নে? প্ৰথম অৱস্থাত আহি তেওঁ কোৱা কথাবোৰ এতিয়া আখৰে-আখৰে পালন কৰিছেনে। আৰু এনেকুৱা এটা পৰিবেশত তেওঁ যে কাম কৰিব লাগিব সেই কথাটো তেওঁ তেতিয়া চিন্তা কৰি কথাবোৰ কৈছিল নে? আমি এতিয়াও "লংকালৈ গ'লে বাৱণ হয়" এনে ধৰণৰ চিন্তাক প্ৰশ্ৰয় দিয়া নাই।

"ৰাইজে পাতিলে ভিখাৰীও ৰজা হয় আৰু ৰাইজে নাপাতিলে ৰজাও ভিখাৰী হয়"— এই কথাষাৰ মৰ্মে মৰ্মে উপলব্ধি কৰিছোঁ। কিন্তু এই উপলব্ধি কাৰ বাবে বেছি প্ৰযোজ্য সেইটো বোধহয় সোঁৱৰাই দিয়াৰ কোনো প্ৰয়োজন নাই। এই কথাবোৰ আবেগিক হৈ কোৱা নাই। দেখি, শুনি আৰু ঢুকি পোৱাৰলৈকে বুজিহে কৈছোঁ। কিছুমান কথা খোলোচাকৈ নাপাতিলে মনত কষ্ট পোৱা যায় আৰু মনৰ কথাবোৰৰ ভুল-শুদ্ধ বিচাৰ কৰিবলৈ অসুবিধা হয়। এযাব কথা ন-দি ক'ব পৰা হৈছোঁ। বৰ্তমান আৰু আহি থকা সময়বোৰ বক্তৃতাৰ ফুলজাৰিৰ সময় নহয়।

—বিপুল কুমাৰ লহকৰ,
কল্প নাথ দাস, প্ৰদীপ তালুকদাৰ,
বামাখাটা, বৰপেটা

## "চাবি আলুন"

শ্ৰীবীৰেন্দ্ৰ কুমাৰ গোহাঁয়ে কাৰবি ৰামায়ণ 'চাবি আলুন'ৰ সম্পৰ্কে লেখা সমীক্ষাটি (১৬।৮।৮৭) পঢ়িলোঁ। তেখেতে সমীক্ষাৰ শেষলৈ "কাৰবি কাব্য জগতৰ দ্বাৰ মুকলি কৰি… নিৰূপণ কৰিব" বুলি কৰা মন্তব্যৰ খেও ধৰি জনাওঁ যে অসম সাহিত্য সভাই ছাবিন আলুনখন (চাবি আলুন?) ১৯৮৬ চনত প্ৰকাশ কৰিছে। এই পুথিখন সংকলন আৰু সম্পাদনা কৰিছে শ্ৰীছামছিং হাঞ্চেই। প্ৰকাশিত পুথিখনত ছাবিন আলুনৰ বিষয়বস্তুৰ বৰ্ণনা, কাব্য আৰু শেষত অসমীয়া গদ্যানুবাদ দিয়া হৈছে। পুথিখনৰ মূল্য ৮ টকা আৰু সেইখন সাহিত্য সভাৰ যোৰহাট, গুৱাহাটী আৰু ডিফু কাৰ্যালয়ত পোৱা যায়।

—অমল ৰাজখোৱা,
প্ৰধান সম্পাদক, অসম সাহিত্য সভা
যোৰহাট

### দুই

কাৰবি ৰামায়ণৰ স্ৰষ্টা হ'ল 'ছাবিন' নামৰ এজন চহা কবি। কাৰবি সমাজত লোক পৰম্পৰা হিচাপে প্ৰচলিত এই ৰামায়নখন 'ছাবিন আলুন' (Chabin Aalun, চাবি নহয়) আৰু অঞ্চল বিশেষে "ৰিন ছাৰেন" আৰু "ইতা কুং ৰীপি আলুন" বা সীতা কুঁৱৰীৰ গীত ৰূপে প্ৰচলিত। এই ৰামায়ণখন কাৰবি আংলং জিলাৰ প্ৰাক্তন আৰক্ষী অধীক্ষক শ্ৰীপ্ৰেমকান্ত মহন্ত দেৱৰ উদ্যোগত সংগ্ৰহ তথা সংকলন কৰা হয় আৰু পাছত ১৯৭৬ চনৰ জুন মাহত অসম সাহিত্য সভাৰ ডিফু শাখাই, কাৰবি আংলং জিলা পৰিষদৰ আৰ্থিক সাহায্যত পুথিখনিৰ প্ৰথম তাঙৰণ প্ৰকাশ কৰে। জনশ্ৰুতিমতে কাৰবি ৰামায়ণ গীতৰ ৰচক ছাবিন বৰ্তমানৰ নগাঁও আৰু কাৰবি আংলং জিলাৰ সীমান্তবৰ্তী বন্দলি অঞ্চলৰ লোক আছিল।

শ্ৰীগোহাঁইৰ বৰ্ণনাৰ লগত মূল কাৰবি "ৰামায়ণৰ কাহিনী ভাগৰ কথাখিনিৰ বৈশাদৃশ্য চকুত পৰা। বিস্তৃত হোৱাৰ আশংকাত অধিক কোৱাৰ পৰা বিৰত থাকিলো। এই সম্পৰ্কত বিস্তৃতভাৱে জানিবলৈ হ'লে ইচ্ছুকসকলে "প্ৰকাশ" আলোচনীৰ নৱম বছৰৰ প্ৰথম সংখ্যাৰ (অক্টোবৰ, ১৯৮৩) ৪৭ পৃষ্ঠাত প্ৰকাশিত শ্ৰীপ্ৰেমকান্ত মহন্ত দেৱৰ নিবন্ধটি পঢ়ি চাব পাৰে।

— ভাস্কৰজিৎ গোস্বামী,
মিলন নগৰ, উত্তৰ লক্ষীমপুৰ

## "তোল্‌হাপ্‌পিয়াম"

প্ৰান্তিকত ভাৰতীয় ভাষাৰ প্ৰাচীন ব্যাকৰণ এখন সম্পৰ্কে লিখা নিবন্ধ এটা (১৬।৭।৮৭) পঢ়ি ভাল পালোঁ। পিছে সেই বিষয়ে দুটা কথা উন্মুকিয়াই লোৱাৰ প্ৰয়োজন অনুভৱ কৰিলো। তামিল প্ৰাচীন ব্যাকৰণখনৰ নাম 'থোলকাপিয়াম' নহয়; শুদ্ধ উচ্চাৰণ হ'ল— তোল্‌হাপ্‌পিয়াম। এই ব্যাকৰণৰ ৰচয়িতাৰ নাম কিতাপখনৰ নামেৰে জনাজাত (তোল্‌হাপি্‌পিয়াম) যদিও তেখেতৰ প্ৰকৃত নাম তিৰণদূমাক্‌কিনি।

এই প্ৰসংগতে আৰু এটা কথা উল্লেখ কৰি থওঁ। দ্ৰাবিড়িয়ানমুনেত্ৰা কাজাহামৰ কাজাহাম শব্দটো অসমীয়াত কাঝাগাম বুলি লিখা হয়। তামিলৰ এটা বিশেষ 'ল' আছে; সেইটোৰ উচ্চাৰণ ৰ আৰু লৰ মাজতে হয়। ভাষা বিজ্ঞানত এই ল টো Jh এৰে প্ৰকাশ কৰা বাবেই বোধকৰোঁ কাঝগাম বুলি উচ্চাৰণ কৰা হয়। তেনেকৈ 'ভেলোৰ' শব্দটো আচলতে ৱেল্লুৰ। ৱ টো ইংৰাজীত V ৰে প্ৰকাশ কৰা হয়, আৰু ইয়াক 'ৱ' আখৰটো নথকা ভাষাত 'ভ'ৰে প্ৰকাশ কৰা হয় বাবেই শব্দটো ভেলোৰ হৈ পৰিল। আমাৰ ভাষাত 'ৱ' টো থকা সত্বেও আমি ভেলোৰ বুলিয়েই কওঁ আৰু লিখোঁ। —গোলাপ চন্দ্ৰ বৰা,
ৰত্নপুৰ, নগাঁও

## "হয়"

ৰেস্তোঁৰাখনৰ য'ত মই বহিছোঁ, তাৰ ঠিক কাষৰ কেবিনটোতে কলেজীয়া ল'ৰা দুজনে কথা পাতি চিকেন-পৰঠা খাই আছে। বয়টোৱে মোক চাহ কাপ দি ক'লে, "চালু চাহ হয়।"

"মাংস ভাল বনাইছে" বুলি ক্ষীণ ল'ৰাজনে কোৱাৰ পাছতে লগৰ শকতজনে ক'লে, "ভাল নহ'ব কিয়? চিকেন হয়।"

ইতিমধ্যে ৰেস্তোঁৰাখনৰ মালিকজনে বিহুগীতৰ কেছেট এটা লগাই দিলে। বিহুগীত শুনি এজনে আনজনক সুধিলে, "কোন হয়?" (গায়কজন কোন?)

উত্তৰ আহিল, "খগেন মহন্ত হয়।"

কথাই-কথাই আজিকালি যুৱক-যুৱতীৰ এই "হয়" শব্দৰ প্ৰয়োগ মই ভালেমান দিনৰ পৰাই লক্ষ্য কৰিছোঁ।

এদিন মোৰ হিন্দীভাষী বন্ধু এজনক সুধিলোঁ, "খবৰ কি বন্ধু?"

উত্তৰত তেওঁ কলে, "ভাল নাই আছে।"

এই "নাই আছে" কথাটো অসমীয়া ক'বলৈ লোৱা প্ৰায়বিলাক হিন্দীভাষী লোকেই কয়। হিন্দীৰ "নহী হ্যায়" কথাটো পোনে পোনে অসমীয়াত "নাই আছে।" এতিয়া কথা হ'ল, হিন্দীৰ "নহী হ্যায়"ৰ দৰে অসমীয়াত "নাই আছে"ৰ প্ৰয়োগ নহয়। বৰ্তমান উঠিঅহা শিক্ষিত প্ৰায়বোৰ যুৱক-যুৱতীয়ে "হ্যায়" শব্দটো "হয়" ৰূপত অসমীয়া কথোপকথনলৈ আনিছে। অসমীয়া ভাষাক বিকৃত ৰূপ দিয়াৰ পৰা বিৰত থাকিবলৈ এই "হয় হয়" কোৱাসকলক প্ৰান্তিকৰ যোগেদি অনুৰোধ কৰিলোঁ। "এইবিলাক কথা লিখা ল'ৰাজন ক'ৰ হয়? —নগাঁৱৰ পুৰণিগুদামৰ হয়। —নামটো কি হয়? —হিৰণ্য কুমাৰ গায়ন হয়। —এনেকৈ যেন কোনেও মোৰ ওপৰত বিৰক্তি প্ৰকাশ নকৰে, সেই অনুৰোধটোও জনালোঁ। —হিৰণ্য কুমাৰ গায়ন,
পুৰণিগুদাম, নগাঁও

## ৰাষ্ট্ৰীয় বৃত্তি ফুৰা-চকা কৰিবলৈ!

কেন্দ্ৰীয় চৰকাৰৰ তৰফৰ পৰা প্ৰতিবছৰে হাইস্কুল শিক্ষান্ত পৰীক্ষাত ভাল ফল দেখুৱাব পৰা ছাত্ৰছাত্ৰীক ৰাষ্ট্ৰীয় বৃত্তি প্ৰদান কৰা হয়। ইয়াৰ উদ্দেশ্য হল—যাতে দুখীয়া ছাত্ৰ-ছাত্ৰীসকলে কলেজত কিতাপ-পাতি বৃত্তিৰ পইচাৰে কিনি মাক-বাপেকক কিছু সকাহ দিব পাৰে। কিন্তু বৰ্তমান এই উদ্দেশ্য বিফল হৈছে; কিয়নো— ১৯৮৫ চনত আমি যি বৃত্তিৰ বাবে আবেদন কৰিছিলোঁ, তাৰে প্ৰথম কিস্তি ১৯৮৭ চনৰ ফাইনেল পৰীক্ষাৰ পাছতহে পালো। পৰীক্ষাৰ পাছত পইচা দি ছাত্ৰ-ছাত্ৰীক ফুৰিবলৈ সহায় কৰাহে হৈছে নেকি! বাকী টকাবোৰ কেতিয়া পাম?

—বিশ্বজিৎ ভূঞা,
—কমলেশ কুমাৰ দাস,
কটন কলেজ

# অসমৰ স্থায়ী ৰাজধানী

অসমৰ স্থায়ী ৰাজধানীৰ বাবে শিলঘাটেই একমাত্ৰ উপযুক্ত স্থান বুলি উল্লেখ কৰি স্থায়ী ৰাজধানীৰ স্থান নিৰ্ণয় কমিটিয়ে চৰকাৰক দিয়া প্ৰতিবেদনখন মুখ্যমন্ত্ৰী প্ৰফুল্ল কুমাৰ মহন্তই বিধান সভাত দাখিল কৰাৰ লগে-লগে অসমৰ ইমুৰৰপৰা সিমুৰলৈ বিভিন্ন লোকৰ মাজত বিভিন্ন ধৰণে প্ৰতিক্ৰিয়া হৈছে।

ইতিমধ্যে সদো কামৰূপ (অবিভক্ত) জিলা ছাত্ৰসন্থাই বিধান সভাৰ মজিয়াত উত্থাপন কৰা কমিটিৰ প্ৰতিবেদনখন প্ৰত্যাহাৰৰ দাবীত যোৱা ১৯ অক্টোবৰৰ দিনা ২৪ ঘণ্টীয়া কামৰূপ বন্ধ পালন কৰে। জাতীয়তাবাদী যুব-ছাত্ৰ পৰিষদ, জনকল্যাণ পৰিষদ, অসম সমাজ-সাংস্কৃতিক সন্থা আদি সংগঠনসমূহেও প্ৰতিবেদন বাতিল কৰিবলৈ দাবী জনাইছে। এই সংগঠনসমূহৰ যুক্তি হ'ল— অসমৰ ৰাইজে ছবছৰ ধৰি ঐক্যবদ্ধভাৱে আন্দোলন কৰাৰ ফলস্বৰূপে স্বাক্ষৰিত অসম চুক্তিখনৰ সফল ৰূপায়ণ হ'বলৈ এতিয়াও বাকী আছে। এনে অৱস্থাত ৰাজধানীৰ দৰে এটা বিষয় উত্থাপন কৰি ৰাজ্যখনৰ বিভিন্ন অঞ্চলৰ জনসাধাৰণৰ মাজত বিভাজনৰ বাটহে মুকলি কৰা হৈছে। তেওঁলোকে কয় যে বানপানীৰ ফলত উদ্ভৱ হোৱা সমস্যা, মূল্যবৃদ্ধি আদি সমস্যাসমূহৰপৰা জনসাধাৰণৰ মন আনফালে ঢাল খুৱাবলৈকে ঘোষণাটো এনে সময়ত কৰা হৈছে। তেওঁলোকৰ মতে ইয়াৰ ফলত অসম বিৰোধী চক্ৰসমূহহে লাভবান হ'ব।

প্ৰতিবেদনখনৰ বিৰোধিতা কৰা অন্যান্যসকলে যুক্তি দিয়ে যে একোখন প্ৰতিবেদন বিধানসভাত দাখিল কৰোঁতে চৰকাৰে নিজৰ সিদ্ধান্ত বা মতামতো লগতে দাখিল কৰাটো পৰম্পৰাগত নিয়ম। কাৰণ বিধান সভাত দাখিল কৰিলে চৰকাৰে প্ৰতিবেদনখন গ্ৰহণ কৰা বুলিয়েই ধৰি লোৱা হয়। মন্ত্ৰীসভাৰ সদস্যসকল আৰু বিধায়িনী দলৰ সদস্যসকলৰ সৈতে আলোচনা নকৰাকৈয়েই প্ৰতিবেদনখন উত্থাপন কৰি মুখ্যমন্ত্ৰীয়ে এক অশুভ পৰম্পৰা আৰম্ভ কৰিলে বুলি তেওঁলোকে ভাবে।

আনহাতে চৰকাৰৰ কাৰ্যব্যৱস্থাৰ প্ৰতি পূৰ্ণ সমৰ্থন আগবঢ়াই স্থায়ী ৰাজধানী দাবী কমিটিৰ তৰফৰপৰা কোৱা হৈছে যে কমিটিৰ প্ৰতিবেদনখন প্ৰকাশ কৰি বৰ্তমানৰ চৰকাৰে আগৰ চৰকাৰ কেইখনৰ লেতেৰা ৰাজনীতি আৰু ষড়যন্ত্ৰৰ বিপৰীতে নিষ্ঠা আৰু সাহসৰ পৰিচয় দাঙি ধৰিছে। কাৰণ ১৯৭২ চনতে শৰৎ সিংহ মন্ত্ৰীসভাই অসমৰ বাহিৰৰ লোকেৰে গঠিত 'কান্তো' কমিটিয়ে ১৯৭৬ চনত চৰকাৰৰ ওচৰত দাখিল কৰা প্ৰতিবেদনত শিলঘাটকেই উপযুক্ত স্থান বুলি নিৰ্ণয় কৰিছিল। কিন্তু কান্তো কমিটিৰ প্ৰতিবেদন কোনো দিনেই প্ৰকাশ কৰা নহ'ল। গতিকে বৰ্তমানৰ চৰকাৰে প্ৰতিবেদনখন প্ৰকাশ কৰা কাৰ্যক ৰাজনৈতিক উদ্দেশ্য প্ৰণোদিতভাৱে কৰা কাম বুলি অভিহিত কৰিব নোৱাৰি।

আন এচামে আকৌ ক'ব খোজে যে এবাৰ ৰাজধানীৰ স্থান ঘোষণা কৰাৰ লগতে ভাৰতৰ প্ৰধান মন্ত্ৰীয়ে আধাৰশিলা স্থাপন কৰাৰ পাছত আকৌ ৰাজধানীৰ স্থান নিৰ্ণয় কৰিবলৈ কমিটি গঠন কৰা কামটোৱেই জানো ৰাজনৈতিক সিদ্ধান্ত নহয়? অহা নিৰ্বাচনত যদি বেলেগ এখন চৰকাৰ ক্ষমতালৈ আহে আৰু সেই চৰকাৰে বৰ্তমানৰ সিদ্ধান্ত বাতিল কৰি যদি নতুন সিদ্ধান্ত লয়? তেন্তে অসমৰ স্থায়ী ৰাজধানীৰ স্থানৰ বিষয়টো ডলাৰ বগৰীৰ নিচিনা হৈয়েই থাকিব নে নেকি? ৰাজধানী নিৰ্মাণ কৰাটো এবছৰ-দুবছৰৰ কথা নহয়, অতি-কমেও বিছ-পঁচিছ বছৰৰ কথা। সময় যোৱাৰ লগে-লগে নিৰ্মাণৰ ব্যয়ো বাঢ়ি গৈ থাকিব।

ইফালে অসমৰ মুখ্যমন্ত্ৰীয়ে এই সম্পৰ্কে প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কয় যে স্থায়ী ৰাজধানীৰ স্থান নিৰ্ণয় কৰিবলৈ নিয়ম অনুসৰি গঠিত কমিটি এখনৰ প্ৰতিবেদন ৰাইজৰ দ্বাৰা নিৰ্বাচিত প্ৰতিনিধিসকলক অৱগত কৰোৱাৰ অৰ্থেহে বিধান সভাৰ মজিয়াত দাখিল কৰা হৈছে। প্ৰতিবেদনখন দাখিল কৰাৰ অৰ্থ চৰকাৰে ইয়াক গ্ৰহণ কৰাটো নুবুজায়। গতিকে এনে ধৰণৰ অযুক্তিকৰ কথাক লৈ ইমান হৈ-চৈ কৰাৰ কোনো যুক্তি থাকিব নোৱাৰে বুলি তেওঁ কয়। তেওঁ লগতে কয় যে আমাক যিদৰে এখন সুন্দৰ স্থায়ী ৰাজধানী আৰু একাধিক সুন্দৰ চহৰো লাগে। তেনে সুন্দৰ চহৰ গঢ়ি উঠিবলৈ একোটা অৱলম্বন লাগে। ৰাজধানী হ'ল তেনে এক অৱলম্বন। সেয়েহে এনে বিষয়ত সমগ্ৰ ৰাজ্যখনৰ জনসাধাৰণে চৰকাৰৰ প্ৰতি সহযোগিতা আগবঢ়োৱা উচিত বুলি তেওঁ ভাবে।

—**ইমৰান হুছেইন**

# ছমাহ ধৰি কোলাহলঃ বফৰ্ছ

কেইবামাহো ধৰি ভাৰত চৰকাৰে ছুইডেনৰ বফৰ্ছ নামৰ বন্দুক নিৰ্মাণকাৰী প্ৰতিষ্ঠানৰ পৰা ১৭০৫ কোটি টকা মূল্যত চাৰিশটা বফৰ্ছ বৰটোপ (১৫৫ এম. এম. ফিল্ডগান) কিনা আৰু তাৰ বাবে কমিশ্যন, দালালী নাইবা ভেঁটী লোৱাৰ অভিযোগৰ খবৰ ভাৰতীয় সংবাদ পত্ৰত বৰ বৰ শিৰোনামাৰে ওলায়েই আছে। ক্ষমতাৰ উচ্চশিখৰত থকা কিছুলোকে সেই কমিশ্যন গ্ৰহণ কৰি ছুইজাৰলেণ্ডৰ বেংকত ৰখা বুলি অভিযোগ প্ৰচাৰিত হৈছে। বফৰ্ছ কেলেংকাৰীয়ে দেশৰ ৰাজনৈতিক বাতাবৰণ ইমান উষ্মাপূৰ্ণ কৰি তুলিছে যে কিছুমান বিৰোধী পক্ষৰ নেতাই সংসদৰ ভিতৰে-বাহিৰে কিছুমান ক্ষমতাত অধিষ্ঠিত নেতা আৰু তেওঁলোকৰ একান্ত বিশ্বাসী বন্ধু-বান্ধৱক নাম ধৰিয়েই অভিযুক্ত কৰিছে।

বফৰ্ছ কেলেংকাৰীৰ বাদানুবাদ সম্প্ৰতি ৰাষ্ট্ৰীয় বিতৰ্কত পৰিণত হৈছে। সংসদৰ সদস্য কেইগৰাকীমানক লৈ এখন তদন্ত কমিটিও গঠন কৰি দিয়া হৈছে। কেইটামান বিৰোধীদলে সেই কমিটিত চামিল হবলৈ অস্বীকাৰ কৰিছে; কিন্তু কিছুসংখ্যক বিৰোধীদল কমিটিত অন্তৰ্ভুক্ত হৈছে। কমিটিয়ে ইতিমধ্যে বৈঠক বহুৱাই সাক্ষ্য-প্ৰমাণ সংগ্ৰহ কৰাৰ কামত অগ্ৰসৰ হৈছে। সহযোগ নকৰা বিৰোধী সদস্যসকলে এই কমিটিয়ে সত্য উদ্ঘাটনত সফলতা লাভ কৰা সম্পৰ্কত সন্দেহ প্ৰকাশ কৰিছে।

প্ৰধান মন্ত্ৰী হিচাপে ৰাজীৱ গান্ধীয়ে তেওঁৰ বিৰুদ্ধে উঠা অভিযোগ ৰাজহুৱাভাৱে অস্বীকাৰ কৰিছে। সংসদৰ মজিয়াতো তেওঁ আৰু তেওঁৰ পৰিয়াল বফৰ্ছ কমিশ্যনৰ লগত জড়িত নাই বুলি ঘোষণা কৰিছে। অমিতাভ বচ্চনে (এওঁ ৰাজীৱ গান্ধীৰ হাত মজবুত কৰিবলৈ আহিছিল) সংসদ সদস্যৰ পদকে ত্যাগ কৰিলে।

বফৰ্ছৰ অধ্যক্ষ মোৰবৰ্গে নোবেল উদ্যোগৰ মুখ্য আইন উপদেষ্টা লাৰ্ছ গোথলিনক লগত লৈ যোৱা ছেপ্তেম্বৰ মাহৰ মাজভাগত ভাৰত ভ্ৰমণ কৰে। তেওঁ ভাৰত চৰকাৰৰ লগত বফৰ্ছ কেলেংকাৰীৰ বিষয়ে আলোচনা কৰে। মোৰবৰ্গৰ ভ্ৰমণে বফৰ্ছৰ ৰহস্য আৰু ঘনীভূত কৰিলে। তেওঁ সংসদীয় তদন্ত কমিটিৰ আগতো সাক্ষ্য দিয়ে; কিন্তু ৰাজহুৱাভাৱে তেওঁ কমিশ্যন কোনে ল'লে সেই কথা সদৰি নকৰিলে। তেওঁ সকলো তথ্য ভাৰত চৰকাৰক দিয়া বুলি কৈ কথাটো এৰাই যোৱাৰ চেষ্টা কৰা দেখা গ'ল। মাথো তেওঁ ইয়াকে কলে যে তিনিখন বিদেশী ফাৰ্মক কমিশ্যন দিয়া হৈছে; কোনো ভাৰতীয় ফাৰ্মক দিয়া হোৱা নাই। নামকেইটা তেওঁ ভাৰত চৰকাৰক জনাইছে। এটা কথা তেওঁ স্পষ্ট ভাষাত কৈ থৈ গ'ল যে প্ৰধান মন্ত্ৰী ৰাজীৱ গান্ধী বা তেওঁৰ পৰিয়ালৰ কাকো বফৰ্ছে কমিশ্যন দিয়া নাই। প্ৰধান মন্ত্ৰীৰ নাম এনে প্ৰসংগত ওলোৱাটো দুৰ্ভাগ্যজনক। গতিকে তেনে ভ্ৰান্ত ধাৰণা দূৰ কৰাটো আমাৰ কৰ্তব্য বুলি আমি ভাবোঁ। এটা কোম্পানি হিচাপে ভেটী দিয়াৰ নীতি তেওঁলোকে গ্ৰহণ কৰা নাই। --এয়া মোৰ বৰ্গৰ বক্তব্য।

বফৰ্ছে নিৰ্দোষী বুলি অমিতাভ বচ্চনকো প্ৰমাণপত্ৰ এখন দি থৈছে। সেইখন অমিতাভে কাকতে-পত্ৰই প্ৰকাশ কৰি ভাবমূৰ্তি উজ্জ্বল কৰাৰ চেষ্টা কৰিছে।

বফৰ্ছ সংক্ৰান্ত লেনদেনৰ অন্য এটা দিশো আছে। পাকিস্তানে আণবিক বোমা তৈয়াৰ কৰা সম্পৰ্কীয় কথাবোৰ প্ৰকাশ হোৱাৰ পাছত উত্তৰ-পূব এছিয়াত শান্তি বিঘ্নিত হোৱাৰ ভয়াবহতা আৰু বৃদ্ধি পাইছে। পাকিস্তানে আমেৰিকাৰপৰা ব্যাপক পৰিমাণৰ আধুনিক অস্ত্ৰ-শস্ত্ৰ ক্ৰয় কৰিছে। আমেৰিকাত নিৰ্মিত ১৫৫ এম. এম. হাউৱিটজাৰেৰে পাকিস্তানে এটা বাহিনী গঠন কৰা বুলি খবৰ ওলাইছে। কিন্তু আচলতে পাকিস্তানৰ হাউৱিটজাৰ বাহিনী এটা আগৰপৰাই আছে। আমেৰিকাৰ শেহতীয়া হাউৱিটজাৰেৰে বাহিনীটো অধিক শক্তিশালীহে কৰা হৈছে। পাক অধিকৃত কাশ্মীৰৰ একাষেৰে পাকিস্তানে চীনৰ সহায়ত নিৰ্মাণ কৰা কাৰাকোৰম হাইৱে'টোৱে পাকিস্তানক আৰু বেছি সুবিধাজনক অৱস্থাত উপনীত কৰিছে। সৈনিক প্ৰযুক্তিবিদ্যাৰ অপূৰ্ব নিদৰ্শন কাৰাকোৰম হাইৱে'ৰে এতিয়া চিংকিয়াঙলৈ মটৰেৰে যাব পৰা হৈছে। পাকিস্তানৰ সমৰসজ্জাৰ বিপৰীতে ভাৰতে আত্মসন্তুষ্টিৰে বহি থাকিব নোৱাৰে। সেয়েহে ভাৰতে বফৰ্ছৰপৰা ১৫৫ এম. এম. হাউৱিটজাৰ কিনাৰ ব্যৱস্থা কৰিছিল। ইতিমধ্যে কিছু সংখ্যক কামান আহি ভাৰত পাইছেহি। বাকীবোৰো অহাৰ পথত। বফৰ্ছৰ লগত হোৱা চুক্তিৰ এটা গুৰুত্বপূৰ্ণ দিশ হ'ল "টেকনল'জি ট্ৰেনছফাৰ"; অৰ্থাৎ বফৰ্ছে কামান নিৰ্মাণৰ কাৰিকৰী জ্ঞান তেওঁলোকে ভাৰতক দি দিব আৰু আগলৈ ভাৰতীয় মানুহৰ হতুৱাই ভাৰততে এইবিধ অস্ত্ৰ প্ৰস্তুত কৰাব।

কিন্তু ইতিমধ্যে যদি ভাৰতে চুক্তি বাতিল কৰে, তেনেহলে বফৰ্ছৰ দৰে ইমান কাৰ্যক্ষম হাউৱিটজাৰ ভাৰতে নাপাবও পাৰে। ভাৰতৰ জলবায়ু আৰু প্ৰাকৃতিক অৱস্থাত বফৰ্ছ কামান অতি কাৰ্যকৰী। আমেৰিকাৰ বাহিৰে আন কোনো নিৰ্মাতাই প্ৰয়োজনীয় সংখ্যক এনে উন্নতমানৰ হাউৱিটজাৰৰ যোগান ধৰিব নোৱাৰে। তদুপৰি পাকিস্তানক দিয়াৰ পাছত আমেৰিকাই সেই একে অস্ত্ৰ ভাৰতকো দিব বুলি আশা কৰিব নোৱাৰি। ১৯৭৭ চনতে বফৰ্ছৰ লগত ভাৰতৰ চুক্তি হৈছিল আৰু ১৯৮৬ চনৰপৰা তেওঁলোকে উক্ত অস্ত্ৰৰ যোগান ধৰিবলৈ আৰম্ভ কৰে। এই চুক্তি বাতিল কৰিলে ভাৰতে সমৰসজ্জাৰ এটা দিশত আৰু দহ বছৰ পিছুৱাই যাব লাগিব। আনহাতে দামৰ উৰ্ধগতিৰ বাবে অধিক ব্যয় বহন কৰিব লগীয়া হ'ব। এইবোৰ কাৰণতে আৰু বৰ্তমানৰ পৰিস্থিতিলৈ চাই বফৰ্ছৰ ঠিকা বাতিল কৰাটো দেশৰ হিতৰ পৰিপন্থী কথা হ'ব বুলি যুক্তি প্ৰদৰ্শন কৰা হৈছে। পাকিস্তানৰ অত্যাধুনিক সমৰসজ্জা, সীমান্তত চীনৰ আগ্ৰাসী মনোভাব আৰু তিব্বতত দেখা দিয়া গণ-অভ্যুত্থানৰ পটভূমিত বফৰ্ছৰ লগত ভাৰতে কৰা চুক্তি বাতিল কৰা-নকৰাৰ প্ৰশ্নটো বিচাৰ কৰাৰ প্ৰয়োজন হৈছে। কিন্তু দেশৰ প্ৰতিৰক্ষাৰ নামত মাজতে এদলে প্ৰচুৰ পৰিমাণৰ অৰ্থ উপাৰ্জন কৰাৰ যুক্তিযুক্ততাও সমান গুৰুত্বৰে বিচাৰ কৰিবলগীয়া হৈছে।

—**গিৰিশ শৰ্মা**

OKDISCD

# —কুলদীপ নায়াৰ

## যেতিয়া টকাই সকলো কৰে

বফৰ্ছ কামানৰ লেনদেনত যে ঘোচ দিয়া হৈছিল সেইকথা এতিয়া আৰু কোনেও অস্বীকাৰ নকৰে। বফৰ্ছেও নকৰে, ভাৰত চৰকাৰেও নকৰে। ভাৰতীয় জনসাধাৰণে এতিয়া জানিব খোজা কথাটো হ'ল-- কিমান টকা দিয়া হৈছিল আৰু কাক দিয়া হৈছিল ?

এইটো ঠিক যে বফৰ্ছ কামানৰ সপক্ষে লোৱা সিদ্ধান্তটোক প্ৰভাৱান্বিত কৰাৰ ক্ষেত্ৰত ঘোচ লোৱা কোম্পানি কেইটাৰ নিশ্চয় হাত আছে। বফৰ্ছে টকা দিয়াৰ গুৰিতে নিশ্চয় কেতবোৰ বাণিজ্যিক প্ৰেস্নাৰ থাকিব লাগিব। অন্য ভাষাত ক'বলৈ গলে পইচাখিনি হয় সিদ্ধান্ত লোৱাৰ পৰ্যায়ত, নহয় পাছত দিয়া হৈছিল। ইয়াৰ ফলত উপকৃত হোৱা সকলৰ লেনদেনটোৰ সৈতে নিশ্চয় কিবা সম্পৰ্ক আছিল আৰু তেওঁলোকক নিশ্চয় নতুন দিল্লীয়ে নিয়োগ কৰিছিল। নহ'লে তেওঁলোকক টকা দিয়াত বফৰ্ছৰ কি স্বাৰ্থ থাকিব পাৰে ?

"গৰ্ভাৱস্থাৰ কথা প্ৰমাণিত হৈছেই,"— ভূতপূৰ্ব প্ৰতিৰক্ষা মন্ত্ৰী বিশ্বনাথ প্ৰতাপ সিঙে মোক ক'লে। "এতিয়া কেঁচুৱাটোনো কাৰ ফালৰ, সেইটোহে বিচাৰি উলিয়াব লাগিব। জানিবলগীয়া তাতোকৈ গুৰুত্বপূৰ্ণ কথাটো হ'ল— এক অবৈধ সম্পৰ্কৰে ঘটনাটো আৰম্ভ কৰা হ'ল কিয় ?"

কোম্পানি কেইটানো কি কি আৰু সেইবোৰৰ মালিকনো কোন সেইবোৰ জানিবলগীয়া কথা ; কিন্তু নামবিলাক জনাৰ ওপৰত গুৰুত্ব দিয়াটো গছে আঁৰ কৰাৰ কাৰণে হাবিখন দেখা নোপোৱাৰ নিচিনা কথা। গুৰুত্বপূৰ্ণ কথা হ'ল—ভাৰত চৰকাৰে কেইটামান কোম্পানিক ঘোচ দিবলৈ দিলে কিয় ? কিয় কেৱল তেওঁলোকেহে জৰীডাল টানিব পাৰে ? আনে নোৱাৰে কিয় ? এই সম্পৰ্কটোৰ কথা এবাৰ ব্যাখ্যা কৰি দিলেই তেওঁলোকক কিয় নিয়োগ কৰা হৈছিল সেইটো জানিবলৈ বেছি সময় নালাগে। লেনদেনটোক "একেবাৰে পৰিষ্কাৰ" বুলি কোৱা ৰাজীব গান্ধীৰ হাতখনো তেতিয়া আৰু ভালকৈ দেখা পোৱা যাব।

আৰম্ভণিতে ঘোচ হিচাপে ৫০ কোটি টকা দিয়া বুলি কোৱা হৈছিল ; কিন্তু নতুন দিল্লীলৈ অহা বফৰ্ছৰ দলটোৱে হেনো ক'লে যে প্ৰতিষ্ঠানটোৱে শতকৰা ১২ ভাগলৈকে কমিশ্যন হিচাপে দিছে। যিহেতু ভাৰতৰ সৈতে কামানৰ লেনদেনটো ১,৭০০ কোটি টকাৰ, গতিকে কমিশ্যন ২০৪ কোটি টকাও হ'ব পাৰে। বফৰ্ছৰ দলটোৱে হেনো কৈছে যে তিনিটা কোম্পানিক (তেওঁলোকৰ এটাও ভাৰতীয় নহয়) টকা দিয়া হৈছিল। আনহাতে ছুইডিছ ৰেডিঅ'ই (ঘোচ দিয়াৰ কথাটো প্ৰথমেই প্ৰকাশ কৰা বাবে তেওঁলোকক এদিন ৰাজহুৱাভাৱে সন্মান জনোৱা উচিত) এই সংখ্যাটো ১০ বুলি কৈছে। ইয়াৰ ফলত উদ্ভৱ হোৱা প্ৰশ্নবোৰ হ'ল,— বিদেশী কোম্পানিসমূহক কিয় টকা দিয়া হৈছিল আৰু ৰাজীবৰ চৰকাৰে এনেদৰে টকা দিয়াৰ বিৰুদ্ধে কিয় প্ৰতিবাদ কৰা নাই ?

ভাৰত চৰকাৰে অনুমোদন নজনোৱা কোনো তথ্য বফৰ্ছে প্ৰকাশ নকৰিব যেনেই লাগিছে। কামানৰ ফৰমাচটোৰ মূলতে আছে লাভৰ প্ৰশ্ন। বফৰ্ছৰ প্ৰধান পাৰ অ'ভ মৰবাৰ্গে নতুন দিল্লীত একাধিকবাৰ কৈছে যে ফৰমাচটো বাতিল কৰা নহ'ব। বফৰ্ছেনো তেওঁলোকৰ প্ৰতিষ্ঠানটোক চৰম বিপৰ্যয়ৰপৰা (দেউলীয়া হোৱাৰ পৰা) ৰক্ষা কৰা চৰকাৰখনৰ ভাবমূৰ্তি নষ্ট হ'ব পৰা তথ্যসমূহ কেনেকৈ প্ৰকাশ কৰে ?

ফৰমাচটো পোৱাৰ পাছত বফৰ্ছৰ আনন্দৰ কথা লণ্ডনৰ দি ইকনমিষ্ট নামৰ কাকতখনে এইদৰে প্ৰকাশ কৰিছে : ১৯৮৬ চনৰ ১ এপ্ৰিলৰ দিনা ৰাতিপুৱা চাহখোৱাৰ পৰত বফৰ্ছ অস্ত্ৰ কোম্পানিৰ তেতিয়াৰ প্ৰধান মাৰ্টিন আৰ্ডব'ৱে মধ্য ছুইডেনৰ "লেক-এণ্ড-ফৰেষ্ট লেণ্ড"ৰ তেওঁৰ বাসস্থানৰ ওপৰত ভাৰতৰ পতাকা উত্তোলন কৰিলে। স্থানীয় লোকসকল আনন্দত মতলীয়া হ'ল। বফৰ্ছ কামানৰ গৰ্জনেৰে মুখৰিত হৈ থকা কাৰ্লস্ক'গা নামৰ চহৰখন বাচি গ'ল। আৰ্ডব'ৱে সেইদিনা নিশা কোম্পানিটোৰ ৫,০০০ কৰ্মীক এটা ভোজো দিলে। বফৰ্ছ কামানৰ বাবে ভাৰতীয় সেনা-বাহিনীপৰা ১·৩ বিলিয়ন ডলাৰৰ এটা ফৰমাচ লাভ কৰি যে ছুইডেনৰ বাবে এতিয়ালৈকে আটাইতকৈ ডাঙৰ ঠিকাটো পোৱা হ'ল পতাকা উত্তোলনৰ দ্বাৰা তাকে সূচিত কৰা হ'ল।"

ৰুটি চকলাৰ কোন পিঠিত মাখন লগোৱা আছে বফৰ্ছে জানে। তেওঁলোকে ভাৰত চৰকাৰৰ বাবে অৰুচিকৰ কথা কৈ এই চৰকাৰখনক বিপাঙত নেপেলায়। আৰু সেয়েহে বোধহয় ছুইডিছ ৰেডিঅ'ৰ দৰে কোনোবাই মুখ খুলিব লগীয়া হ'ল বা স্বেনস্কা ডেগব্লেডেটৰ দৰে বাতৰি-কাকতসমূহে ভাৰতৰপৰা ফৰমাচটো পোৱাৰ ক্ষেত্ৰত বফৰ্ছে দিয়া কমিশ্যনে 'সিদ্ধান্তকাৰী" ভূমিকা পালন কৰিছিল বুলি প্ৰকাশ কৰিব লগীয়া হ'ল। নতুন দিল্লীৰ হেঁচাত পৰি বফৰ্ছে ভুল তথ্য দিয়াটোৱেই সম্ভৱ।

এইবোৰ কাৰণতে কামানৰ লেনদেন সম্পৰ্কত ঘোচ দিয়া বিষয়টোৰ তদন্ত কৰা যুটীয়া সংসদী সমিতিৰ কেইজনমান সদস্য সুখী নহয়। তেওঁলোকে তেওঁলোকৰ কামটো আনকি 't'টো কটা আৰু 'i'ৰ ফুটটো দিয়াতকৈও সাধাৰণ বুলি অনুভৱ কৰে। তেওঁলোকৰ মাজত বিতৰণ কৰা কাগজসমূহত মূলতঃ সকলোৱে জনা তথ্যৰে ঘটনাটোৰ পটভূমিহে দিয়া আছিল। আৰু বফৰ্ছৰ দলটোৱে প্ৰধানমন্ত্ৰীৰ বিশ্বাসৰ পাত্ৰ গোপী অৰোৰাকে ধৰি চৰকাৰৰ জ্যেষ্ঠ বিষয়াসকলে নঘণ্টা ধৰি দিহা-পৰামৰ্শ দিয়াৰ পাছতহে আয়োগৰ আগত দেখা দিছিল। (অৰোৰাই কেলেংকাৰীটোৱে দেশত তোলপাৰ লগোৱাৰ আৰম্ভণিপৰাই ৰাজীব গান্ধীক সুৰক্ষা দিয়া অভিযানৰ আঁচনি যুগুতাই আহিছে)।

আনকি বফৰ্ছৰ দলটো ছুইডেনলৈ উভতি যোৱাৰ পাছতো প্ৰতিৰক্ষা মন্ত্ৰণালয়ে পোৱা তথ্য-পাতিখিনি সমিতিক পোনে পোনে যোগান ধৰা নাছিল ; আৰু এই বুলিও জনা গৈছে যে সংগ্ৰহ কৰা আটাইবোৰ তথ্যও যোগান ধৰা হোৱা নাই। আনহাতে বফৰ্ছৰ দলটোৱে আঠজনমান সাংবাদিকৰ আগত দিয়া এটা বিবৃতিত কেইজনমান এজেণ্টক "লেনদেন সামৰাৰ বাবে ধন" দিয়া হৈছে বুলি কৈ এই ঘোচৰ বিষয়টোৰ ক্ষেত্ৰত এক নতুন অধ্যায়ৰ সূচনা কৰিলে।

চৰকাৰে যুটীয়া সংসদী সমিতিৰ অধ্যক্ষৰ পদটো বিৰোধী পক্ষক কিয় দিব নুখুজিলে তাৰ কাৰণটো এতিয়া অধিক স্পষ্ট হৈছে। এতিয়া সমিতিৰ নেতৃত্ব দিয়া বি· শংকৰানন্দ ই-কংগ্ৰেছৰ সদস্য। তেওঁ সাময়িকভাৱে মন্ত্ৰীপদ এৰি দিছে। তদন্ত সম্পূৰ্ণ হোৱাৰ পাছত তেওঁ মন্ত্ৰীসভাত পুনৰ যোগ দিয়াৰ আশা কৰে। গতিকে তথ্য উদ্ঘাটনৰ বাবে তেওঁ নিৰ্দিষ্ট পথৰপৰা আঁতৰি অহাটো কেনেকৈ আশা কৰিব পাৰি ? বিৰোধী দলসমূহে আঁতৰি থাকি ভালেই কৰিছে, কাৰণ এই তদন্তক এক চূণ·কাম কৰি পৰিষ্কাৰ কৰাৰ ব্যৱস্থাৰূপে গঢ়ি তুলিবলৈ চৰকাৰ দৃঢ় প্ৰতিজ্ঞ।

অত্যধিক আত্মবিশ্বাস বা পৰম আত্মতৃপ্তি যিয়েই নহওক, জ্যেষ্ঠ কংগ্ৰেছী আৰু মন্ত্ৰীৰপৰা ৰাজীব গান্ধীৰ বন্ধুৰ দললৈকে সকলোৰে মাজত এতিয়া কথা এটাই : ৰাজীব গান্ধী নিজৰ বিষয়ে আজি যিমান নিশ্চিত আগেয়ে ইমান নিশ্চিত কেতিয়াও নাছিল। এজনৰ কথা মতে, "প্ৰধান মন্ত্ৰীয়ে মাটিৰপৰা হুফুট ওপৰেদিহে খোজকাঢ়ে।" আৰু তেওঁ (শ্ৰীগান্ধীয়ে) ভাবে যে তেওঁ ধুমুহাজাক চম্ভালিলে।

কিন্তু আচল কথাটো হ'ল--- ৰাজীব গান্ধীৰ নামটো বোকাত লুতুৰি-পুতুৰি হৈ আছে। বফৰ্ছ কোম্পানিয়ে যি বুলিয়েই নকওক আৰু ফেয়াৰফেক্স সম্পৰ্কীয় থক্কৰ-নাটৰাজন আয়োগৰ ফলাফল যিয়েই নহওক, তেওঁৰ যে কিবা এটা লুকুৱাবলগীয়া আছে এনে এটা ধাৰণাৰ সৃষ্টি হৈছে। কোনো কোনোৱে কয় যে যদিহে এটা মধ্যবৰ্তীকালীন নিৰ্বাচন হয়, তেন্তে জনমত-সমীক্ষাসমূহে যিয়েই নকওক, তেওঁ সংখ্যাগৰিষ্ঠতা হেৰুৱাবই।

যোৱা সপ্তাহত দিল্লীত সমগ্ৰ দেশৰে প্ৰায় ৬০০ সক্ৰিয় ৰাজনৈতিক কৰ্মী সম্পূৰ্ণ ক্ৰান্তি নামৰ এক মঞ্চত গোট খাইছিল। তেওঁলোকৰ প্ৰায় সকলোৱে এটা কথাই ক'লে : "প্ৰধান মন্ত্ৰীৰপৰা তলৰ পিয়নলৈকে কেন্দ্ৰত থকা চৰকাৰখন দুৰ্নীতি পৰায়ণ হৈ পৰিছে" বুলি এতিয়া গাঁৱৰ লোকসকল পতিয়ন গৈছে। ৰাজীব গান্ধীয়ে তেওঁৰ হেৰোৱা সমৰ্থন পুনৰ উদ্ধাৰ কৰিবলৈ হ'লে "কিছুমান বিদেশী শক্তিয়ে ভাৰতক অস্থিৰ কৰি তুলিবলৈ চেষ্টা কৰি আছে।"--- জাতীয় বিবৃতি দিয়াৰ উপৰিও আৰু কিছু কাম কৰিব লাগিব।

কিন্তু বফৰ্ছ লেনদেনৰ আটাইতকৈ অশুভ কথাটো হ'ল— পশ্চিমীয়া শক্তিসমূহে (আমেৰিকাকো ধৰি) ৰাজীব চৰকাৰৰ ওপৰত প্ৰভাৱ খটুৱাব খোজাটো। বফৰ্ছে নিজৰ হাতত ৰখা তথ্যখিনি ভাৰত চৰকাৰৰ ওপৰত ডেমকলৰ তৰোৱালৰ নিচিনাকৈ ওলমি আছে। কেৱল কথাখিনি প্ৰকাশ কৰি দিয়াৰ ভাবুকি দিলেই ৰাজীব চৰকাৰ যিকোনো পৰ্যায়লৈকে ৰেহাই দিবলৈ বাধ্য হ'ব ; নহ'লে চৰকাৰখনেই টলং-ভটং অৱস্থাত পৰিব। বাস্তৱিকতে, বফৰ্ছে "নিকা" বুলি দিয়া "প্ৰমাণ পত্ৰ" এখনৰ ওপৰত ৰাজীব চৰকাৰে নিৰ্ভৰ কৰাটো দেখি দুখ লাগে।

আচলতে ৰাজীব চৰকাৰে কৰা প্ৰতিটো কামৰ ক্ষেত্ৰতে ঘোচ এক অপৰিহাৰ্য অংগ হৈ পৰিছে। বাণিজ্যিক কাম-কাজসমূহৰ প্ৰায় শতকৰা ৮০ ভাগেই ৰাজহুৱা খণ্ডসমূহত হয় ; আৰু ঘোচ দিয়াৰ বাৰ্ষিক পৰিমাণো প্ৰায় ৩৫০ কোটি টকা বুলি কোৱা হয়। প্ৰধান মন্ত্ৰীৰ সচিবালয়ৰ অনুমতি অবিহনে যে ১০ কোটি টকাৰ ওপৰৰ আমদানি আৰু ৰপ্তানিৰ কোনো লেনদেনৰ প্ৰতিয়েই অনুমোদন জনোৱা নহয়; সেইটো "সকলোৱে জনা গোপন কথা"। চৰকাৰে মূল্য নিৰ্ধাৰণ বা প্ৰযুক্তি কৌশলৰ আমদানিৰ ক্ষেত্ৰত ব্যক্তিগত খণ্ডৰ ওপৰতো নিয়ন্ত্ৰণ ৰাখিছে। গোৱাৰ চ'গলছে জাপানলৈ কেঁচা লোহা ৰপ্তানি কৰিব পাৰে, কিন্তু ইয়াৰ মূল্য নতুন দিল্লীয়েহে নিৰ্ধাৰণ কৰিব। বিৰলা কোম্পানিয়ে এটা সাৰ কাৰখানা স্থাপন কৰিব পাৰে, কিন্তু এই ক্ষেত্ৰতো বিদেশী প্ৰযুক্তি কৌশল আহৰণৰ যিকোনো প্ৰস্তাৱৰ প্ৰতি নতুন দিল্লীয়েহে অনুমোদন জনাব লাগিব। দুয়োটা ক্ষেত্ৰতে চৰকাৰত থকাসকল অথবা শাসনাধিষ্ঠ দলৰ "অংশ"ৰ কথাটো বিনা বিচাৰে স্বীকাৰ কৰি লোৱা হয়।

ভাৰতৰ প্ৰথম গৱৰ্ণৰ-জেনেৰেল চক্ৰৱৰ্তী ৰাজাগোপালাচাৰীয়ে অৱসৰ গ্ৰহণৰ পাছত যে পৰিকল্পনাভিত্তিক অৰ্থনীতিৰ বিৰুদ্ধে কৈছিল, তাত আচৰিত হ'ব লগীয়া নাই ; কাৰণ ই ক'টা (quota) আৰু পাৰমিটৰ (permit) জন্ম দিলে। যিহেতু আজিৰ পৰিবেশত শাসনাধিষ্ঠ দলক টকা ঘটাৰ সুযোগ দিব পৰাকৈহে অৰ্থনীতিৰ পৰিকল্পনা কৰা হয়, গতিকে পৰিকল্পনাৰ গোটেই ধাৰণাটোৱেই নিন্দাৰ যোগ্য।

জনসাধাৰণে বিশ্বাস কৰিবলৈ বাধ্য যে ৰাজনৈতিক বিবেচনাৰ বাবেই দোষীসকলক সুৰক্ষা দিয়া হয়। মন্ত্ৰীসকলৰ বিৰুদ্ধে সঘনে শুনা এটা অভিযোগ হ'ল,— দলৰ বাবে ধন সংগ্ৰহ কৰাৰ অৰ্থে অনুগ্ৰহ প্ৰদান কৰিবলৈ

৩৯ পৃষ্ঠাত চাওক





OKDISCD

# আঞ্চলিক ৰাজনীতি, ৰাষ্ট্ৰীয় ৰাজনৈতিক বিকল্প আৰু অসম

দিলীপ কুমাৰ মহন্ত

এই দশকত ভাৰতীয় জনসাধাৰণ ক্ৰমান্বয়ে আঞ্চলিক ৰাজনীতিৰ প্ৰতি আকৰ্ষিত হোৱা পৰিলক্ষিত হৈছে। দেশখনৰ ৩১ খন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ ভিতৰত লক্ষণীয়ভাৱে ১০ খন আজি ৰাষ্ট্ৰীয় দল বিৰোধী ৰাজনৈতিক দলৰ দখলত। এই আকৰ্ষণত জড়িতহৈ আছে ভাৰতবৰ্ষক সুদীৰ্ঘ প্ৰায় চাৰিটা দশক এটা ৰাজনৈতিক দলে শাসন কৰি জনসাধাৰণক বাঞ্চিত সুফল দিব নোৱৰাৰ বাবে বাঢ়ি অহা ক্ষোভ আৰু হতাশাৰ বিপৰীতে আঞ্চলিকতাবাদৰ পৰা পোৱা আশা, জাতিগত স্বকীয়তা ৰক্ষাৰ বাবে ৰক্ষণশীল মানসিকতাৰ প্ৰতি ৰাজনৈতিক ক্ষেত্ৰৰপৰা পোৱা সমৰ্থনত জাতিসমূহৰ বাঢ়ি অহা দুৰ্বলতা। এই দুৰ্বলতাই যে কেৱল ভাৰতীয়ৰ মাজতহে গা কৰি উঠিছে এনে নহয়, পশ্চিমীয়া দেশৰ 'ফেড়াৰেল' গাঁথনিও ইয়াৰেই পৰিণতি বুলিব পাৰি। একেৰাহে তিনিবাৰকৈ নিৰ্বাচিত হৈ বুৰঞ্জীত স্মৰণীয়ভাৱে ঠাই পাবলগা বৃটেইনৰ প্ৰধানমন্ত্ৰী ৰক্ষণশীল দলৰ মাৰগাৰেট থেচাৰৰ জয় লাভৰ গুৰিতে আছে ইংৰাজসকলৰ স্বকীয়তা ৰক্ষাৰ বাবে এই দলে গ্ৰহণ কৰা ৰাজনৈতিক সিদ্ধান্তসমূহৰ প্ৰভাৱ। প্ৰথম নিৰ্বাচনতে থেচাৰে প্ৰতিশ্ৰুতি দিছিল বাহিৰৰপৰা যোৱা আৰু অধিক লোকক বৃটেইনত নাগৰিকত্ব দিয়া নহ'ব। ভাৰতৰ জাতিগত সমস্যা বৃটেইনৰ দৰে নহয়। আমি ভাৰতীয় বুলি কওঁ আৰু গৌৰৱ কৰোঁ ঠিকেই; কিন্তু ভাৰতীয় বুলি এটা জাতি নাই, এটা ভাষা নাই; ই বহু জাতি-উপজাতি, ভাষা-উপভাষাৰ সমষ্টিহে। ভাৰতৰ ৰাজ্যসমূহ ভাষাৰ ভিত্তিত গঠিত হোৱাৰ বাবে একোখন ৰাজ্যত এটা ভাষাৰ লোকৰ বা এটা জাতিৰ প্ৰাধান্য থাকে। এই সীমিত পৰিসৰৰ জনসাধাৰণে যেতিয়া উপলব্ধি কৰে যে তেওঁলোক সন্মুখীন হোৱা সমস্যাসমূহ সমাধানৰ ৰাজনৈতিক দিশত সৰ্বভাৰতীয় শাসক দলৰ আগ্ৰহ নাই আৰু সমৰ্থনৰ বাবে বিকল্প সৰ্বভাৰতীয় দলো নাই তেতিয়াই জনসাধাৰণৰ মন আঞ্চলিক ৰাজনীতিৰ প্ৰতি ঢাল খায়; ইয়াৰ সহায়তেই উদ্ধাৰৰ পথ বিচাৰে। আকৌ, সৰ্বভাৰতীয় এটা দলেই প্ৰায় চাৰিটা দশক ৰাজত্ব কৰাৰ ফলত ত্যাগীলোকৰ সংখ্যা কমি ই এক সুবিধাভোগী ব্যক্তিৰ সমষ্টিলৈ পৰিণত হোৱাত জনতাৰ উপলব্ধিৰ লগত শাসকৰ সংযোগ বিচ্ছিন্ন হ'ল। তদুপৰি জনমত বিৰোধী কাৰ্যব্যৱস্থা গ্ৰহণেও ভাৰতত আঞ্চলিক ৰাজনীতি গঢ়ি উঠাত ইন্ধন যোগাইছে।

ভাৰতবৰ্ষৰ দৰে কৃষক-প্ৰধান দেশখনৰ ৰাজনীতিৰ শীৰ্ষস্থানত থকাসকল যেতিয়া দুৰ্নীতিত লিপ্ত হয়; বিদেশী বেংকত ধন, বিদেশত ঘৰ আদিৰ কোলাহলে যেতিয়া 'কান্ধত নাঙল লোৱা সকলকো আমনি কৰে, তেতিয়া তেওঁলোকে এক বিকল্প বিচাৰে, আৰু হাৰিয়ানাত কৰাৰ দৰে জনশক্তিয়ে বিকল্প দলক শাসনত বহুৱায়। আজি সমগ্ৰ ভাৰতবৰ্ষতেই শাসক দল ই-কংগ্ৰেছৰ প্ৰতি জনসাধাৰণৰ মোহভংগ ঘটিছে। বিৰোধী দলসমূহেও এক শক্তিশালী মঞ্চ গঢ়ি বিকল্প হিচাপে থিয় দিব নোৱৰাত তেওঁলোকো অনাস্থাৰ পাত্ৰ হৈছে। ফলত পথ বিচাৰি নাপায় ভাৰতবৰ্ষৰ জনসাধাৰণে আজি হতাশাত ভুগিছে; ৰাজনৈতিক ক্ষমতাৰে কৰা ভ্ৰষ্টাচাৰকেই ক্ষোভেৰে সহ্য কৰি— এনেকৈয়ে চলি যাব লাগিব, কি কৰিবা? —বুলি এক নীচাত্মিকা মনোভাৱত ভুগিছে। অসমৰ জনসাধাৰণো ইয়াৰ ব্যতিক্ৰম নহয়। আঞ্চলিক দলৰ ক্ষমতা, সম্পদ আৰু সীমাবদ্ধতাৰ কথা মনত ৰাখি, ৰাজ্যখনৰ স্বাৰ্থত ব্যাঘাত নপৰাকৈ এক ৰাষ্ট্ৰীয় বিকল্পৰ সন্ধানত অসমে আদৰ্শণীয় কিবা অৰিহণা যোগাব পাৰিবনে? তাকে বিশ্লেষণ কৰি চোৱাই আমাৰ উদ্দেশ্য।


**অসমৰ জনসাধাৰণৰ মনোভাব :** বৰ্তমান সময়ত ৰাষ্ট্ৰীয় ৰাজনীতিত অসমৰ আঞ্চলিক দলটোৱে সক্ৰিয় ভূমিকা লোৱাটো বা ৰাষ্ট্ৰীয় ৰাজনীতিত উটি-ভাহি যোৱাটো এই দলৰ সমৰ্থক ৰাইজে নিবিচাৰে। "তোমালোকে অসমৰ সমস্যাবোৰ ভালকৈ চম্ভালি লোৱা; পিছে-পৰে কি কৰা কৰিবা"—জনসাধাৰণ এনে এক মনোভাৱত আছে বুলিহে আমাৰ ধাৰণা। সেয়ে হ'লেও ভাৰতীয় ৰাজনীতিৰ গতিধাৰাৰ পৰা অসম ব্যতিক্ৰম হৈ ৰ'ব নোৱাৰে। কেন্দ্ৰীয় চৰকাৰৰ প্ৰভাৱ, কচৰত যেতিয়া জনসাধাৰণৰ ওপৰত চলি থকাটো নিশ্চিত, তেনে অৱস্থাত মিত্ৰৰ ভূমিকাও নিশ্চয় ৰাজ্যখনৰ বাবে সহায়ক নহ'ব। হঠাৎ মধ্যকালীন নিৰ্বাচন নহ'লে ১৯৮৯-৯০ চনত ভাৰতত লোকসভাৰ নিৰ্বাচন অনুষ্ঠিত হ'ব। বিৰোধী দলৰ নেতা-কৰ্মীৰ মাজত এটা বিকল্প ৰাষ্ট্ৰীয় দল গঠনৰ কথা-বতৰা চলিছে; নেতাসকল একাধিকবাৰ সমবেত হৈছে; বা বিভিন্ন ৰাজ্যলৈ তেওঁলোকে সঘনাই তাঁতবাটি কাঢ়িছে। অসমো ইয়াৰ পৰা আঁতৰি থকা নাই। এই তৎপৰতা পূৰ্বৰ দৰে নিৰ্বাচনৰ টিকট দিয়াৰ আগমুহূৰ্তলৈ কেহে থাকিবনে কি? যদি থাকে তেনেহ'লে উত্তৰ এটাই ওলাব— শূন্য অসমে ভাৰতীয় হৈ বহু হেৰুৱালে, আংশিকভাৱে ভাষা পৰ্যন্ত। সেয়ে এতিয়াৰ নেতৃত্বই সুচতুৰভাৱে খোজ দিয়া উচিত। সীমা সমস্যা, জনজাতীয় আন্দোলন, বিদেশী-সমস্যা, বানপানী, মহামাৰীৰ মাজতো যিদৰে কেন্দ্ৰৰ সাহায্য পোৱাটো অসমৰ বাবে অপৰিহাৰ্য, সেইদৰে কেন্দ্ৰীয় চৰকাৰটোত অসমৰ স্বাৰ্থ ৰক্ষা কৰাটোও অপৰিহাৰ্য। সেয়ে এই আলোচনা।

**ৰাষ্ট্ৰীয় আৰু আঞ্চলিক দল :** ৰাষ্ট্ৰীয় পৰ্যায়ত সৰ্বভাৰতীয় ৰাজনৈতিক দলসমূহৰ ব্যৰ্থতাৰ বাবেই ভাৰতবৰ্ষত আঞ্চলিক ৰাজনীতিৰ গতিধাৰাৰ সৃষ্টি হৈছে। সেয়ে দলসমূহক সৰ্বভাৰতীয় আৰু আঞ্চলিক বা ৰাজ্যিক এই দুই ভাগত বিভক্ত কৰিব পাৰি। ৰাষ্ট্ৰীয় দলৰ কাম-কাজ ভাৰত ব্যাপী বিস্তৃত হোৱাৰ বিপৰীতে আঞ্চলিক দলৰ কাম-কাজ বা আদৰ্শ অঞ্চল বা ৰাজ্য ভেদে ভিন্ন হোৱা দেখা যায়। অসমৰ আঞ্চলিক দলৰ উদ্দেশ্য অন্ধ্ৰৰ আঞ্চলিক দলৰ সৈতে একে নহয়। এই দল সমূহৰ স্থানীয় সমস্যাসমূহক লৈ, স্থানীয় নেতাৰ প্ৰভাৱতেই জন্ম হয়। আঞ্চলিক দল কেতিয়াবা সাম্প্ৰদায়িক, ধৰ্মীয় বা ভাষা-গোষ্ঠীয় হ'ব পাৰে। সেয়ে আঞ্চলিক ৰাজনীতি কৰা সকলৰ সীমাবদ্ধতা থাকে, আৰু ৰাষ্ট্ৰীয় বিকল্পলৈ আগবাঢ়োঁতে নিজৰ স্থিতি হেৰুউৱাৰ সম্ভাৱনা থাকে।

একোটা আঞ্চলিক দল ৰাষ্ট্ৰীয় পৰ্যায়ৰ দললৈ ৰূপান্তৰিত হোৱাটো উজু নহয়; কিয়নো, ভাৰতীয় নিৰ্বাচনী আইনমতে— "ৰাষ্ট্ৰীয় দল হিচাপে স্বীকৃতি পাবলৈ কোনো এটা ৰাজনৈতিক দলৰ কমেও চাৰিখন ৰাজ্যত সংগঠন থাকিব লাগিব আৰু এটা নিৰ্বাচনত মুঠ ভোটাৰৰ ন্যূনতম ৪ শতাংশ ভোট পাব লাগিব। সংগঠন থকা ৰাজ্য চাৰিখনতকৈ কম হ'লেই ইয়াক ৰাজ্যিক বা আঞ্চলিক দল বুলি গণ্য কৰা হয়।" ভাৰতৰ যি কেইখন ৰাজ্য আঞ্চলিক দলৰ দখলত আছে তাৰ কোনো এটা দলেই নিজৰ সংগঠনৰ প্ৰসাৰ ঘটাই ৰাষ্ট্ৰীয় দললৈ ৰূপান্তৰিত হোৱাৰ সম্ভাৱনা এই কাৰণেই নাই যে প্ৰতিটো দলৰেই সংগঠিত হোৱাৰ উদ্দেশ্য পৃথক পৃথক। সেয়ে এনেদৰে এক বিকল্প ৰাষ্ট্ৰীয় দলৰ সৃষ্টি হ'ব নোৱাৰে।

**অপ্ৰয়োজনীয় সংখ্যক দল :** ভাৰতীয় সংবিধানত ৰাজনৈতিক দল সৃষ্টিকৰা বা ইয়াৰ কাম-কাজৰ ধৰণ-কৰণ সম্পৰ্কে আইনসংগত কোনো বাধ্য-বাধকতা নাই। বিশাল দেশখনত থকা শতাধিক ৰাজনৈতিক দলৰ কেইটামানৰহে স্থিতি আছে বুলিব পাৰি। বাকীবোৰ কেৱল স্থানীয় নেতাৰ সৃষ্টি বা এজনক অপসাৰিত কৰিবৰ বাবেই জন্ম লাভ কৰা দল— যাৰ সুদূৰপ্ৰসাৰী কোনো প্ৰভাৱ নাই। আনকি ইয়াৰে বহু দলে কেৱল নিৰ্বাচনৰ সময়তহে গা-টঙাই উঠা দেখা যায়; বাকী সময়খিনি এই দলবোৰ বনবাসত থকাৰ নিচিনাকৈয়ে থাকে। নিৰ্বাচনত প্ৰাৰ্থীৰ সংখ্যা বঢ়াবলৈকে দল বা নেতাবোৰ জীয়াই থাকে। একাধিকবাৰ পৰাজিত হ'লেও, জনসাধাৰণে মুঠেও গ্ৰহণ নকৰিলেও, তেওঁলোক অদৃশ্য হৈ নাযায়; জনসাধাৰণক বিপাঙত পেলাবলৈকেহে যেন জীয়াই থাকে। ৰাজনৈতিক দলৰ সংখ্যা কমাই এক ৰাষ্ট্ৰীয় বিকল্পৰ সৃষ্টি কৰাৰ আইন ভাৰতীয় সংবিধানত নাই।


**ৰাষ্ট্ৰীয় বিকল্পত বিৰোধী জোট :** ভাৰতে স্বাধীনতা পোৱাৰ সময়ত মাত্ৰ দুটা ৰাজনৈতিক দলহে আছিল, ভাৰতীয় জাতীয় কংগ্ৰেছ আৰু ভাৰতীয় কমিউনিষ্ট পাৰ্টি। কিন্তু স্বাধীনতা পোৱাৰ লগে-লগে বহুতো নতুন নতুন দলৰ সৃষ্টি হ'ল আৰু প্ৰথমটো নিৰ্বাচনতে (১৯৫১ ডিছেম্বৰ— '৫২ জানুৱাৰী) মুঠতে ৭৭ টা দলে অংশ গ্ৰহণ কৰে।



মানচিত্ৰ-১

OKDISCD

১৯৬৪ চনত কমিউনিষ্ট দলটো দুটা ভাগত বিভক্ত হৈ পৰে। সোঁপন্থীটো পূৰ্বৰ ভাৰতীয় কমিউনিষ্ট পাৰ্টি হৈয়েই ৰয় আৰু বাঁওপন্থীটোৱে এটা নতুন দলৰ জন্ম দিয়ে—ভাৰতীয় কমিউনিষ্ট পাৰ্টি (মাৰ্ক্সীয়)। ১৯৬৯ চনত ভাৰতীয় জাতীয় কংগ্ৰেছত গুৰুত্বপূৰ্ণ বিভাজন ঘটে, আৰু তেতিয়াৰ প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধী আৰু কংগ্ৰেছ সভাপতি নিজলিংগাপ্পাৰ নেতৃত্বত দলটো দুই শিবিৰত বিভক্ত হৈ পৰে। ১৯৭১ চনৰ নিৰ্বাচনত গান্ধীৰ নেতৃত্বৰ কংগ্ৰেছে লোকসভাৰ ৩৫০ খন আসন লাভ কৰি বিপুল সংখ্যাগৰিষ্ঠতা পোৱাৰ বিপৰীতে নিজলিংগাপাই মাত্ৰ ১৬ খন আসনহে পায়। প্ৰথম নিৰ্বাচনৰ পৰাই বিৰোধী দলবোৰে বিভক্ত হৈ এনে এক বিফলতাৰ ছবি প্ৰতিফলিত কৰিছিল যাৰ বাবে সংসদত অতি নগণ্য সংখ্যক আসনহে পাইছিল আৰু ১৯৭০ চনলৈকে কোনেও সংবিধান প্ৰদত্ত বিৰোধী দলৰ নেতা হিচাপে স্বীকৃতি পোৱা নাছিল। ১৯৭০ চনত বিৰোধী কংগ্ৰেছৰ নেতা ডঃ ৰামসুভগ সিং স্বাধীন ভাৰতৰ প্ৰথম স্বীকৃতিপ্ৰাপ্ত বিৰোধী নেতা হৈছিল। ১৯৭৪ চনৰ আগষ্ট মাহত দিল্লীত হোৱা "ভাৰতীয় লোকদল"ৰ সৃষ্টিয়ে দেশখনৰ দলীয় ৰাজনীতিত লক্ষণীয় পৰিবৰ্তন ঘটায়। এই নতুন দলটো সাতটা ৰাজনৈতিক দলৰ চামিলকৰণেৰে গঠিত হৈছিল: ভাৰতীয় ক্ৰান্তি দল, স্বতন্ত্ৰ, সংযুক্ত ছছিয়েলিষ্ট পাৰ্টি, উৎকল কংগ্ৰেছ, কিষাণ মজদুৰ পাৰ্টি, ৰাষ্ট্ৰীয় লোকতান্ত্ৰিক দল, আৰু পাঞ্জাব খেতিবাৰ জমিনদাৰ সভা। ভাৰতবৰ্ষত ১৯৭৭ চনত হোৱা ৰাজনৈতিক পৰিবৰ্তনৰ কথা আজিও দেশবাসীৰ স্পষ্টকৈ মনত আছে; অসমৰ আজিৰ চাম ৰাজনীতিক বা যুবক ইয়াৰ ভুক্তভোগী। লোকনায়ক জয়প্ৰকাশ নাৰায়ণৰ প্ৰেৰণাত জনসংঘ, ছছিয়েলিষ্ট দল, বিৰোধী কংগ্ৰেছ, ভাৰতীয় লোকদল, আৰু কংগ্ৰেছ ফ'ৰ ডেমক্ৰেছি দল চামিল হোৱাৰ ফলত



মানচিত্ৰ-২


১৯৭৭ চনৰ মে' মাহত "জনতা দল"ৰ জন্ম হয় আৰু এই দলে ইন্দিৰা গান্ধীৰ নেতৃত্বৰ কংগ্ৰেছৰ বিকল্প হিচাপে থিয় দিয়ে। ভাৰতৰ ৮০% লোক অশিক্ষিত হলেও জনসাধাৰণে পৰিবৰ্তন বিচাৰিয়েই আছিল। সেয়ে তেওঁলোকে কংগ্ৰেছৰ বিকল্প হিচাপে থিয় দিয়া জনতা দলক একক সংখ্যাগৰিষ্ঠতাৰে শাসনত বহুৱাইছিল। ১৯৭৭ চনৰ ২৪ মাৰ্চত মোৰাৰজী দেশাই প্ৰধানমন্ত্ৰী হোৱাৰ পৰা ১৯৭৯ চনৰ ২০ আগষ্টত চৰণ সিং মন্ত্ৰী সভাৰ পতনলৈকে এই সময়ছোৱাত জনতা দলৰ অন্তৰ্দ্বন্দ্ব, ক্ষমতাৰ টনা-আজোঁৰা, দল বাগৰাৰ কদৰ্য ৰাজনীতিয়ে ভাৰতীয় জনসাধাৰণক হতাশ কৰিলে। বিকল্পৰ নামত একাধিক ৰাজনৈতিক দলে লগ লাগি সঞ্চাৰ কৰা আশা ধূলিস্যাৎ হ'ল আৰু এনে জোটৰ প্ৰতি জনসাধাৰণৰ বিশ্বাস নোহোৱা হ'ল। বিৰোধী দলৰ ঐক্যৰ নামত জনসাধাৰণক কৰা প্ৰতাৰণাৰ হোৰ তুলিবলৈয়ে বা ক্ষমতাৰ অন্তৰ্দ্বন্দ্বৰে নিজৰ পতন ঘটোৱাসকলক শিক্ষা দিবলৈকে ১৯৮০ৰ জানুৱাৰীত হোৱা সপ্তম লোক সভাৰ নিৰ্বাচনত জনসাধাৰণে পুনৰ ইন্দিৰা গান্ধীৰ কংগ্ৰেছকে দুইতৃতীয়াংশ সংখ্যাগৰিষ্ঠতাৰে ক্ষমতাত বহুৱালে। ১৯৮৪ চনৰ ২৪, ২৭ আৰু ২৮ ডিছেম্বৰত অনুষ্ঠিত হোৱা অষ্টম লোকসভা নিৰ্বাচনতো সৰ্বভাৰতীয় পৰ্যায়ত কোনো দলেই কংগ্ৰেছৰ বিপক্ষে ৰাষ্ট্ৰীয় বিকল্প হিচাপে থিয় দিব নোৱাৰিলে। ইয়াৰ পাছৰ পৰিবৰ্তনসমূহ সকলোৰে জ্ঞাত।

ভাৰতবৰ্ষৰ ৰাজ্যসমূহক মোটামুটিভাৱে ৰাজনৈতিক ব্যাখ্যাৰে চাৰিটা ভাগত ভাগ কৰা হৈছে (মানচিত্ৰ ২) যদিও এই বিভাজনে জনসাধাৰণৰ ৰাজনৈতিক গতিধাৰাৰ সম্যক ধাৰণা নিদিয়ে। এই বিভাজিত অঞ্চলৰ জনসাধাৰণৰ মাজত কোনো ভাষিক বা সামাজিক সমতা দেখা নাযায়। উদাহৰণ স্বৰূপে পূব ভাৰতৰ জনসাধাৰণে



—'এইদিশত' ৰাজনৈতিক পৰিবৰ্তন বিচাৰিছে বুলি ক'ব পৰা নাযায়, কিয়নো ইয়াৰ প্ৰতিখন ৰাজ্যৰ জনসাধাৰণৰ ৰাজনৈতিক সিদ্ধান্ত গ্ৰহণ কৰাৰ কাৰণবোৰ পৃথক পৃথক। সেয়ে এই বিভাজনক জনসাধাৰণৰ ৰাজনৈতিক চিন্তাধাৰাৰ প্ৰতিফলক বোলাৰ বিপৰীতে চতুৰ ৰাজনীতিকে গতিধাৰা অস্পষ্ট কৰি ৰাখিবলৈ কৰা বিভাজন বুলিহে গণ্য কৰিব পাৰি। অথবা প্ৰাকৃতিক দিশ অনুযায়ী কৰা বিভাজন বুলিয়েই সহজ অৰ্থত ল'ব লাগিব। কিন্তু এই বিভাজনত সংসদীয় আসনৰ সংখ্যা এনে সুন্দৰভাৱে সমতা ৰক্ষা কৰি কৰা হৈছে যে কোনো ৰাজ্যই অধিক সংসদীয় আসনৰ দাবী তুলিলে সহজে আঙুলিয়াই দিব পাৰি,—"ৰাজনৈতিক বিভাজনত এই আসনৰ সংখ্যাটো সমানেই আছে"। ভিন্নতাই এই বিভাজন চাৰিটাৰ জনসাধাৰণক এনে দৰে বিচ্ছিন্ন বা খেলিমেলি কৰি ৰাখিছে যে বিশেষ দুই অঞ্চলৰ জনসাধাৰণে একতাৰে থিয় দি বা একক সিদ্ধান্তৰে কোনো ৰাজনৈতিক বিকল্পৰ সৃষ্টি কৰিব নোৱাৰে।

ভাৰতীয় ৰাজনীতিৰ বিশাল দেশখনৰ উক্ত ৰাজনৈতিক বিভাজনত সাধাৰণতে চকুত নপৰাকৈ ৰখা এখন ছবি আজি বাকী অংশৰ জনসাধাৰণৰ মাজত ক্ৰমান্বয়ে অধিক স্পষ্ট হৈ আহিছে। সেয়া হ'ল ভাৰতীয় ৰাজনীতিত 'হিন্দীভাষী' অঞ্চলে দেখুৱাই অহা প্ৰাধান্য (মানচিত্ৰ ৩)। ভাৰতীয় ৰাজনীতি পূৰামাত্ৰাই এই হিন্দীভাষী ৰাজ্যকেইখনৰ নিয়ন্ত্ৰণাধীন হৈ আহিছে। মধ্য প্ৰদেশ, উত্তৰ প্ৰদেশ, বিহাৰ, হাৰিয়ানা —এই কেইখন ৰাজ্যৰ জনসাধাৰণৰ মাজত ভাষিক, সামাজিক জন্মগত বিনিময় আছে, বা ভাষিক আবেগ জড়িত ঐক্য আছে; আৰু এই বাবেই ইয়াৰ জনসাধাৰণৰ ৰাজনৈতিক গতিধাৰাৰ মিল আছে। আনহাতে সংসদীয় আসনৰ সিংহভাগ



মানচিত্ৰ-৩

(১৮৯ খন) হিন্দীভাষী সকলৰ বাবে থকাৰ বাবে এওঁলোকৰ নেতৃত্ব বাকী অংশৰ জনসাধাৰণৰ ওপৰত সাব্যস্ত কৰি অহাটো স্বাভাৱিক ঘটনা হৈয়ে আহিছে। ভাৰতবৰ্ষত যি ৰাজনৈতিক পৰিবৰ্তনেই নহওক কিয়,—পৃথক ভাষাভাষী বাকী ৰাজ্যৰ জনসাধাৰণ এওঁলোকৰ ওচৰত সদায় দয়াৰ পাত্ৰ হৈয়ে আহিছে। অহিন্দীভাষী ৰাজ্যসমূহতহে দ্ৰুত গতিত আঞ্চলিক বা ৰাজ্যিক দলে গা কৰি উঠিছে; কিন্তু এই ৰাজ্যসমূহে গাইগুটীয়াকৈ সংসদীয় আসনৰ সংখ্যা কম হোৱা বাবে ৰাষ্ট্ৰীয় বিকল্পৰ সৃষ্টি কৰিব নোৱাৰে। তদুপৰি ভিন্নতাৰ বাবে এওঁলোক দৃঢ়তাৰে ঐক্যমতত উপনীত হোৱাও পৰিলক্ষিত হোৱা নাই। সেয়ে ৰাজ্যসমূহে অধিক ক্ষমতাৰ বাবে দাবী তুলিছে; অৰ্থাৎ পৰোক্ষভাৱে হিন্দীভাষী ৰাজনীতিকৰ পৰা আন আন ভাষাৰ ৰাজনীতিকে ক্ষমতা বিচাৰিছে। এই ঘটনাই ভাৰতবৰ্ষক ক্ৰমে ফেডাৰেল গাঁথনিৰ ফালে লৈ গৈ আছে। পূৰ্বৰে পৰা ভাৰতবৰ্ষক নেতৃত্ব দি অহা হিন্দীভাষী অঞ্চলৰ ৰাজনৈতিক নেতাৰ নেতৃত্ব লাভৰ প্ৰক্ৰিয়াত বহু ক্ষেত্ৰত গুণগত মানদণ্ডতকৈ সংখ্যাৰ দিশেহে গুৰুত্ব লাভ কৰি আহিছে। ফলত বৰ্তমানৰ ৰাজনৈতিক নেতাসকল ঠেক মনোবৃত্তিৰ 'ৰাজনৈতিক বণিয়া' পৰ্যায়লৈ অৱনমিত হোৱা দেখিবলৈ পোৱা গৈছে। উদাহৰণ স্বৰূপে, বেছি পাছলৈ নগৈ, এইবাৰৰ অসমৰ বান পানীৰ কথাকে ক'ব পাৰি। ৰাজনৈতিক লাভালাভৰ তুলাচালনীত অসম সহায়ক নোহোৱাৰ বাবেই বানপানীৰ গৰাহত পৰা সকলক সহায় কৰাৰ মানৱীয় নৈতিক দায়িত্ব পালন কৰাত কেন্দ্ৰীয় চৰকাৰ নামৰ এই হিন্দীভাষী অঞ্চলৰ ৰাজনৈতিক নেতাই অক্ষমনীয় কাৰছাজি কৰিছে; কিন্তু ইয়াৰ বিপৰীতে খৰাং বতৰৰ বাবে পীড়িত হোৱা হিন্দীভাষী অঞ্চলৰ ভোট অটুট ৰাখিবৰ বাবে দেশৰ সামৰিক বাজেট কৰ্তন কৰি, কৰ কাটল বহুৱাই অৰ্থ সংগ্ৰহ



OKDISCD

কৰা হৈছে। দুয়ো অঞ্চলতে সাহায্য আগবঢ়োৱাটো মানৱীয় দায়িত্ব। তাত

লাভ-লোকচানৰ হিচাপ কৰাটো বণিয়া মনোবৃত্তিৰহে পৰিচায়ক। ৰাজনৈতিক নেতাৰ গুণগত মান অৱনমিত হ'লেও হিন্দীভাষীৰ নেতৃত্ব চলিয়ে থাকিব।

পৃথক ৰাজ্যৰ দাবী এই হিন্দীভাষী ৰাজ্যতো আছে, কিন্তু ইয়াৰ নেতাই দূৰদৰ্শিতাৰে সমগ্ৰ ভাৰতত তেওঁলোকৰ প্ৰভাৱ ক্ষুণ্ণ নকৰাকৈ ৰাখিবৰ বাবে পৃথক ৰাজ্যৰ দাবী বাস্তৱায়িত কৰা নাই। কিন্তু আন ৰাজ্যসমূহ যিমানেই খণ্ড-বিখণ্ড হ'ব, সিমানেই সেই ৰাজ্যসমূহ তেওঁলোকৰ কাষত দয়াৰ পাত্ৰ হৈ পৰিব। সেয়ে আন ৰাজ্যসমূহক খণ্ডিত কৰিবলৈ তেওঁলোকে কুণ্ঠাবোধ নকৰে। উদাহৰণস্বৰূপে পূৰ্বৰ বৰ-অসম আৰু আজিৰ অসমৰ কথাকে ক'ব পাৰি। বৰ-অসমখনৰ সংসদীয় আসনৰ সংখ্যা আছিল ২২ খন; এতিয়া হ'ল ১৪খন। ফলত পৰোক্ষভাৱে আটাইকেইখন ৰাজ্যৰে শক্তি টুটিল; হিন্দীভাষীয়ে আটাইকে দয়াৰ পাত্ৰ কৰাত সুবিধা হ'ল।

বৰ্তমানৰ গাঁথনিত বা বৰ্তিথকা পাৰ্থক্যবোৰৰ বাবে অহিন্দীভাষী বাকী ৰাজ্যসমূহে একত্ৰিত হৈ সৰ্বভাৰতীয় পৰ্যায়ৰ এক ৰাজনৈতিক বিকল্পৰ সৃষ্টি কৰাটোও বাস্তৱ কথা নহয়। সেয়ে হিন্দীভাষী ৰাজ্যৰ নেতাক লগত লৈয়ে পাৰিলে তেওঁলোকক শিখণ্ডি হিচাপে ব্যৱহাৰ কৰি এক ৰাষ্ট্ৰীয় বিকল্পৰ আশা কৰিব লাগিব। এই অঞ্চলৰ নেতাকলৈয়ে এক বিকল্পৰ সৃষ্টি কৰাৰ চিন্তা চৰ্চ্চাই বৰ্তমান গতি লাভ কৰিছে। হাৰিয়ানাৰ হৈ যোৱা নিৰ্বাচনে এই গতি বৃদ্ধি কৰিছে আৰু এই ক্ষেত্ৰত আশাৰ সঞ্চাৰ কৰিছে।

**ৰাষ্ট্ৰীয় বিকল্পৰ সন্ধানত বিৰোধী দল:** ভাৰতত নিৰ্বাচনৰ সময়ত বহু দল বা মঞ্চৰ সৃষ্টি হয় যদিও চৰিত্ৰ গত পাৰ্থক্যলৈ লক্ষ্য কৰি এইবোৰক তিনিটা প্ৰধান ভাগত ভাগ কৰি ল'ব পাৰি: ই-কংগ্ৰেছ, কমিউনিষ্ট দলসমূহ (বাওঁপন্থী বিৰোধী দল), আৰু শাসক দল বিৰোধী আন দলসমূহ (সোঁপন্থী বিৰোধী দল)। সৰ্বভাৰতীয় দল হ'লেও বাওঁপন্থী বিৰোধী দলৰ নিজাববীয়াকৈ সংখ্যাগৰিষ্ঠতা লাভ কৰি ৰাষ্ট্ৰীয় বিকল্প হিচাপে থিয় দিব পৰা শক্তি নাই। পূব ভাৰতত দৃঢ় সংগঠন থকা পশ্চিম বংগ আৰু ত্ৰিপুৰাৰ কমিউনিষ্ট দলে তেওঁলোকৰ আদৰ্শকলৈ আগবঢ়াতকৈ এক বিশেষ ভাষিক গোষ্ঠীৰ স্বাৰ্থৰক্ষাৰ বাবে কৰি অহা চেষ্টাৰ বাবে বহুতে বাওঁপন্থী বিৰোধী দলক সেইভাষাৰ জনসাধাৰণৰ জাতীয়তাবাদী দল বুলিহে গণ্য কৰে। তদুপৰি সমসাময়িক ৰাজনীতিত, ৰাষ্ট্ৰপতি নিৰ্বাচনৰপৰা বৰ্ত্তমানলৈকে, সোঁপন্থী বিৰোধী দলৰ লগত কৰা আচৰণ লক্ষ্য কৰিলে দেখা যায় যে কমিউনিষ্ট গোষ্ঠীৰ দলসমূহ ৰাষ্ট্ৰীয় বিকল্প গঢ়াত সোঁপন্থী বিৰোধীৰ সহায়ক নহ'ব। পৰৱৰ্তী নিৰ্বাচনত সোঁপন্থী বিৰোধী দলে বা ই-কংগ্ৰেছে চৰকাৰ গঠন কৰিবলৈ বাঁওপন্থী দলৰ সমৰ্থন ল'ব লগা হ'লে তেওঁলোকে নিজৰ স্বাৰ্থৰক্ষা কৰিব পৰা চৰ্ত সাপেক্ষেহে সমৰ্থন জনাব। তদুপৰি ভাৰতত বাঁওপন্থী দলে কি সিদ্ধান্ত ল'ব সিয়ো কাৰোবাৰ নিৰ্দেশতহে লোৱা হয় বুলিব পাৰি। সেয়ে কমিউনিষ্ট গোষ্ঠীয় দল শাসক ই-কংগ্ৰেছৰ সহায়ক হ'ব নে সোঁপন্থী বিৰোধীৰ সহায়ক হ'ব তাক আগতীয়াকৈ ঠাৱৰ কৰা টান। কিন্তু ৰাষ্ট্ৰীয় মঞ্চত ই-কংগ্ৰেছ আৰু সোঁপন্থী বিৰোধীদল—এই দুয়োৰে মাজত অস্থিৰতাৰ সৃষ্টি কৰি বাঁওপন্থী দলেহে একমাত্ৰ সুস্থিৰ চৰকাৰ এখন দিব পাৰে,—এনে এক বাতাবৰণৰ সৃষ্টি কৰি কেন্দ্ৰৰ শাসন ক্ষমতা হস্তগত কৰিবলৈ এওঁলোক আশাবাদী। তেতিয়ালৈকে হ'ব পৰা অস্থিৰতাত বাঁওপন্থী বিৰোধী দলে 'অনুঘটক'ৰ দৰে কাম কৰি যাব বুলি আমি কৰা ধাৰণা অমূলক নহ'ব।

পৰৱৰ্তী নিৰ্বাচনত ই-কংগ্ৰেছৰ বিকল্প হিচাপে সোঁপন্থী বিৰোধী দলকে ভাৰতীয় জনসাধাৰণে গ্ৰহণ কৰিব লাগিব। ভাৰতীয় সংবিধান, সংবিধান প্ৰণেতা কেইজন, বৃটিছ বা সোঁপন্থী সকলে— যাৰেই দোষ বা বৈশিষ্ট্য বুলি কোৱা নহওক কিয়, ভাৰতৰ এই সোঁপন্থী বিৰোধী দলবোৰ এনে দৰে সংখ্যাধিক ৰূপত আছে যে তাৰ বাবে তেওঁলোকে ৰাষ্ট্ৰীয় বিকল্প হিচাপে থিয় দি, শাসনৰ ভাৰ লৈ, সুস্থিৰ হৈ থকাটো বৰ উজু নহয়।

ভাৰতৰ যি দহখন ৰাজ্য ই-কংগ্ৰেছ বিৰোধী দলৰ দখলত আছে তাৰ কোনো খনেই এক ৰাষ্ট্ৰীয় বিকল্প গঢ়িম বুলি ক্ষমতালৈ অহা নাই; আহিছে স্থানীয় কিছুমান সমস্যাক অগ্ৰাধিকাৰ দি তাৰ সমাধানৰ বাবেহে। হিন্দীভাষী ৰাজ্য হাৰিয়ানাত ই-কংগ্ৰেছ বিৰোধী দল ক্ষমতালৈ অহাৰ গুৰিতে হ'ল—কিছুমান ৰাজ্যিক সমস্যা আৰু ই-কংগ্ৰেছৰ দুৰ্নীতিৰ বিৰুদ্ধে চলা দুৰ্বাৰ প্ৰচাৰৰ প্ৰভাৱ। এই নিৰ্বাচনৰ ফলাফলে কৌশলগতভাৱে হিন্দীভাষী জনসাধাৰণৰ ওপৰত ই-কংগ্ৰেছে চলাই অহা প্ৰভাৱ ওফৰাই দি কংগ্ৰেছ শিবিৰৰ হিচাপ-নিকাচ ওলট-পালট কৰি দিছে। ইয়াক হিন্দীভাষী জনসাধাৰণৰ ৰাজনৈতিক চেতনাৰ বা পৰিবৰ্তনৰ পূৰ্বাভাস বুলি ধৰিলে ভাৰতত কংগ্ৰেছী শাসনৰ বল পৰি আহিছে বুলিব পাৰি। ই-কংগ্ৰেছৰ এক বিকল্প মঞ্চগঠন কৰিবৰ বাবে সোঁপন্থী বিৰোধী দলৰ নেতাসকল একাধিকবাৰ মিলিত হোৱাৰ বাতৰি সকলোৱে পাইছে। যোৱা ২৪ ছেপ্টেম্বৰতো হাৰিয়ানাৰ মুখ্যমন্ত্ৰী দেৱীলালৰ আহ্বানত সূৰুযকুণ্ডত সোঁপন্থী বিৰোধী দলৰ নেতাসকল সমবেত হয়। ইয়াত কংগ্ৰেছৰ পৰা বিতাৰিত হোৱা বা সেই দল ত্যাগ কৰা ভি. পি. সিং সহ কংগ্ৰেছীসকল আৰু ভাৰতীয় জনতা দলো আছিল। অসমৰ আঞ্চলিক দলটো সহ মুঠতে দহোটা সোঁপন্থী বিৰোধী দলৰ নেতা-প্ৰতিনিধি সমবেত হৈ এক ৰাষ্ট্ৰীয় বিকল্প গঠনৰ চেষ্টা আশাপ্ৰদ। তিনিজন মুখ্যমন্ত্ৰী দেৱীলাল, ৰামকৃষ্ণ হেগড়ে আৰু এন. টি. ৰামাৰাওক লৈ এখন সমিতি গঠন কৰা হৈছে। এই সমিতিয়ে বিৰোধী ঐক্যৰ বাবে চেষ্টা কৰিব। এই সমিতিৰ প্ৰতি সচেতন মহলে সততে দৃষ্টি ৰাখিব। সভাত এই সোঁপন্থী বিৰোধী দলে ঐক্যবদ্ধভাৱে ভাৰতৰ নিৰ্বাচনী প্ৰক্ৰিয়াৰ-সংশোধনকে ধৰি মুঠ নটা বিষয়লৈ সমগ্ৰভাৰত জুৰি ই-কংগ্ৰেছ বিৰোধী জনমত গঠন কৰিবলৈ সিদ্ধান্ত লৈছে। বাকী বিষয় বা সমস্যাসমূহ নিৰ্বাচনৰ পূৰ্বে ৰাজনৈতিক দলে ঘোষণা কৰা নিৰ্বাচনী ইস্তাহাৰৰ দৰেই; কিন্তু ভাৰতীয় ৰাজনীতিৰ বাবে অতি প্ৰয়োজনীয় নিৰ্বাচনী প্ৰক্ৰিয়াৰ সংশোধনৰ প্ৰতি বিৰোধীসকলৰ সন্মিলিত সভাই দেখুওৱা আগ্ৰহে সচেতন মহলৰ সমাদৰ লাভ কৰিব। এই সোঁপন্থী বিৰোধী দলে সত্তৰৰ দশকত লোকনায়ক জয়প্ৰকাশ নাৰায়ণে দেশ জুৰি কৰা 'কংগ্ৰেছ হাটাও' আন্দোলনৰ দৰে এক আন্দোলন গঢ়ি তোলাৰ পোষকতা কৰিছে। এই সকলোবোৰকে সংসদীয় নিৰ্বাচনৰ বাবে প্ৰস্তুতি বা কচৰৎ বুলিব পৰি; কিন্তু জয়প্ৰকাশ নাৰায়ণক সমৰ্থন কৰি ভাৰতীয় জনসাধাৰণে 'জনতাদল'ৰ হাতত যি মুখ থেকেচা খাই থৈছে, তাৰ স্মৃতি জনমানসত আজিও সজীৱ। সেয়ে, এনে আন্দোলনেৰে সোঁপন্থী বিৰোধী দলৰ মঞ্চই স্বকীয় ভিন্নতা বা বিৰোধ লুকুৱাই ৰাখি জনসাধাৰণক পূৰ্বৰ দৰে নিৰ্বাচনী ঢৌত উটুৱাই লৈ যোৱাটো বৰ সহজ নহ'ব। এক সুস্থিৰ চৰকাৰৰ পোষকতা কৰা ভাৰতীয় জনসাধাৰণৰ গ্ৰহণযোগ্য এক দল আৰু নেতৃত্বৰ প্ৰতি বিশ্বাস জন্মাব পাৰিলেহে বিৰোধী ঐক্য কৃতকাৰ্য হোৱাৰ সম্ভাৱনা আছে। ভাৰতীয় জনসাধাৰণে ৰাজনৈতিক অস্থিৰতা ভাল নাপায়; আনকি অস্থিৰতাৰ সম্ভাৱনা থাকিলে সেই ৰাজনৈতিক মঞ্চ বা দলক আঁতৰাই ৰখাৰ অভিজ্ঞতাৰ বিকল্প ৰাজনৈতিক মঞ্চ সৃষ্টি কৰিবলৈ চেষ্টা কৰা ভালেকেইজন নেতা আছে। জনসাধাৰণে পোনপটীয়াকৈ দুটা প্ৰশ্নৰ উত্তৰ বিচাৰে— তোমালোকৰ নেতা কোন? তোমালোকে কি কি কৰিবা? ইয়াৰ উত্তৰ বিশ্বাসযোগ্য হ'লেহে সোঁপন্থী বিৰোধী দলে ৰাষ্ট্ৰীয় বিকল্পৰ জন্ম দি ক্ষমতাৰ বাবে যুঁজি সফলতাৰ কথা ভাবিব পাৰে। সেয়ে নহ'লে টিকট দিয়াৰ আগমুহূৰ্তলৈকে ৰাষ্ট্ৰীয় বিকল্পৰ নামত চলা কথোপকথন, বুজাবুজিৰ বাতৰিয়ে বা নেতাৰ নামত collective responsibilityৰ কথা কৈ, অৰ্থাৎ নগ্নভাৱে "আমাৰ নেতা নাই, আমি সবেই নেতা"— আদি ভুৱা আদৰ্শৰ কথা কৈ আজিৰ ভাৰতীয়ক পৰিচালিত কৰা সহজ নহ'ব।

**ৰাষ্ট্ৰীয় বিকল্পত অসম:** হিন্দীভাষী বেল্টত প্ৰসাৰ লাভ কৰা ই-কংগ্ৰেছ-বিৰোধী জনমতলৈ চাই পৰৱৰ্তী নিৰ্বাচনত ভাৰতৰ ৰাজনৈতিক প্ৰেক্ষাপট সলনি হোৱাৰ সম্ভাৱনা আছে। অসমৰ দৰে ৰাজ্যত ভি. পি. সিঙৰ বিশেষ প্ৰভাৱ নপৰিলেও হিন্দীভাষী ৰাজ্যত যথেষ্ট প্ৰভাৱ পৰা পৰিলক্ষিত হৈছে। সেয়ে ভাৰতীয় ৰাজনীতিৰ পৰিবৰ্তনৰ ক্ষেত্ৰত তেওঁ এক শক্তি; আৰু এই সম্পৰ্কে ই-কংগ্ৰেছ চিন্তিত। পূৰ্ণ সফলতা নহ'লেও সিঙৰ আংশিক সফলতা সোঁপন্থী বিৰোধী দলে সৃষ্টি কৰিবলৈ লোৱা ৰাষ্ট্ৰীয় বিকল্পৰ সহায়ক হৈছে। সূৰুযকুণ্ডৰ সভাত— এল. কে. আদবানি, এ. বি. বাজপেয়ী (বি. জে. পি.); এইচ. এন. বহুগুণা, কপুৰী ঠাকুৰ (লোক দল-বি); চন্দ্ৰশেখৰ, মধু দণ্ডৱতে, বিজু পাটনায়ক, ৰামকৃষ্ণ হেগড়ে (জনতা); কে. মনোহৰন (ডি. এম. কে); বি. সত্যানাৰায়ণ (টি. ডি); এছ. এছ. মহাপাত্ৰ (আৰ. এছ. ছি)— শৰৎচন্দ্ৰ সিংহ (কংগ্ৰেছ-এছ); এন. টি. ৰামাৰাও (তেলুগু দেশম); আৰু অসম গণ পৰিষদৰ পৰা দুজন প্ৰতিনিধিয়ে ভাগ লৈছিল।

আমি আগেয়ে আলোচনা কৰাৰ দৰে কেন্দ্ৰত বিকল্পৰ নামত যি দলৰেই চৰকাৰ নহওক কিয়, হিন্দীভাষী অঞ্চলৰ নেতাই প্ৰভাৱ বিস্তাৰ কৰিয়েই থাকিব। কোনো ভাৰতীয় ৰাজনীতিকেই অসম বা অসমৰ দৰে ক্ষুদ্ৰ ৰাজ্যসমূহৰ ওপৰত গুৰুত্ব নিদিয়ে। লাভ-লোকচান চাইহে এনে ৰাজ্য সমূহৰ সমস্যাৰ প্ৰতি তেওঁলোকে সহানুভূতি দেখুৱায়। উদাহৰণ স্বৰূপে ১৯৭৭ চনৰ কথাকেই ক'ব পাৰি। জনতা দল ক্ষমতালৈ অহাত অসমৰ ছাত্ৰ সমাজে, ৰাইজে দেহে-কেহে খাটিছিল— কংগ্ৰেছৰ প্ৰতাৰণাৰ বিপক্ষে, নতুন নেতাৰপৰা ন্যায় বিচাৰ পাব বুলি। কিন্তু জনতায়ো পাছত একেই প্ৰতাৰণাৰ সহায় ল'লে। আজিৰ অসমৰ শাসক আঞ্চলিক ৰাজনৈতিক দলৰ নেতা-কৰ্মীসকল এই তিতা অভিজ্ঞতাৰে পুষ্ট। সেয়ে ৰাজনৈতিক ৰাষ্ট্ৰীয় বিকল্পৰ সফলতা বা বিফলতাত উৎফুল্ল বা হতাশ হোৱাৰ কোনো বিশেষ কাৰণ আমি বিচাৰি নাপাওঁ। উক্ত বণিয়া ৰাজনীতিকসকলৰপৰা কৌশলেৰে প্ৰাপ্য আদায় কৰাটোহে অসমৰ দৰে ক্ষুদ্ৰ ৰাজ্য বা জাতিটোৰ বাবে, আৰু এই ক্ষুদ্ৰ জাতিটোক ভেটি কৰি গঢ়ি উঠা আঞ্চলিক দলৰ বাবে লাভজনক হ'ব।

শক্তিৰ ফালৰপৰা সৰ্বভাৰতীয় পৰ্যায়ত অ. গ. প. দলৰ বিশেষ স্থান নথকাতো স্বাভাৱিক; কিন্তু বৰ্তমানলৈকে বিৰোধী ৰাজনীতিৰ ক্ষেত্ৰত (ৰাষ্ট্ৰপতি নিৰ্বাচন, বফৰ্ছ, ফেয়াৰফেক্স আদিৰ ক্ষেত্ৰত) এই দলে লোৱা ভূমিকাই এক সন্মানীয় স্থান লাভ কৰিছে। সেয়ে অসমৰ আঞ্চলিক দলে কোৱা কথা বা আগবঢ়োৱা কোনো ব্যাখ্যা বিৰোধী সোঁপন্থীসকলে গুৰুত্বসহকাৰে বিবেচনা কৰে। সংসদীয় নিৰ্বাচনৰ পাছত অ. গ. পৰ এই স্থিতি নাথাকিবও পাৰে। পুনৰ সেই ১৯৭৭ চনৰ পুনৰাবৃত্তি যে নহ'ব তাকো দৃঢ়তাৰে ক'ব পৰা নাযায়। ৰাষ্ট্ৰীয় সোঁপন্থী বিৰোধী দলৰ মাজত অ. গ. প বা





OKDISCD

ভাৰতৰ এনে ক্ষুদ্ৰ আঞ্চলিক দল বৰ্তি থকাৰ এই সুবিধাজনক অৱস্থিতিৰ সৎব্যৱহাৰ কৰিব পৰাতেই আঞ্চলিক ৰাজনীতিকসকলৰ পৰিচয় পোৱা যাব।

ভাৰতত ৰাজনৈতিক দলৰ গঠন আৰু বিলুপ্তিৰ ক্ষেত্ৰত সংখ্যাৰ ফালৰ-পৰা সাংবিধানিক কোনো বাধ্য বাধকতা নথকাৰ কথা আমি উল্লেখ কৰিছোঁ। এই অৱস্থা এটা দল বা এচাম সুবিধাবাদীয়ে দশকৰ পাছত দশক জুৰি ক্ষমতা লাভ কৰাত সহায়ক হৈ আহিছে। বিৰোধী সোঁপন্থী দলবিলাকৰ নেতাসকলৰ আদৰ্শৰ মতানৈক্যতকৈ ব্যক্তিগত প্ৰতিষ্ঠা লাভ বা প্ৰতিহিংসাৰ মনোভাবে মুখ্য স্থান পোৱাত এনে এক ব্যৱস্থা চলি আছে বুলিব পাৰি আৰু ই প্ৰতক্ষভাৱেই ৰাষ্ট্ৰীয় বিকল্পৰ সৃষ্টিত ব্যাঘাত জন্মাইছে। সাংবিধানিকভাৱে ৰাষ্ট্ৰীয় পৰ্যায়ত ৰাজনৈতিক দল গঠন নিয়ন্ত্ৰিত কৰিব পাৰিলে ৰাষ্ট্ৰীয় বিকল্পৰ পথ সুগম হ'ব আৰু একক শাসনৰ পৰা দেশখনক মুক্ত কৰি ৰাজনীতিক আদৰ্শনীয় কৰি তোলাৰ সম্ভাৱনা বাঢ়িব। ৰাষ্ট্ৰীয় পৰ্যায়ত ই-কংগ্ৰেছ বাওঁ পন্থী কমিউনিষ্ট দল আৰু অতি বেছি তিনিটা সোঁপন্থী বিৰোধী দল হে ভাৰত বৰ্তত থাকিব — ঠিক এনে এক সাংবিধানিক ব্যৱস্থা থকা হ'লে ভাৰতৰ ৰাজনৈতিক অৱস্থা লক্ষণীয়ভাৱে পৰিবৰ্তিত হ'ল হয়। এই নিয়মৰ সপক্ষে বা বিপক্ষে বহু মতামত ওলাব; কিন্তু বৰ্তমান ৰাজনীতিকৰ চিন্তা আৰু কাৰ্যৰ যি অৱনতি পৰিলক্ষিত হৈছে তাৰ তুলনাত সামগ্ৰিকভাৱে এনে ব্যৱস্থাহে ভাৰতীয় জনসাধাৰণৰ বাবে হিতকাৰী হ'ব বুলি আমাৰ ধাৰণা। এনে ব্যৱস্থাই ৰাজ্যসমূহত গঢ়ি উঠা ৰাজ্যিক দলসমূহক বাধাগ্ৰস্ত নকৰিব। এই সাংবিধানিক ব্যৱস্থাৰ বাবে সোঁপন্থী বিৰোধী দলে ঐক্যবদ্ধ হৈ গঢ়িব খোজা মঞ্চই আগ্ৰহ দেখুৱালে বা ইয়াক নিৰ্বাচনী প্ৰতিশ্ৰুতি হিচাপে গ্ৰহণ কৰিলে, নিঃসন্দেহে ই ভাৰতৰ সেই সচেতন মহলটোক প্ৰভাৱিত কৰিব, যিটো মহলৰ সহযোগতেই ভাৰতৰ নিৰ্বাচনী বতাহ কোনো দলৰ অনুকুলে বা প্ৰতিকুলে ব'বলৈ ধৰে। এনে ব্যৱস্থাৰ দ্বাৰা অহিন্দীভাষী আৰু বিশেষকৈ হিন্দীভাষী ৰাজ্যৰ ৰাজনীতিৰ 'বণিয়া' সকলক এক বাধ্য-বাধকতালৈ আনিব পৰা যাব বুলি আশা কৰিব পাৰি। অসমৰ আঞ্চলিক দলে এই ব্যৱস্থাৰ প্ৰতি সোঁপন্থী বিৰোধী গোটক পৰিচালিত কৰাৰ চেষ্টা কৰিব পাৰে।

আঞ্চলিক ৰাজনীতিৰ প্ৰসাৰে ভাৰতক ক্ৰমে পশ্চিমীয়া দেশৰ দৰে 'ফেডাৰেল' গাঁথনি বা শাসন ব্যৱস্থাৰ ফালে আগবঢ়াই নি আছে। ৰাজ্যিক দলৰ দখলত থকা প্ৰতিখন ৰাজ্যই আজি কেন্দ্ৰৰ পৰা অধিক ক্ষমতা বিচাৰি দাবী তুলি আছে। হিন্দীভাষী ৰাজ্যৰ একতা দুৰ্বলহৈ পৰিলে আৰু বহু ৰাজ্যিক দলৰ সমৰ্থিত চৰকাৰ হলে, ৰাজ্যসমূহে এই ক্ষমতা লাভৰ আশা কৰিব পাৰে। (কিন্তু সংখ্যাধিক ৰাজনৈতিক দলৰ বাবে গোটেই প্ৰক্ৰিয়াটো খেলিমেলিভাৱে আগবাঢ়িছে)। ই এনে এক পৰ্যায় পোৱাৰ সম্ভাৱনা আছে য'ত কেৱল ভাৰতবৰ্ষৰ প্ৰতিৰক্ষাৰ ভাৰহে কেন্দ্ৰীয় চৰকাৰৰ হাতত থাকিব আৰু তাৰ বাবে প্ৰয়োজন হোৱা অৰ্থ ৰাজ্যসমূহে সমানে বহন কৰিব। বাকী সকলো ক্ষমতা আৰু সম্পদ ৰাজ্যসমূহৰ হাতত থাকিব। ইয়াৰ বিপৰীতে,— বিশেষকৈ হিন্দীভাষী ৰাজ্যৰ 'বণিয়া' ৰাজনীতিকৰ কবলত পৰি,— এক সুস্থিৰ ৰাষ্ট্ৰীয় বিকল্পৰ সৃষ্টি কৰিব নোৱাৰিলে বা বহু-সমৰ্থিত কেন্দ্ৰীয় চৰকাৰ এখন সৃষ্টি কৰিব নোৱাৰিলে, ৰাজ্যসমূহত প্ৰসাৰ লাভ কৰা আঞ্চলিক দলবোৰ সদায় এওঁলোকৰ কাষত দয়াৰ পাত্ৰ হৈয়ে থাকিব লাগিব। কেন্দ্ৰৰ ওচৰত সদায় দয়াৰ পাত্ৰ হৈ থকাৰ এক বিপদজনক দিশো আছে। জনসাধাৰণে বিচৰা কোনো একোটা কাম যেতিয়া কেন্দ্ৰীয় চৰকাৰে কৰি নিদিয়ে, তেতিয়া ৰাজ্যিক দলে জনসাধাৰণক কয়,— কেন্দ্ৰীয় চৰকাৰৰ হেমাহিৰ বাবে বা কেন্দ্ৰীয় চৰকাৰে নিদিয়াৰ বাবে আমি কৰিব পৰা নাই। এনেকুৱা ব্যাখ্যা সঘনাই উচ্চাৰিত হ'লে জনসাধাৰণ এটা চমু উক্তিলৈ উলটি যাব পাৰে; সেইটো হ'লে,— "তোমালোকক এইবোৰকে কৰিবলৈ ৰাজপাট দিলো, এতিয়া কৈ আছা— কেন্দ্ৰই কৰি দিয়া নাই বাবে আমি কৰিব পৰা নাই। তেওঁলোকে নকৰিলে যদি নহয় তেনেহলে তোমালোক থাকি লাভ কি? ভাৰতীয় ৰাজনীতিৰ গতি ধাৰাত হিন্দীভাষী 'বণিয়া' ৰাজনীতিকক শিখণ্ডি হিচাপে ব্যৱহাৰ কৰি আঞ্চলিক ৰাজনীতিয়ে গতি কৰিব পাৰিলে ৰাজ্যিক ৰাজনীতিৰ জয় যাত্ৰা অক্ষুণ্ণ ৰ'ব। সেয়ে আঞ্চলিক ৰাজনৈতিক দলে সাৱধানে আগ বাঢ়ি ৰাজ্যৰ বাবে অধিক ক্ষমতা লাভ কৰাটোকে আজি ৰাজ্যিক ৰাজনীতিৰ পোষকতা কৰা ভাৰতীয় জনসাধাৰণে কামনা কৰে। অসমো ইয়াৰ ব্যতিক্ৰম নহয়।


PG অসমীয়া আধুনিক গীত STEREO

অনিমা চৌধুৰী

তেজীমলা সাৰে আছে...

সঙ্গীত/মৃণাল চৌধুৰী

* ছাত্ৰ-ছাত্ৰী
* সচেতন নাগৰিক
* বিলাসী ব্যক্তি

আপুনি ইয়াৰে যি গোটতে নপৰক আপোনাৰ পছন্দৰ পাঠ্যৰ বাবে পঢ়ক

মন্থন

মূল্য মাথোন ২'৫০ টকা

মন্থন প্ৰকাশ, গুৱাহাটী-৭৮১০১৪





দাঁতৰ বিষত হয়

ভগবানৰ কথা মনলৈ আহে আৰু


নহলে লং তেলৰ কথা!

প্ৰকৃততে; দাঁতৰ বিষত শ' শ' বছৰ ধৰি লং তেল হৈ পৰিছে ঘৰ ঘৰোৱাৰ ভৰষাৰ নিৰাময়কাৰী। লং এনে এবিধ বিশেষ বনস্পতি য'ত আছে ঔষধি গুণ আৰু লগতে গা-মন ৰাইজাই কৰা সজীৱতা। সেই কাৰণেই ই সন্মানৰ আসন লাভ কৰিছে ৰন্ধা-বঢ়াত, ঔষধ বিজ্ঞানত... আৰু আনকি প্ৰমিছ টুথপেষ্টতো।

প্ৰমিছ টুথপেষ্টত থকা লঙৰ ঔষধ গুণ আপোনাৰ দাঁতৰ চুকে-কোণে প্ৰবেশ কৰি দাঁতৰ গুৰিৰ ক্ষতিসাধন কৰা সকলোবোৰ জীৱাণু ৰোধ কৰে। তাৰ ফলত আপোনাৰ দাঁত সদায় সজীৱ-সতেজ আৰু মজবুত হৈ থাকে। লগতে প্ৰমিছত থকা অন্যান্য উপাদানে দাঁত মুকুতাৰ দৰে জিকমিকাই ৰাখে।

প্ৰমিছ দ্বাৰা ব্ৰাছ কৰাৰ পাছত আপোনাৰ কথা-বাৰ্ত্তা হৈ পৰে মধুৰ, কিয়নো শ্বাসৰ দুৰ্গন্ধ সৃষ্টি কৰা জীৱাণুকো লং তেলে অসাৰ কৰি পেলায় আৰু আপোনাৰ শ্বাস হৈ পৰে স্নিগ্ধ-সজীৱ।

প্ৰমিছ টুথপেষ্ট আৰু লং তেল... টুথপেষ্টৰ জগতত এক বিচিত্ৰ সামঞ্জস্য। ঠিকেই, আপুনি ইয়াক নিয়মিতৰূপে ব্যৱহাৰ কৰিলে হয়তো আপোনাৰ মনলৈ নাহিব লং তেলৰ কথা, ইয়াৰ প্ৰয়োজনো বোধ নকৰিব। দাঁত জিকমিকাই থাকিব। শ্বাস মধুৰ হৈ পৰিব।




Promise

লং তেলৰ এক অসাধাৰণ উৎপাদন প্ৰমিছ টুথপেষ্ট

বালচাৰা— টুথপেষ্ট বিশেষজ্ঞ

CHAITRA-BLS-820 ASM


OKDISCD


# ডিব্ৰুগড় চহৰ সুৰক্ষিত নে ?

ভুবন বৰুৱা

আজি কিছুবছৰৰ আগলৈকে ডিব্ৰুগড়বাসীৰ বাবে জীৱন-মৰণৰ সমস্যা হৈ থকা ব্ৰহ্মপুত্ৰৰ বান আৰু খহনীয়াৰ কথাটো চহৰবাসীয়ে সাময়িকভাৱে পাহৰি থাকিলেও এই বছৰৰ জুলাই আগষ্ট মাহত হোৱা বানপানীয়ে সমস্যাটো পুনৰ সমুখলৈ আনিছে। উজনি অসমৰ চাহ আৰু নানা উদ্যোগ-সমৃদ্ধ, প্ৰায় ডেৰ লাখ অধিবাসীৰে— পূৰ্ণ এই চহৰৰ বহুতৰে মনত একেটা প্ৰশ্নই ভুমুকি মাৰিছিল : ডিব্ৰুগড় চহৰ আৰু সংলগ্ন অঞ্চলটো ব্ৰহ্মপুত্ৰৰ বান-খহনীয়াত বিপদৰ পৰা মুক্ত নে ? অঞ্চলটোক এনে বিপদৰ পৰা বচাবলৈ প্ৰায় ডেৰকুৰি বছৰৰ আগেয়ে নিৰ্মিত বান্ধ-বুৰুজবোৰ সুৰক্ষিত নে ? যোৱা দহবছৰ মানত ডিব্ৰুগড় চহৰ অঞ্চলটো বান-খহনীয়াৰ বিপদৰ সন্মুখীন হোৱা নাই সঁচা তাৰ অৰ্থ পিছে এইটো নহয় যে চহৰখন সম্পূৰ্ণভাৱে বিপদমুক্ত। যোৱা কেইবছৰমানত মথলা, মাইজান নগাঘুলি, অঞ্চলটোত যিদৰে ব্যাপকভাৱে খহনীয়া চলি আছে, তালৈ চাই বিপদৰ আন এটা নতুন দিশহে ওলাইছে বুলি ভাবিবলৈ মন যায়। এই ক্ষেত্ৰত সঠিক প্ৰতিৰোধ ব্যৱস্থা সময়মতে লোৱা নহ'লে অঞ্চলটো বিপদাপন্ন হ'ব বুলি আশংকা হয়। দুৰ্ভাগ্যৰ কথা যে এনে এটা বিপদৰ প্ৰতি চহৰখনৰ জনসাধাৰণ বৰ বেছি সজাগ নহয়। মাজে-মাজে বানপানীৰ সময়ত তেনে এটা আশংকাই উকি দি উঠিলেও বান যোৱাৰ লগে-লগে তেনে বিপদৰ কথা সকলোৱে পাহৰে। মাইজান মথলাত যি ধৰণে খহনীয়া চলি আছে সেইটোৱে যে সমগ্ৰ অঞ্চলৰ বাবে বিপদজনক সেই কথা চহৰখনৰ জনসাধাৰণে উপলব্ধি কৰিব পৰা নাই বুলিয়েই ধাৰণা হয়। অথচ ইয়াৰ ওচৰতে আছে অসম মেডিকেল কলেজ আৰু কেইবাখনো চাহবাগিচা। যোৱা কিছু বছৰৰ ভিতৰত ব্ৰহ্মপুত্ৰৰ খহনীয়াই মথলা, মাইজান অঞ্চলৰ প্ৰায় আঢৈ হাজাৰ একৰ চাহ খেতিৰে ভৰা অঞ্চল এটা গ্ৰাস কৰি পেলোৱাটো নিশ্চয় বিপদৰ ইংগিতবাহক ঘটনা।

ডিব্ৰুগড় চহৰ আৰু ইয়াৰ সংলগ্ন অঞ্চলটোৰ বাবে ব্ৰহ্মপুত্ৰ নদীয়ে ত্ৰাসৰ সৃষ্টি কৰিছিল ১৯৫০ চনৰ আগষ্ট মাহত হোৱা ভূমিকম্পৰ পাছত। অসমৰ একালৰ বিতোপন চহৰৰ প্ৰধান অংশটো আজি ব্ৰহ্মপুত্ৰৰ বুকুৰ মাজত, নদীয়ে সামৰি লৈছে চহৰৰ সৰ্বোৎকৃষ্ট অঞ্চলটো। অৱশ্যে পঞ্চাছৰ ভূমিকম্পৰ পাছতে চহৰখনক এনে বিপদৰ পৰা ৰক্ষা কৰিবলৈ একাধিক ব্যৱস্থা গ্ৰহণ কৰা হয় আৰু ইয়াৰ ভিতৰত অন্যতম হ'ল মথলা-মাইজানৰ পৰা মোহনাঘাটলৈকে সুদীৰ্ঘ ছয় কিল'মিটাৰ অঞ্চল জোৰা বান্ধ-বুৰুজেৰে প্ৰতিৰক্ষা ব্যৱস্থা।

ডিব্ৰুগড় চহৰ আৰু সংলগ্ন অঞ্চলটোৰ প্ৰতিৰক্ষাৰ বৰ্তমান ব্যৱস্থা এনে ধৰণৰ : মাইজানৰ পৰা মোহনাঘাটলৈকে এই ছয় কিল'মিটাৰ অঞ্চলত আছে শিলেৰে নিৰ্মিত সাতোটা নিকপকপীয়া বুৰুজ আৰু তাৰ মাজে-মাজে ২৬ টা কাঠৰ বুৰুজ ; এটা প্ৰায় ছয় কিল'মিটাৰ দৈৰ্ঘ্যৰ বান্ধ। চহৰখনৰ মাজেদি আছে এটি সুৰক্ষা কৰা সুদীৰ্ঘ নৰ্দমা। একেদৰে মোহনাঘাট অঞ্চলতো কেইবাটাও বুৰুজ আৰু বান্ধ নিৰ্মাণ কৰি চহৰখনৰ পূবৰ নামনি অংশটোৰ সুৰক্ষিত কৰাৰ ব্যৱস্থা লোৱা হৈছে। মোটামুটিভাৱে পশ্চিমৰ পৰা পূবলৈ সুদীৰ্ঘ অঞ্চল বিয়পি থকা এই বান্ধ বুৰুজবোৰেই ডিব্ৰুগড় চহৰখনৰ প্ৰতিৰক্ষাৰ ঘাই ব্যৱস্থা। এনেবোৰ ব্যৱস্থা লোৱা বাবেই যোৱা দুটা দশকৰো অধিক কাল চহৰখন সুৰক্ষিত হৈ আছে বুলি ক'ব পাৰি। এনে অৱস্থাতো চহৰখন সম্পূৰ্ণভাৱে




ডিব্ৰুগড় চহৰৰ সমীপৱৰ্তী মাইজান, মথলা, নগাঘুলি অঞ্চলটো মেপত দেখুওৱা হৈছে। বাওঁকালৰ চিহ্নিত অংশ দুটা বিপদ বিন্দু। তাত খহনীয়া হৈ ব্ৰহ্মপুত্ৰ নদীখন কেনেবাকৈ মাইজান বিলত সোমালে সমস্ত অঞ্চলটো বিপদাপন্ন হৈ পৰিব আৰু ইয়েই ডিব্ৰুগড় চহৰাঞ্চলটো ঘেৰি ধৰিব। অদূৰত অসম মেডিকেল কলেজ। মেপখন **শ্ৰীগনেশ শৰ্মাৰ** সৌজন্যত।

আৰু চিৰকালৰ বাবে বিপদমুক্ত নহয় বুলিয়েই যোৱা কেইবছৰৰ বান-খহনীয়াৰ কথাবোৰে সঁকিয়াই দিয়ে।

যোৱা কেইবছৰমানত চহৰখনৰ উজনিভাগৰ মাইজান, মথলা অঞ্চলত ব্ৰহ্মপুত্ৰৰ খহনীয়াই এটা অতি বিপদজনক ৰূপ লৈছে। এই অঞ্চলটোৰ এটা অতি বিস্তৃত অংশ ব্ৰহ্মপুত্ৰৰ বুকুত জাহ গৈছে। প্ৰাপ্ত হিচাপমতে ১৯৫৪ চনৰ পাছৰে পৰা অঞ্চলটোৰ প্ৰায় ২৫৮১ একৰ চাহখেতিৰে ভৰা মাটি ব্ৰহ্মপুত্ৰৰ বুকুত জাহ গৈছে। প্ৰতিবছৰে বাৰিষাকালত এই অঞ্চলত ব্যাপক খহনীয়াৰ খবৰ ওলালেও অঞ্চলটো সুৰক্ষিত কৰিবলৈ যি ধৰণৰ ব্যৱস্থাৰ আৱশ্যক আছিল সেয়া লোৱা হৈছে বুলি ভাবিব নোৱাৰি। অথচ তাকে কৰিব নোৱাৰিলে ওচৰৰে অসম মেডিকেল কলেজ চৌহদ বিপদাপন্ন কৰিব। যোৱা বছৰ কেৱল অ'কলেজ অঞ্চলত ব্ৰহ্মপুত্ৰৰ খহনীয়াৰ কবলত পৰিছে চাহবাগিচাৰে ভৰা প্ৰায় ২৫ একৰ মাটি। তিনি দশকৰ পূৰ্বে খহনীয়াই যি দুৰ্ঘটনা ঘটাইছিল, তাৰ যাতে পুনৰাবৃত্তি নহয় তাৰ বাবে কিছু আগতীয়া সতৰ্কতাৰ আৱশ্যক।

মাইজান মথলাৰ বিপদ সম্ভাৱনাৰ কথাকে সমুখত ৰাখি ১৯৭৯ চনত অঞ্চলটোৰ সুৰক্ষাৰ বাবে ৫·৬১ কোটি টকাৰ আঁচনি এখন যুগুতোৱা হৈছিল। পিছে এই প্ৰতিৰক্ষা আঁচনিখন এতিয়াও "বিবেচনাধীন" পৰ্যায়তে আছে ; ৰূপায়িত হোৱা নাই। কোনো কোনো অভিজ্ঞ বিশেষজ্ঞই এনে কথাও ক'ব খোজে যে মথলা অঞ্চলত ব্ৰহ্মপুত্ৰই যিটো ধৰণেৰে খহনীয়া আৰম্ভ কৰিছে তালৈ চাই এই নদীয়ে কেনেবাকৈ দক্ষিণ পশ্চিমমুৱা গতি এটা ল'লে সমগ্ৰ ডিব্ৰুগড় অঞ্চল এটা দ্বীপলৈ ৰূপান্তৰিত হ'ব। গতিকে মথলা মাইজান অঞ্চলৰ খহনীয়া প্ৰতিৰোধৰ স্থায়ী আঁচনি অবিলম্বে গ্ৰহণ আৰু ৰূপায়ণৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ হেঁচা দিব লাগে।

তথ্যপাতিবোৰ চালে দেখা যায় যে ডিব্ৰুগড় চহৰৰ উচ্চতা সাগৰ পৃষ্ঠৰ পৰা ১০৩·৭৪ মিটাৰ। আনহাতে বাৰিষা কালত ব্ৰহ্মপুত্ৰৰ জলপৃষ্ঠৰ উচ্চতা সাধাৰণতে ১০৪·৩৫ মিটাৰৰ পৰা ১০৪·৬৫ মিটাৰৰ ভিতৰত থাকে। গতিকে এই সময়ছোৱাত ডিব্ৰুগড় চহৰৰ ভূমি পৃষ্ঠতকৈ যথেষ্ট ওপৰত নদীখনৰ জলপৃষ্ঠ থাকে। বাৰিষা কালত নদীৰ জলপৃষ্ঠ সাধাৰণতে ত্ৰিছৰপৰা চল্লিছ দিন পৰ্যন্ত বিপদ সীমাৰ ওপৰত থাকে। এইখিনিতে উল্লেখ কৰিব পাৰি যে এই বছৰৰ আগষ্ট মাহৰ ১২ তাৰিখে নদীৰ জলপৃষ্ঠই এটা সৰ্বকালৰ অভিলেখ সৃষ্টি কৰি ১০৬·০৪ মিটাৰলৈ উঠিছিল। এই ক্ষেত্ৰত পূৰ্বৰ ৰেকৰ্ড আছিল দহ বছৰ আগৰ। ব্ৰহ্মপুত্ৰৰ জলপৃষ্ঠই ১৯৭৭ চনৰ ১৬ আগষ্ট তাৰিখে ১০৫·৯৫ মিটাৰৰ দাগ স্পৰ্শ কৰিছিল। এনে অৱস্থাত কেনেবাকৈ বান্ধ বুৰুজ বিপন্ন হলে চহৰখন আৰু সংলগ্ন অঞ্চলটো বিপদত পৰাৰ আশংকাই দেখা দিব। অৱশ্যে আজি বহু বছৰ ধৰি বান্ধ-বুৰুজবোৰ মোটামুটিভাৱে মজবুত হৈ থকা হেতুকে ডিব্ৰুগড়বাসী জনসাধাৰণে বিপদমুক্ত যেন অনুভৱ কৰি আছে।

ডিব্ৰুগড় চহৰক বান খহনীয়াৰ বিপদৰ পৰা ৰক্ষা কৰাৰ সম্ভাৱনা সম্পৰ্কে অসম চৰকাৰ আৰু বিদেশৰ পৰা অহা বিশেষজ্ঞই সমানে সন্দেহ প্ৰকাশ কৰাৰ কথাও জনা যায়। আগষ্ট মাহৰ বানৰ সময়ত পানীৰ উচ্চতা মথাউৰিৰ প্ৰায় সমানে হৈছিল আৰু ঠায়ে-ঠায়ে পানী সৰকিছিল। স্মৰণযোগ্য যে প্ৰায় ১৪ বছৰৰ আগেয়ে কেন্দ্ৰীয় জলসিঞ্চন মন্ত্ৰী ডঃ কে. এল. ৰাওৰ আমন্ত্ৰণক্ৰমে ভাৰতলৈ অহা ইংলণ্ডৰ বিশেষজ্ঞ ডঃ ডি. আৰ. পি. ফালে'ই অঞ্চলটো চাই-চিতি, মত দিছিল যে যদিহে মূল নদীখনে মথলা বিলৰ আগফালে থকা পথটোৰে সুৰুঙা উলিয়ায় আৰু মাইজানত সোমায় তেনেহ'লে ডিব্ৰুগড় চহৰৰ বাবে বিপদ আহিব পূবফালৰ পৰা ; ইয়াৰ ফলত বিপদাপন্ন হ'ব চহৰখনৰ সুৰক্ষাৰ বাবে লোৱা ব্যৱস্থাৱলী। ছবছৰ পাছত একেগৰাকী বিশেষজ্ঞই ১৯৭৯ চনত এইদৰে আশংকা প্ৰকাশ কৰিছে যে ডিব্ৰুগড় চহৰখনক ব্ৰহ্মপুত্ৰৰ কবলৰপৰা ৰক্ষা কৰিবলৈ সময়োচিত ব্যৱস্থা লোৱা নহলে এই বিপদৰ সম্ভাৱনা প্ৰায় খাটাং। [দ্ৰষ্টব্য : Frontline, ২১ আগষ্ট— ৪ ছেপ্টেম্বৰ সংখ্যা, ১৯৮৭] অসম / চৰকাৰৰ বান প্ৰতিৰোধ সম্পৰ্কীয় কেইবাটাও উচ্চ পৰ্যায়ৰ কমিটিৰ প্ৰতিবেদনতো ডিব্ৰুগড়ৰ প্ৰতি ব্ৰহ্মপুত্ৰৰ ভাবুকিৰ কথা দোহাৰি থকা হ'লেও এই ক্ষেত্ৰত যথোপযুক্ত ব্যৱস্থা লোৱা হোৱা নাই বুলিয়েই ধাৰণা হয়।

মথলা মাইজান অঞ্চলটোক খহনীয়াৰ বিপদৰপৰা বচাবলৈ প্ৰায় ছয়-কোটি টকাৰ যিখনি আঁচনি লোৱা হৈছিল সেইখন ৰূপায়ণ কৰাৰ ব্যয় যোৱা আঠ-ন বছৰত হোৱা মূল্যবৃদ্ধিৰ ফলত দুগুণৰো অধিক হ'বগৈ। তথাপি এই আঁচনিখন অগ্ৰাধিকাৰৰ ভিত্তিত অবিলম্বে কাৰ্যকৰী কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰিব লাগে। প্ৰতিবছৰে বান বাৰিষাৰ সময়ত খহনীয়াৰ সময়ত অঞ্চলটো পৰিদৰ্শন কৰিবলৈ মন্ত্ৰী পালি-মন্ত্ৰী নেতাসকল জাকপাতি আহে চৰকাৰী আশ্বাসো আথৈফুটা দি ফুটে। বান-বাৰিষা গ'লে কথাবোৰ সকলোৱে পাহৰে। ডিব্ৰুগড় নগৰ তথা অঞ্চলটো চাহ বাগিচাৰে সমৃদ্ধ অঞ্চল, সেয়ে ইয়াক ৰক্ষাৰ বাবে কেইকোটিমান টকা খৰচ কৰিবলগা হ'লেও তাত আপত্তি থাকিব নালাগে।

ৰাইজৰ স্মৃতি দুৰ্বল। পঞ্চাছৰ দশকত ডিব্ৰুগড়ৰ জনসাধাৰণে যি ভয়াবহ বিপদৰ সন্মুখীন হৈছিল সেই কথা আজি হয়তো বহুতে পাহৰিলে। আচলতে চহৰখনৰ বাবে বিপদ যোৱা চাৰিটা দশকত হ্ৰাস পোৱা নাই। জ্ঞান-বিজ্ঞানে পৃথিৱীখনক আগুৱাই নিছে যদিও অসমৰ বাবে বান খহনীয়া জীৱন সংগী হৈয়েই আছে। ডিব্ৰুগড় অঞ্চলটোক এতিয়াই সময়োচিত ব্যৱস্থাৰে অধিক সুৰক্ষিত কৰিব নোৱাৰিলে পঞ্চাছৰ দশকৰ পুনৰাবৃত্তি ৰোধ কৰাটো কঠিন হ'ব।

OKDISCD

# কৃষিবিদ গুৰুপ্ৰসাদ বৰঠাকুৰ

[এটি সাক্ষাৎকাৰ]

সাক্ষাৎকাৰী : ৰাজেন্দ্ৰ কুমাৰ চৌধুৰী, যোগানন্দ গোস্বামী

শিৱসাগৰ নগৰৰ পৰা আঠ কিল'মিটাৰ নিলগৰ কুজিবালিত প্ৰায় ৭ বিঘা মাটিৰ বাৰী এখনেৰে টোলহেন এখনি ঘৰ। পদূলিমুখৰ পৰাই এমোকোৰা হাঁহিৰে অভ্যাগতজনক যি জনে আদৰি নিয়ে সেইজনেই চাৰিকুৰিৰ দেওনা পাৰ কৰা শ্ৰীগুৰু প্ৰসাদ বৰঠাকুৰ। এখেত এগৰাকী প্ৰগতিশীল কৃষক হিচাপেই পৰিচিত। ১৯২৯ চনতে ব্ৰাহ্মণৰ সন্তান হৈও নাঙলৰ মুঠিত ধৰি বিপ্লৱৰ সূচনা কৰা এই গৰাকী ব্যক্তি মৃদুভাষী, স্বভাৱত অমায়িক, অথচ নীতিৰ ক্ষেত্ৰত দৃঢ়মনা।

ঘৰৰ সন্মুখতে থকা ফুলনিখন গোলাপ, তগৰ, শেৱালি, কাঞ্চন, গুটিমালী, খৰিকাজাই, মালতী, সেউতী, গধূলিগোপাল আদি ফুলেৰে জাতিষ্কাৰ। এইবোৰ ফুল আধুনিক কালৰ অসমীয়া মানুহৰ ঘৰত দেখিবলৈকে নোহোৱা হ'ল। বাওঁহাতে এটি ডাঙৰ গোসাঁইঘৰ। বৰঠাকুৰ পৰিয়াল শাক্ত। প্ৰতি বছৰে ধুমধামেৰে দুৰ্গোৎসৱ পতা হয়। গোসাঁইঘৰৰ পিছফালে দুটা গোহালি। কেইবাজনীও জাৰ্ছি গাই আছে। তাৰ পিছতে এবিঘামান মাটি আগুৰি থকা এটা পুখুৰী। পুখুৰীটোত মাছ আছে। পিছ চোতালত হাঁহৰ গৰাল দুটামানো আছে। পুখুৰীৰ সিপাৰে তামোল পাণ, আম, কঠাল, লেতেকু, পনিয়ল আদি গছেৰে ভৰপূৰ বাৰী। তামোল চাৰিশ জোপা; প্ৰতি জোপাতে পাণ। পাণ বেচি বছৰি চাৰিহাজাৰ টকা পোৱা যায়। শাক-পাচলিৰ বাৰীখন পিছফালে। পাচলি ঘৰত খাবলৈকো হয়, বেচিবলৈকো হয়।

শ্ৰীবৰঠাকুৰৰ প্ৰধান খেতি ধান। পৰিয়ালৰ মুঠ মাটি কুৰি পুৰা। ধানৰ উপৰি মচুৰ, সৰিয়হ, মগু, আৰু মাটিমাহ কৰা হয়। ঘেঁহু কৰা হৈছিল যদিও কিছুবছৰ কৰা হোৱা নাই। চল্লিছৰ দশকত সত্তৰ বিঘা মাটি লিজত লৈ বৰঠাকুৰে মৰাপাট কৰিছিল। পৰিয়ালটো সুন্দৰভাৱে চলিব পৰাকৈ কৃষিৰ পৰা যথেষ্ট আয় হয়। শ্ৰীবৰঠাকুৰে এইখিনি দেখুৱাই গৰ্বেৰে ক'লে, "এই সকলো মোৰ শ্ৰমৰ ফল। আৰম্ভ কৰোঁতে কঠীয়া তোলা, কটিওৱা, ৰোৱা, ডাঙৰি কঢ়িওৱাৰ উপৰি হালবোৱা কামো মই নিজেই কৰিছিলোঁ।" এতিয়া পিতৃৰ পদানুসৰণ কৰি বৰপুত্ৰ শ্ৰীপাৰ্বতী প্ৰসাদ বৰঠাকুৰে খেতিখোলাৰ দায়িত্ব লৈছে। অৱশ্যে কনিষ্ঠ ভ্ৰাতৃ শ্ৰীবিষ্ণুপ্ৰসাদ বৰঠাকুৰেও কৃষিকাৰ্যৰ তদাৰক কৰে।

সন্মুখৰ বহা কোঠাৰ বেৰত মহাত্মা গান্ধী, নেহৰুৰ ছবি, আৰু ৰাজেন্দ্ৰ প্ৰসাদ ৰাষ্ট্ৰপতি হৈ থাকোঁতে শ্ৰীবৰঠাকুৰৰ লগত তোলা এখন ছবি আঁৰি থোৱা আছে। বৰঠাকুৰ কংগ্ৰেছ কৰ্মী আছিল। এতিয়া পাৰ্টিৰ লগত সম্পৰ্ক নাই বুলি ক'লে। তেখেতে কোনো দিনে ৰাজনৈতিক ক্ষমতাৰ প্ৰতি হাবিয়াস কৰা নাছিল।

দুখন সৰু মেজত জ্যোতিপ্ৰসাদ আৰু বিষ্ণুপ্ৰসাদৰ দুখন ছবি সজাই থোৱা আছে। জ্যোতিপ্ৰসাদক তেখেতে বৰ কম দিন পাইছিল; কিন্তু বিষ্ণুৰাভাক অন্তৰংগ ৰূপে পাইছিল। অজ্ঞাতবাসৰ সময়ত বিষ্ণুৰাভা এৰাতি তেখেতৰ তাত থাকি বকতালৈ যায়গৈ। পাছতো ৰাভা তেখেতৰ ঘৰত সপ্তাহ-দহদিন আছিলহি। আন এটা নতুন সম্বাদ তেখেতে দিলে; —১৯৩৬ চনত হেনো অসম ষ্টাৰ থিয়েটাৰ পাৰ্টি খোলা হৈছিল। তেতিয়া ফণী শৰ্মা তিনি বছৰমান আছিলহি। ৰাভায়ো কেইদিনমান অভিনয় কৰিছিল। কিন্তু একেঠাইতে বেছি দিন থাকিব নোৱৰা গুণে তেখেত গ'লগৈ।

সাক্ষাৎকাৰটি লোৱা হৈছিল যোৱা মে' মাহৰ ১২ তাৰিখে। ওপৰৰ্ঞি এইখিনি খবৰ আগষ্ট মাহৰ ১১ তাৰিখে শ্ৰীবৰঠাকুৰৰ বাসভৱনলৈ গৈ সংগ্ৰহ কৰা হয়।

চৌধুৰী : বৰঠাকুৰদেৱ, কৃষিজগতৰ লগত আপোনাৰ সম্পৰ্ক অতি ঘনিষ্ঠ। কৃষি বিশ্ববিদ্যালয় আৰু কৃষি বিভাগো আপোনাৰ কিছুমান পৰামৰ্শৰ দ্বাৰা উপকৃত হৈছিল। কৃষিৰ ওপৰত নিৰ্ভৰ কৰি আপুনি এখন সুন্দৰ সংসাৰো চলাইছে। বয়স এতিয়া একাশী বছৰ বুলি কৈছেই। আপোনাক এটি প্ৰশ্ন সোধোঁ : আপুনি কৃষিকাৰ্য কেতিয়াৰ পৰা আৰম্ভ কৰিছিল ?

বৰঠাকুৰ : কথাটো হ'ল এনেকুৱা : মই পঢ়াশুনা এৰি ১৯২১ চনত গান্ধীৰ আন্দোলনত লাগিলোঁ। আন্দোলনত গ'ল পাঁচ বছৰমান। ১৯২৯ চনত মোৰ এটা স্পৃহা হ'ল— ভাবিলোঁ, মইনো কি কৰি খাম ? খেতিকে কৰোঁ। পিতৃদেৱতাই প্ৰথমতে মোৰ কথা সমৰ্থন কৰা নাছিল; কিন্তু প্ৰথম বছৰ যেতিয়া মই খেতি কৰি ভাল উৎপাদন পালোঁ, তেতিয়া দেউতাই ক'লে—কামটো ভালেই হৈছে।

চৌধুৰী : আপোনাৰ পিতৃ এগৰাকী অতি উচ্চ মনৰ লোক আছিল বুলি জানো। বাৰু আপুনিতো এজন উচ্চ কুলৰ ব্ৰাহ্মণ ! আপুনি যেতিয়া ব্ৰাহ্মণৰ বৃত্তি এৰি হালত ধৰিলে, তেতিয়া সমাজে কথাটো কেনেদৰে লৈছিল ?

বৰঠাকুৰ : সমাজে সহজভাৱে লোৱা নাছিল। কথাটো মনত পৰিলে এতিয়াও হাঁহি উঠে। মই যেতিয়া খেতি কৰিলোঁ, হালবালোঁ, ব্ৰাহ্মণ সমাজে তেতিয়া মোক একাষৰীয়া কৰিব খুজিছিল। তেওঁবিলাকে কৈছিল, ইয়াক এৰি দিব লাগে। ইয়াৰ লগত খাব নালাগে। ইয়ালৈ ছোৱালীও দিব নালাগে।

চৌধুৰী : পাছে ছোৱালীতো আপোনাক দিলে!

বৰঠাকুৰ : হয় হয়, পাছত দিলেগৈ। মই তেওঁবিলাকক কৈ দিছিলো, ইচ্ছা নকৰিলে মোৰ লগত নাখাবা, ছোৱালী নিদিলেও নিদিবা। মই ঠিৰাং কৰিছোঁ যেতিয়া কৃষক হ'মেই। অৱশ্যে কোনেও মোৰ সন্মুখত কবলৈ সাহ কৰা নাছিল। কেৱল এজন বুঢ়া মানুহে, সম্পৰ্কত মোৰ বৰদেউতা হয়; কৈছিল, 'বোপাই, এইটো নকৰি জানো আমাৰ পূৰ্বপুৰুষে খোৱা নাছিল ? আজিলৈকে-চোন কোনো বামুণে হালবোৱা নাই। তইনো এইবোৰত ধৰিলি কিয় ?---' ইত্যাদি। পাছত মোৰ দৃঢ় মন দেখি কোনেও বাধা দিয়া নাছিল।


গোস্বামী : আপুনি তেনেহলে এই ক্ষেত্ৰত এক বিপ্লৱ কৰিলে ?

বৰঠাকুৰ : হয়, বিপ্লৱ বুলিবও পাৰে।

চৌধুৰী : কৃষিত ধৰাৰ পাছত কৃষিকাৰ্য শিকিবলৈ ক'ৰবাত শিক্ষা লৈছিল নেকি ?

বৰঠাকুৰ : মই ক'তো শিক্ষা লোৱা নাছিলোঁ। অৱশ্যে একেবাৰে শিক্ষা লোৱা নাছিলো বুলিলেও ভুল কোৱা হ'ব। গাঁৱৰ বুঢ়া মানুহসকলৰপৰা বহু ক্ষেত্ৰত পৰামৰ্শ লৈছিলোঁ। ইয়াৰ বাহিৰে নিজৰ মাটিতে গৱেষণা কৰিছিলোঁ।

চৌধুৰী : কৃষি সম্পৰ্কীয় কথাত কৰবালৈ গৈছিল নেকি ?



গুৰু প্ৰসাদ বৰঠাকুৰ নিজ বাসভৱনত

বৰঠাকুৰ : গৈছিলোঁ। ভাৰতৰ মই প্ৰায় সকলো ঠাইলৈকে গৈছো। বিদেশলৈকো গৈছিলোঁ। চৰকাৰে পঠাইছিল নহয় ! জাপান, ফ্ৰান্স, ইটালি আৰু জাৰ্মেনিলৈ।

গোস্বামী : বিদেশলৈ কেতিয়া গৈছিল ?

বৰঠাকুৰ : ১৯৬৭ চনত।

চৌধুৰী : এই ভ্ৰমণৰ লগত ভাৰত কৃষক সমাজৰ সম্পৰ্ক আছিল নেকি ?

বৰঠাকুৰ : হয়। তেওঁলোকৰ সদস্য মোৰ সহযাত্ৰী আছিল।

চৌধুৰী : কোনখন দেশ প্ৰথমতে ভ্ৰমণ কৰিছিল ?

বৰঠাকুৰ : প্ৰথমতে আমি গৈছিলোঁ পূব জাৰ্মেনিলৈ।

চৌধুৰী : সেই ভ্ৰমণ সম্পৰ্কে অলপ কবনে ?

বৰঠাকুৰ : সেই সময়ত তাত কৃষি প্ৰদৰ্শনী হৈছিল। সেই প্ৰদৰ্শনীৰ বাবে অসম চৰকাৰে মোক পঠাইছিল। সেই প্ৰদৰ্শনী চাই মই বহুত কথা শিকিলোঁ বুলি ক'ব লাগিব। তেওঁলোকে সকলো কথা ইমান খৰচি মাৰি বুজাই কয় যে শিকাত অসুবিধা নহয়। বাৰে বাৰে প্ৰশ্ন কৰিলেও অকণো আমনি নাপায়। মই তেওঁলোকৰ কৃষিৰ উন্নত পদ্ধতি সম্পৰ্কে জানিবলৈ বৰ আগ্ৰহী আছিলোঁ। তেওঁলোকে শস্যৰ বীজৰ ওপৰত বৰ গুৰুত্ব দিয়ে। এইটো একেবাৰে সঁচা কথা —"বাই গুণে ভিনীহি, কঠিয়া গুণে কিৰিষি।" মই অসম আৰু ভাৰতৰ বহু ঠাই ভ্ৰমিলোঁ; কিন্তু আমাৰ মানুহে বীজৰ ওপৰত ইমান গুৰুত্ব দিয়া নেদেখিলোঁ।

গোস্বামী : বাৰু আপুনি কুৰিৰ দশকৰ পাছতে খেতিত ধৰিছিল। উন্নত পদ্ধতি কি কি ব্যৱহাৰ কৰিছিল ?

বৰঠাকুৰ : মই কিছু দেখি শিকা আৰু কিছু ঠেকি শিকা। সেই দৰে অনেক চেষ্টা কৰিছিলোঁ।

গোস্বামী : কেনে ধৰণৰ ?

বৰঠাকুৰ : মই হাল বাওঁতেই এটা চেষ্টা কৰিছিলোঁ। পাঁচ চাহ দিয়াই, কঢ়াই, মৈয়াই আৰু তিনিটা অধিক চাহ দি চাইছিলোঁ। প্ৰতি চাহতে মই ভাল ফল পাইছিলোঁ। চাহ দিয়াৰ ওপৰত বহু কথা আছে।

গোস্বামী : সাধাৰণ নাঙলেই ব্যৱহাৰ কৰিছিল ?

বৰঠাকুৰ : সাধাৰণ লাঙলেই। পাছলৈ অৱশ্যে পাৰাৰ টিলাৰ ব্যৱহাৰ কৰিছিলোঁ। মই পাছে পাৰাৰ টিলাৰ





OKDISC

বৰ উন্নত বুলি নাভাবিলোঁ। গৰু-ম'হৰ হালখন সঁচাকৈয়ে ভাল।

চৌধুৰী : উন্নত লোৰ নাঙল ব্যৱহাৰ কৰিছিল নেকি ?

বৰঠাকুৰ : কৰি চাইছিলোঁ। পাছে সেইটো সকলো মাটিৰ কাৰণে ভাল নহয় ; কোনো কোনো মাটিৰ কাৰণেহে ভাল।

চৌধুৰী : কেনেকুৱা মাটিৰ কাৰণে ভাল ?

বৰঠাকুৰ : আলতীয়া মাটিৰ কাৰণে ভাল বুলি ভাবোঁ। কিন্তু বৰ বেছি ভাল বুলিব নোৱাৰোঁ এই কাৰণেই যে ই তলৰ ৰঙা মাটিটো উলিয়াই দিয়ে। মোৰ শিক্ষা কম। নিজেই কৰিহে দেখিছোঁ—আঠ আঙুলৰ বেছি খান্দি বোকা কৰাটো বৰ ভাল কাম নহয়। তলৰ ৰঙামাটি ওলোৱাটো বেয়া।

গোস্বামী : ধান খেতিৰ বাহিৰে আপুনি আৰু কি কি খেতি কৰিছিল ?

বৰঠাকুৰ : বহু খেতি কৰিছোঁ। তাৰ ভিতৰত সৰিয়হ মই কৰোঁৱেই। ঘেঁহু খেতিও কৰিছিলোঁ। পাছে ভাল ফল নাপাই এৰিলোঁ। মোৰ মাটিৰো দোষ আছে। ঘেঁহুৰ কাৰণে পলসুৱা মাটি লাগে। মোৰ মাটি ঘেঁহু কৰিব পৰাকৈ উন্নত কৰিব নোৱাৰিলোঁ।

গোস্বামী : মচুৰৰ খেতি ?

বৰঠাকুৰ : কৰিছোঁ। অসমত মচুৰৰ খেতি বৰ ভাল হয়। এই খেতি আমাৰ কৃষকে কিয় বেছিকৈ নকৰে কব নোৱাৰোঁ।

গোস্বামী : ৰহৰ কৰিছে নে ?

বৰঠাকুৰ : ৰহৰত বৰ পোক লাগে। কৰিলে খুব হয় ; কিন্তু পোক কণ্ট্ৰ'ল কৰা বৰ টান।

গোস্বামী : ছয়াবিন কৰিছে নে ?

বৰঠাকুৰ : কৰিছোঁ - কৰিছোঁ। অসমৰ বাবে ছয়াবিন এটা বৰ ভাল খেতি।

চৌধুৰী : আপোনাৰ মতে ছয়াবিন বাৰিষা ভাল হয়নে খৰালি ?

বৰঠাকুৰ : দুয়োটা সময়তে ভাল হয়। খৰালি পানী দিব লাগে। মই এতিয়াও কৰি আছোঁ।

চৌধুৰী : বাৰু, জালুক, ক'লাজিৰা আদি মছলাজাতীয় খেতিৰ ওপৰত আপোনাৰ মতামত কেনে ?

বৰঠাকুৰ : জালুক খুব ভাল হয়। মই নিজেই কৰোঁ। এলেহুৱা কাৰণেহে অসমীয়া মানুহে জালুকৰ খেতি নকৰে যেন পাওঁ। তামোল আৰু মদাৰ গছত দিবতো পাৰিয়েই, চাং পাতিও দিব পাৰি। অৱশ্যে তিনি চাৰি বছৰৰ পাছত জালুক গছবোৰ ওপৰৰ পৰা ৰঙা পৰি মৰি যায়। কিয় মৰে ইয়াৰ কাৰণ মই উদ্ধাৰন কৰিব নোৱাৰিলোঁ। তামোল গছত মই জালুক আৰু পাণ দুয়োটাই দিওঁ। পাণ বেছি বছৰত চাৰি হাজাৰমান পাওঁ। জালুকৰ খুব ভাল মাৰ্কেট আছে।

চৌধুৰী : ক'লাজিৰা সম্পৰ্কত কি কয় ?

বৰঠাকুৰ : ক'লাজিৰা নিজেই কৰি পোৱা নাই। জিৰা কৰিছোঁ। বৰ সুন্দৰ খেতি হয়।

গোস্বামী : আপুনি বিদেশী ৰাষ্ট্ৰ কেইবাখনলৈকো যোৱা বুলি ক'লে। কোনখন দেশৰ কৃষি পদ্ধতি আপোনাৰ মনঃপূত হ'ল ?

বৰঠাকুৰ : মোৰ ধান খেতিতেই ইণ্টাৰেষ্ট বেছি। মই দেখাৰ ভিতৰত জাপানৰ ধান খেতিৰ পদ্ধতি খুব ভাল।

গোস্বামী : সেই পদ্ধতিৰ কিবা বিশেষত্ব আছে নেকি ?

বৰঠাকুৰ : বিশেষত্ব আছে,—পানীৰ কথাটোত। তেওঁলোকে ধান খেতিত পানী নিয়ন্ত্ৰণ কৰে। যেতিয়াই প্ৰয়োজন হয় পানীৰে পথাৰ পূৰাই দিয়ে আৰু প্ৰয়োজন নহ'লে উলিয়াই দিয়ে।

চৌধুৰী : তেনেহ'লে প্ৰয়োজনৰ সময়তহে পানী পৰিব লাগে ?

বৰঠাকুৰ : হয়। তেওঁলোকে সেই সময় ধৰিব পাৰে। চাই থাকি ফাট মেলা দেখিলে নলাবোৰ খুলি দিয়ে।

চৌধুৰী : ধানৰ গুণাগুণ উন্নত কৰাৰ ক্ষেত্ৰত জাপানে কি প্ৰচেষ্টা হাতত লৈছে ?

বৰঠাকুৰ : ডাঙৰ প্ৰচেষ্টা। ধৰক-চোন এটা চাউলৰ ওজন আমি কেতিয়াবা লওঁ জানো ? কেতিয়াও নলওঁ। তেওঁলোকে কিন্তু লয়। চাউলটোৰ ওজনেই ডাঙৰ কথা। আমাৰ ইয়াত একে জাতৰ কিছুমান চাউলৰ ভাত সলসলীয়া ডাঙৰ হয়, কিছুমান সৰু। তেওঁলোকে সকলো চাউলৰ ওজন একে কৰিবলৈ যত্ন কৰিছে, যাতে ভাতবোৰ সমান জোখৰ হয়। মই তেওঁলোকৰ খেতিৰ পৰা হোৱা চাউল হাতত লৈ চাইছিলোঁ ; সকলো চাউলৰে ওজন সমান। আমাৰ ইয়াত ছটা চাউলৰ ভিতৰত তিনি চাৰিটাৰহে ওজন সমান হয়। জাপানৰ এজন কৃষকে মোক প্ৰশ্ন কৰিছিল, "আপোনালোকে চাউলৰ ওজন বঢ়াবলৈ কি ব্যৱস্থা হাতত লৈছে ?" প্ৰশ্ন শুনি মই থত্ মত্ খালোঁ। পাছত কিছুমান মিছা কথা কবলগীয়া হ'ল। আচলতে আমি কোনো ব্যৱস্থাই হাতত লোৱা নাই।

চৌধুৰী : তেনে ব্যৱস্থা হাতত লোৱাটো আমাৰ ইয়াত সম্ভৱ হয়নে নহয় ?

বৰঠাকুৰ : সম্ভৱ হ'ব, কিয় নহ'ব ? সঁচটো লওঁতে আমি ভাল ধৰণে পৰীক্ষা কৰিব লাগে যাতে এটা বীজো বেয়া নাযায়। মই এই বিষয়ে পঢ়া-শুনা কৰা নাই, নিজৰ অভিজ্ঞতাৰ পৰাহে দেখিছোঁ। এটা কথা লক্ষ্য কৰিছেনে—পথাৰত সকলো ধানগছ সমানে নাবাঢ়ে ? কিছুমান লেংলেঙীয়া ওখ হৈ যায়। পৰীক্ষা কৰিলে দেখিব সেইবোৰত হোৱা গুটি হয় পতান হৈছে নহয় আনবোৰতকৈ বেয়া হৈছে। এইয়া সঁচৰ দোষ। তাহানিখন এইবোৰ পৰীক্ষা কৰি পথাৰত দিনটো বহি থকা দেখি মানুহে মোক বলীয়া হ'লো বুলি ভাবিছিল। বুঢ়া মানুহে দেউতাক কৈছিল—তাৰ মগজৰ দোষ হ'বগৈ ; পথাৰত ঘূৰি ফুৰিবলৈ নিদিব। কিন্তু মোৰ মনটোৱে কৈছিল—যেন দিনটো পথাৰতে থাকিম !

গোস্বামী : আপোনাৰ মাটি কিমান আছে ?

বৰঠাকুৰ : বিছ পুৰামান হ'ব।

গোস্বামী : ঘৰৰ ওচৰতে নে ?

বৰঠাকুৰ : ঘৰৰ ওচৰত দুপুৰামান আছে। বাকীখিনি দূৰত।

গোস্বামী : আপোনাক আন এটা প্ৰশ্ন সোধোঁ। অসমত নৈৰ পাৰৰ যিবোৰ আবাদি মাটি আছে, সেইবোৰৰ উন্নয়নৰ কাৰণে চৰকাৰে চৰ উন্নয়ন নিগমো গঠন কৰিছে। দিনে দিনে অসমত ভূমিৰ কথাটোৱে এক সমস্যা ৰূপে দেখা দিছে। চৰকাৰে লোৱা ব্যৱস্থাৰ ওপৰত কিবা মতামত আছে নেকি ?

বৰঠাকুৰ : মাটি ভেদে উন্নয়নৰ ব্যৱস্থাও বেলেগ হ'ব। মাটিডোখৰ নেদেখাকৈ মতামত দিব নোৱাৰোঁ। কিন্তু মই দেখিছোঁ, চৰকাৰী ফাৰ্মবোৰৰ উন্নতি বিশেষ একো হোৱা নাই। অফিচাৰসকলেও ভালকৈ নাচায়েই নেকি ! উন্নত কৰাত জোৰ দিয়া নাই দেখোন ! সেইবোৰলৈ গলে মোৰ বহুতো কথাই চকুত পৰে। কিন্তু মই বুটিকোৰ ধৰা মানুহ। তেওঁলোকতকৈ মোৰ বিদ্যাবুদ্ধিও কম। সেইকাৰণে ক'বলৈ সংকোচ হয়।

গোস্বামী : আপুনি সাৰ ব্যৱহাৰ কৰে নেকি ?

বৰঠাকুৰ : কৰোঁ। কিন্তু কেমিকেল মেনিঅ'ৰ মই বৰ পছন্দ নকৰোঁ। কেমিকেল মেনিঅ'ৰ দিলে প্ৰতিবছৰে কিছু বেছি বেছিকৈ দি যাব লগা হয়। নহলে ভাল ফল পোৱা নাযায়। এইদৰে প্ৰতিবছৰে বঢ়াই গলে এটা সময়ত বৰ বেছি পৰিমাণৰ দিব লগা হ'বগৈ। এটাইতকৈ ভাল মেনিঅ'ৰ কমপ'ষ্ট। পচন সাৰ।

গোস্বামী : আপুনি পচন সাৰ কেনেকৈ পায় ?

বৰঠাকুৰ : মই নিজেই তৈয়াৰ কৰোঁ। ঘৰতে পচাই থওঁ। গাঁত খান্দি, যিমানবোৰ আৱৰ্জনা গোট খায় তাতে জমা কৰোঁ। গছৰ ডাল-পাতবোৰো দিওঁ। তাত গোবৰো পেলাওঁ, গৰুৰ মূতো দিওঁ।

গোস্বামী : পচন সাৰ কৰিব পৰা এইজাতীয় বস্তু অসমতো বহুত আছে। এইবোৰ সংৰক্ষিত হৈছে জানো ?

বৰঠাকুৰ : ক'ত হৈছে ? একেবাৰে ৰেষ্ট হৈছে, নষ্ট হৈছে। কোনেও এই বিষয়ে চকু দিয়াও দেখা নাই।

গোস্বামী : এইবোৰৰ সংৰক্ষণৰ বাবে কিবা পৰামৰ্শ দিব নেকি ?

বৰঠাকুৰ : ইয়াৰ বাবে আপোনালোকে যদি অলপ প্ৰচাৰ চলায় ভাল ফল হ'ব বুলি ভাবোঁ। মানুহক যদি কয়—আপোনালোকে আৱৰ্জনাবোৰ সিঁচৰতি নকৰি এঠাইতে গাঁত কৰি গোটাওক, ঠাইখনো পৰিষ্কাৰ হ'ব, মাখি-মহৰ উপদ্ৰৱো কমিব, আৰু পথাৰৰ সাৰকণো ওলাব। তেতিয়া বহুতো উপকাৰ হ'ব। একোখন গাঁৱত কমবোৰ আৱৰ্জনা নোলায় !

গোস্বামী : চহৰবো প্ৰতিঘৰ মানুহৰ গোটখোৱা আৱৰ্জনা জমা কৰাৰ ব্যৱস্থা পৌৰসভাবোৰে লব পাৰে। ইয়াৰ ফলত তৈয়াৰ হোৱা পচন সাৰৰ পৰা পৌৰ সভাৰ লাভো হ'ব। চৌধুৰী, আপোনাৰ মনত আছেনে আমি এই সম্পৰ্কত এটা আলোচনা কৰিছিলোঁ ?

চৌধুৰী : কেনেকুৱা ?

গোস্বামী : Community Cow-Shed সম্পৰ্কে। একোখন গাঁৱৰ গৰু-বোৰ একেঠাইতে বন্ধাৰ ব্যৱস্থা কৰিব পাৰিলে গোবৰ আৰু মূত একে ঠাইতে গোট খুৱাব পাৰি।

বৰঠাকুৰ : পাৰিলে অৱশ্যে বেয়া নহয়।

চৌধুৰী : গোবৰ গেছৰ সম্পৰ্কে আপুনি কি কয় ?

বৰঠাকুৰ : গোবৰ গেছ বৰ ভাল বস্তু।

চৌধুৰী : Community Cow-shed অৰ লগত গোবৰ গেছৰ সম্পৰ্ক আছে। ঘৰুৱা প্ৰজ্বালকৰ সমস্যা যি দৰে জটিল হৈ পৰিছে, হয়তো এই বাবেই এসময়ত এক সমূহীয়া ব্যৱস্থা কৰিব লগা হ'ব পাৰে। আপুনি গোবৰ গেছ কৰিছে নেকি ? আপোনাৰ গৰুওতো ভালেমান আছে !

বৰঠাকুৰ : কৰা নাই। বহুতেকৈ আছে। পোন্ধৰ হাজাৰমান টকা খৰছ পৰে বোলে।

গোস্বামী : অসমৰ অৰ্থনীতি কৃষি-ভিত্তিক, নহয় জানো ?

বৰঠাকুৰ : কৃষিয়েইতো অসমৰ জীৱন !

গোস্বামী : এতিয়া আমাৰ নতুন চৰকাৰ হৈছে। ইণ্ডাষ্ট্ৰিয়েলাইজেশ্যনৰ বাবে চৰকাৰে নতুন আঁচনিও লৈছে। কিন্তু বহুত ইণ্ডাষ্ট্ৰিৰ বাবে কেঁচামাল কৃষিৰ পৰাই আহিব লাগিব। যেনে ধৰক পেট্ৰ'কেমিকেলছৰ পৰা সূতা তৈয়াৰ কৰিবলৈ স্বাভাৱিক আঁহ মিহলাব লাগে। এই আঁহৰ বাবে কপাহ অসমত হ'ব পাৰেনে ?

বৰঠাকুৰ : পাৰে। কিন্তু সকলো মাটিতে নহ'ব। ছিলেক্ট কৰি লব লাগিব। মই উপযুক্ত মাটিত কৰি চাইছোঁ। ভাল হয়।

চৌধুৰী : ৰিহা সম্পৰ্কে আপুনি কি কয় ?

বৰঠাকুৰ : ৰিহা মই কৰি চাইছোঁ। অসমত ভাল ৰিহা খেতি হয়।

চৌধুৰী : চৰকাৰে কিন্তু ৰিহাৰ ওপৰত জোৰ দিব খোজা নাই।

বৰঠাকুৰ : অসমত মানুহে ৰিহা কিয় কৰে জানে ? মাছৰ জাল তৈয়াৰ কৰিবলৈ।

চৌধুৰী : নাইলনৰ সূতা ওলোৱাৰ পাছত ৰিহা খেতি কৰিবলৈকো এৰিছে। কিন্তু ৰিহাৰ উদ্যোগিক ভৱিষ্যত আছে।

বৰঠাকুৰ : এৰা, ৰিহাৰ খেতি এৰি দিয়াটো দুখৰ কথা।

চৌধুৰী : ডিব্ৰুগড় আৰু গুৱাহাটীত থকা ৰিহাবাৰী ঠাই কেইখনৰ নাম হেনো ৰিহা খেতিৰপৰাই অহা।

গোস্বামী : ৰিহা খেতিৰপৰাই ৰিহাবাৰী হ'ল। সেই দৰে অন্যান্য খেতিৰ ঐতিহ্যত ঠাইৰ নামৰ লগত সাঙোৰ খাই আছে। সেই ফালৰ





OKDISCD

পৰাই মই এটা কথা সোধোঁ। বিহুৰ কথাকে ধৰকচোন! ধান মুঠি হ'লেই আমাৰ বিহু হয়।

বৰঠাকুৰ : নহলে কিহৰ বিহুটো?

গোস্বামী : মই কব খুজিছোঁ যে ধান মুঠি হ'লেই আমাৰ বিহু হয়। কিন্তু এতিয়া যিবোৰ বিহু পতা হৈছে যেনে ধৰক যোৰহাটতে এইবাৰ পোন্ধৰখনমান বিহু পাতিলে। বহুতো পইচা খৰচ কৰিলে, ভাৰা কৰা গায়কে গীত গাইছে, মঞ্চত জাতীয়-বিজাতীয় নানান গীত-নাচ পৰিবেশন কৰিছে। কিন্তু ধান খেতি কৰা কৃষকৰ এই বিহুৰ লগত কি সম্পৰ্ক?

বৰঠাকুৰ : কৃষকৰ কোনো সম্পৰ্ক নাই। মই এইবোৰ সমৰ্থন নকৰোঁ। তাতকৈ তেওঁলোকে সংঘবদ্ধ হৈ গাঁৱত বিহু পাতকগৈ।

গোস্বামী : সিদিনা এখন কাকতত লিখিছে— চৰ অঞ্চলত বিহু। সেই-খিনি অসমৰ নতুন কৃষক। তেওঁ-লোকে বিহুৰ লগত পৰিচয় হোৱাত আমি বৰ ভাল পাইছোঁ। সেইদৰে বিহুৰ জৰিয়তে ঐক্য গঢ়িব পাৰিলে ভাল। কিন্তু চহৰ অঞ্চলৰ বিহুবোৰ—

বৰঠাকুৰ : মোৰ বোধেৰে এইয়া এলেহুৱা মানুহৰ কাম।

চৌধুৰী : মাঘত ধান চাপে কাৰণে বিহু ভোগালী হয়। কিন্তু বহাগত দেখোন ঘেঁহু চাপে! সেই ফালৰপৰা বহাগ বিহুটোও দেখোন ভোগালী হ'ব পাৰে!

বৰঠাকুৰ : দুয়ো বিধ খেতিৰ ভোগ কৰিব পাৰিলে দুয়োটা বিহু ভোগালী হ'বও পাৰে। কিন্তু মই দেখিছোঁ ঘেঁহু খেতিত চৰকাৰে জোৰ দিব খোজা নাই। এইটো ভুল হৈছে। অসমত ঘেঁহুৰ মাটি বহুতো আছে।

চৌধুৰী : কিন্তু পঞ্জাবত এতিয়া ধানত জোৰ দিয়া হৈছে।

বৰঠাকুৰ : প্ৰয়োজন হৈছে। তাত মানুহে এতিয়া ভাত খাবলৈ লৈছে।

চৌধুৰী : পঞ্জাবত বাহী হোৱা চাউল ভাৰতৰ আন ঠাইলৈকো গৈছে।

বৰঠাকুৰ : হয় হয়; অসমত ধান খেতিও আশানুৰূপ হোৱা নাই। ধানৰ গুটিৰ ওজন বঢ়োৱা, উৎপাদন বেছি কৰা এইবোৰ কথা ভালকৈ চিন্তা কৰি চাব লাগে। মোটা চাউলৰ মাৰ্কেট কিছু কম। ইয়াৰ উপৰি ছেণ্টেড ৰাইছ— মানে জহা ধানৰ খেতি অসমত কমি গৈছে। মই নিজে ছয়-সাত পুৰা মাটিত জহা খেতি কৰোঁ।

চৌধুৰী : বৰা চকোৱা সম্পৰ্কে কি কিয়?

বৰঠাকুৰ : সেইটো প্ৰধান ফুডৰ ভিতৰত নপৰেতো!

চৌধুৰী : হয়, ছাব্‌ছিডিয়েৰি ফুড। বাৰু, অভিজ্ঞ কৃষক হিচাপে ওচৰৰ কৃষকে আপোনাৰ পৰামৰ্শ লয়নে? আপোনাৰ কৃষি সম্পৰ্কীয় উন্নত চিন্তা সম্প্ৰসাৰিত হৈছে নে?

বৰঠাকুৰ : বুঢ়াবোৰে পুৰণি মান্ধাতা-যুগৰ ব্যৱস্থাৰে চলিয়েই ভাল পায়। এতিয়া ডেকা লৰাবোৰ আছে। পৰামৰ্শ কৰে; ময়ো তেওঁলোকৰ খেতি চাবলৈ যাওঁ। আগৰ দিনত এটা ডাঙৰ ভুল আছিল ৰোৱাত। দহ-বাৰডাল কঠীয়া গোচা কৰি পুতিছিল। কিন্তু মই দেখিলোঁ তিনিডালকৈ দহ ইঞ্চি দূৰে দূৰে পুতিলে ভাল ফল পোৱা যায়। দহ-বাৰডাল একে লগে পুতিলে গোচা মেলিবলৈ ঠায়েই নাথাকে। মোৰ পৰামৰ্শ গ্ৰহণ কৰি আমাৰ অঞ্চলৰ খেতিয়কে সেইদৰেই কৰিবলৈ লৈছে।

গোস্বামী : কিমান দকৈ পুতিলে ভাল ফল পোৱা যায়?

বৰঠাকুৰ : তিনি আঙুল। ৰোৱণী বোৰ পাকৈত। ঠিক তিনি আঙুল যায়।

গোস্বামী : ভাৰত চৰকাৰে আপো-নাক কৃষি পণ্ডিত উপাধি দিছে নেকি?

বৰঠাকুৰ : মিছাকথা। মোক দিলেও গ্ৰহণ কৰিবলৈ ভাবিব লাগিব। মোক মুক্তিযোদ্ধাৰ পেনছন যাচিছিল; পাছে মই নললোঁ। কলোঁ, মোক নালাগে। যি দিয়ে সকলো কৃষককে দিয়ক। কৃষকসকলতকৈ দেশত কোনেও ভাল কাম কৰা নাই।


চৌধুৰী : কৃষি কৰা ভাল কৰ্মী অসমত আছে। অসমত খেতিৰ অধিক উন্নতি কৰিবলৈ আপুনি কিছু পৰামৰ্শ দিয়কচোন!



গোহালিৰ গৰুৰ লগত




ইয়াৰ দ্বাৰাই আপোনাৰ ঘৰৰ পঁইতাচোৰা আৰু মহবোৰক সঁকিয়াই দিয়া হ'ল যে বেগন স্প্ৰে কিন্তু এতিয়া ২৫০ মি. লিটাৰৰ সৰু পেকতো পোৱা যায়।






পঁইতাচোৰা, উৰহ আৰু মহৰ পৰা আপোনাৰ ঘৰখন ৰক্ষা কৰাৰ আটাইতকৈ ফলদায়ক উপায়টো হ'ল বেগন স্প্ৰে। আৰু এতিয়া ই আপোনাৰেই ২৫০ মি. লিটাৰৰ নতুন পেকত।

ৰান্ধনিঘৰত বেগন সপ্তাহত এবাৰকৈ স্প্ৰে কৰক।

অৱশ্যে কিছুমান ঠাইত যেনে কাঁহীবাটি ধোৱাঠাই, জাবৰ পেলোৱা বাকচ আৰু পানী ওলাই যোৱা নৰ্দ্দমা আদিত সদায় স্প্ৰে কৰা উচিত।

আৰু আপুনি দেখিব যে পঁইতাচোৰা থকা আৰু বংশবৃদ্ধি কৰা ঠাইবোৰ সিহঁতৰ বাবে চিৰদিনলৈ বন্ধ হৈ গৈছে।

বেগন মহনিবাৰক হিচাবেও সমানে ফলদায়ক।

সিহঁতৰ পৰা হাত সৰাৰ উত্তম উপায় হৈছে, আপোনাৰ শোৱনিকোঠা আৰু জিৰণিচ'ৰাত বেলি পৰাৰ পাচতেই স্প্ৰে কৰা আৰু খীড়কি দুৱাৰ ১০-১৫ মিনিট বন্ধ কৰি ৰখা।

নিয়মিত বেগন ব্যৱহাৰ কৰা লোক এখন কীটমুক্ত ঘৰত বাস কৰে।

সেয়েহে যদি আপুনি এতিয়ালৈকে বেগন ব্যৱহাৰ কৰা নাই আমাৰ পৰামৰ্শ হ'ল, ২৫০ মি. লিটাৰৰ পেকেৰে চেষ্টা কৰি চাওক।

পাচত যাতে এইটো অভিযোগ নাহে যে আপোনাৰ ঘৰৰ কীটবোৰক আগতেই সঠিকভাৱে সতৰ্ক কৰা নহ'ল!

BAYER বেগন স্প্ৰে

Trikaya. BS. 3.87. ASM

বৰঠাকুৰ : যদি এইকথাটো গুৰুত্ব সহকাৰে বিবেচনা কৰা যায় তেনেহলে আমাৰ পৰিশ্ৰমৰ মাত্ৰা কিছু বঢ়াব লাগিব। মই ভাৰতৰ অনেক ঠাই ঘুৰিলোঁ। পঞ্জাবত দেখিলো। তিনিশ পয়ষষ্ঠী দিনৰ ভিতৰত তিনিশ দিনেই খেতিয়কে পৰিশ্ৰম কৰে। অসমত কিমান দিন কৰে জানে নে? এশ একত্ৰিছ দিন। অসমীয়া মানুহৰ উৎসৱ পাৰ্বন, বিয়া-সবাহ, হালখতি আদি বেছি। এই গড় হিচাপ মই নিজে উলিউৱা। দুই-এদিন হয়তো কম-বেছি হ'ব পাৰে।

চৌধুৰী : আন ৰাজ্যত এই হিচাপ কেনেকুৱা?

বৰঠাকুৰ : বিহাৰ-উত্তৰ প্ৰদেশত দুশ আশী দিনমান হ'ব। দুশ দিনৰ কম আনবোৰ ৰাজ্যত নোলাব যেন পাওঁ।

চৌধুৰী : তেনেহলে পৰিশ্ৰম বঢ়াব লাগিব। দ্বিতীয়তে কি হ'ব পাৰে?

বৰঠাকুৰ : পৰিকল্পনা। কৃষিৰ ক্ষেত্ৰত আমাৰ কোনো পৰিকল্পনা নাই। সেইটো অতি দৰকাৰী। চৰকাৰৰ ফালৰ পৰাও কোনো উদ্‌গনি নাই। কেৱল বক্তৃতা আৰু কাগজে-পত্ৰই আহ্বান জনালেই নহয়। কৃষকসকলে নিজৰ ভাগে যেনে ধৰণে ভাল দেখিছে সেই ধৰণেই কৰিছে। কোনোবাই খেতি নকৰাকৈ যদি মাটি চন পেলাইছে তেওঁকো কোনেও চন পেলোৱাৰ কাৰণ সোধা নাই। আন ঠাইত হ'লে মাটি চন পেলোৱাটো ডাঙৰ কথা। মাটিৰ এটা উৎপাদিকা শক্তি আছে। চন পেলালে সেই শক্তিৰ অপচয় হয়। ই অপচয়। পৰিকল্পিত কৃষি বৰ আৱশ্যকীয় কথা।

গোস্বামী : বাৰু পঞ্চায়তৰ যি ব্যৱস্থা আছে তাৰ জৰিয়তে কিবা উন্নতি কৰিব পৰা যাব নেকি?

বৰঠাকুৰ : বৰ্তমানৰ পঞ্চায়ত ব্যৱস্থাৰে কিবা উন্নতি হ'ব বুলি মই নাভাবোঁ। সৎ মানুহনো কেইজন আছে। কেৱল ব্যক্তিগত মুনাফা আৰু সুবিধা লাভ কৰাই বৰ্তমানৰ পঞ্চায়তকৰ্মীৰ উদ্দেশ্য। মই পঞ্চায়ত ব্যৱস্থা বা পঞ্চায়তী আইনৰ বিষয়ে একো কব খোজা নাই। কিন্তু পঞ্চায়তবোৰৰ পৰিচালনাত নানান বেমেজালি। পঞ্চায়তৰ ক্ষমতা প্ৰকৃত কৃষকৰ হাতলৈ অহা নাই, অহাৰ সম্ভাৱনাও নাই।

চৌধুৰী : তেনেহলে সৎ মানুহ হ'লে পঞ্চায়তৰ দ্বাৰা কাম কৰিব পৰা যায়।

বৰঠাকুৰ : সৎ মানুহ হ'লে বহুতো কামেই কৰিব পৰা যায়।

গোস্বামী : মই এই প্ৰশ্নটো কৰাৰ উদ্দেশ্য হৈছে—অসমৰ গাঁওবোৰত মাটিৰ মালিকীস্বত্বৰ ক্ষেত্ৰত বিসমতা আছে। গতিকে আপোনাৰ পৰামৰ্শ অনুসৰি পৰিকল্পিত কৃষি কৰিব লগা হ'লে নানান বাধা আহি পৰে। যদি পঞ্চায়তত উপযুক্ত আইনৰ ব্যৱস্থা হয়, তেনেহ'লে সমবায়, যৌথ পাম আদিৰ দ্বাৰা ধনী-দুখীয়াৰ ব্যৱধান বহুখিনি হ্ৰাস কৰিব পৰা যায় নেকি? সমূহীয়া পানীযোগানৰ ব্যৱস্থাও সম্ভৱপৰ নহ'ব জানো?

বৰঠাকুৰ : সহযোগিতাৰ পৰিবেশ গঢ়ি তুলিব পাৰিলে নোৱৰাৰ কোনো কাৰণ নাই।

গোস্বামী : অসমত আগেয়ে এনে ব্যৱস্থাও আছিল— অক্ষম বা অসহায় মানুহৰ মাটিত ৰাইজে খেতি কৰি দিছিল। ঘৰৰ চাল চাব লগা হ'লেও ৰাইজেই চাই দিছিল।

বৰঠাকুৰ : সেইবোৰ এতিয়া নোহোৱা হ'ল।

গোস্বামী : নোহোৱা হোৱাৰ কাৰণ কি বুলি ভাবে?

বৰঠাকুৰ : মানুহ অধিক ব্যক্তিকেন্দ্ৰিক হ'ল।

গোস্বামী : ইয়াৰ বাবে দায়ী কোন?

বৰঠাকুৰ : সমাজ, চৰকাৰ—

গোস্বামী : চৰকাৰ মানে ৰাজনীতি, নহয় জানো?

বৰঠাকুৰ : হয় হয়, ৰাজনীতি।

গোস্বামী : বাৰু, অসমত আৰু ভাৰতত ইমান দিন কংগ্ৰেছী শাসনেই চলিল। কংগ্ৰেছৰ গুৰিয়াল আছিল গান্ধীজী। এওঁৰ আদৰ্শ পঞ্চায়তী ৰাজ, সমবায় ইত্যাদি। কিন্তু তেওঁৰ শিষ্যসকলে শাসনভাৰ লোৱাৰ পাছত ইয়াৰ কোনোটোৰে সফল ৰূপায়ণ কৰিব নোৱাৰিলে। কাৰণ কি বাৰু?

বৰঠাকুৰ : স্বাৰ্থপৰতা। সকলোৱেই যদি স্বাৰ্থপৰ হয় তেনেহ'লে আনৰ কাৰণে ভাবিব কোনে? এঘৰে ৰজাৰ খাৱনে খায়, ওচৰৰ ঘৰৰ খাবলৈ নাই। স্বাৰ্থপৰ মানুহে নীতি-নিয়ম, আইন-কানুন উলংঘা কৰিবলৈকো ভয় নাখায়।

চৌধুৰী : আৰু এটা প্ৰশ্ন আছিল; —আপুনি কেইবছৰমান আগতে ধানখেতি নামেৰে এখন ভাল কিতাপ লিখিছিল। কিতাপখনে সমাদৰো পাইছে। আন কিবা কিতাপ লিখিছে নেকি?

বৰঠাকুৰ : নাই লিখা। কিছুদিনৰ পৰা বায়ুৰ অসুখত ভুগিছোঁ। লিখিব নোৱৰা হলোঁ। 'ধানখেতি'খন আপোনালোকে কেনে পালে?

চৌধুৰী : আমি বৰ ভাল পাইছোঁ। ইয়াত আপোনাৰ অভিজ্ঞতা, বৈজ্ঞানিক তথ্য আৰু আপোনাৰ গৱেষণাৰ ফল সন্নিবিষ্ট হৈছে। খেতিয়কে শিকিব লগীয়া বহুত কথা ইয়াত আছে।

বৰঠাকুৰ : শুনি সন্তোষ পালোঁ।

চৌধুৰী : নিজেই লিখিব নোৱাৰিলে আপুনি কৈ যোৱা কথাবোৰ কোনোবাই লিখি ৰাখিলেও এসময়ত বৰ উপকাৰত আহিব।

বৰঠাকুৰ : আপোনাৰ উপদেশ মনত ৰাখিম বাৰু।

চৌধুৰী : বৰঠাকুৰদেৱ! আপোনাক লগ পাই বৰ ভাল লাগিল। চাৰিওফালে সকলোতে ভেজাল হ'ল, মানুহৰ কথাতো ভেজাল। এনে অৱস্থাত কৃষি আৰু পশুপালনৰ যোগেদি পোৱা খাটি বস্তুখিনিয়ে উঠি অহা চামক সহায় কৰিব পাৰে।

বৰঠাকুৰ : হয়, সকলোতে ভেজাল হ'ল। পাছে দুটি বস্তু এতিয়াও ভেজাল হোৱা নাই।

গোস্বামী : কি সেই দুটা?

বৰঠাকুৰ : মাকৰ স্তনৰ পৰা ওলোৱা গাখীৰ টোপাত ভেজাল নাই আৰু সন্তানক উপযুক্তভাৱে খাবলৈ দিব নোৱাৰি মাক-বাপেকৰ চকুৰ পৰা ওলোৱা পানী টোপাত ভেজাল নাই।



# মৃত্যুৰ মুখত অসমৰ হাতীদাঁত শিল্প

গণেশ দাস

বৃটিছৰ ৰাজত্ব কালত দেশ-বিদেশৰ মানুহৰ মাজতো বিশেষ সমাদৰ লাভ কৰা অসমৰ হাতীদাঁত শিল্পটো স্বাধীনোত্তৰ কালৰ জাতীয় চৰকাৰৰ দিনত মৰণমুখী হয়। অসমৰ হাতীদাঁত শিল্প একমাত্ৰ বৰপেটা চহৰতে কেন্দ্ৰীভূত। ভাৰতে স্বাধীনতা লাভ কৰাৰ আগে-পাছে যেতিয়া হাতীদাঁত শিল্পৰ বাবে আৱশ্যক হোৱা কেঁচামাল— হাতীদাঁতৰ অভাৱ নাছিল, তেতিয়া এই-ঘৰুৱা হাতৰ শিল্পই ঠন ধৰি উঠিছিল। ছয়-সাতখন হাতীদাঁতৰ শিল্পানুষ্ঠানত তেতিয়া দিনে-নিশাই হাতীদাঁত-শিল্পীয়ে হাতী-দাঁতৰ ফণি, ম'হৰ শিঙৰ জ'ট ভঙা, চুৰি কটাৰীৰ নাল আদি ঘৰুৱা লাগতিয়াল বয়-বস্তুৰ পৰা আৰম্ভ কৰি চৌখিন শিল্প-কলা-সন্মত সুন্দৰ সুন্দৰ পুতলা, কাণত পিন্ধা টপ্, আঙঠি, হাত-পেৰা, খাৰু, চুলিৰ কাটা, গলত পিন্ধা, হাৰ, লাখুটি আদি বিবিধ দ্ৰব্য তৈয়াৰ কৰি তাৰপৰা প্ৰতি বছৰে কম পৰিমাণে হ'লেও বৈদেশিক মুদ্ৰা উপাৰ্জনত দেশক সহায় কৰিছিল। উন্নত আধুনিক যন্ত্ৰ-পাতি, অস্ত্ৰ-শস্ত্ৰৰ সহায় নোলোৱাকৈয়ে সুনিপুণ হাতীদাঁতৰ কাৰিকৰ ভগবান দাস, জগন্নাথ দাস আদিয়ে হাতীদাঁত কাটি তৈয়াৰ কৰা "সাৰথি শ্ৰীকৃষ্ণৰ সৈতে ৰথত উঠি অৰ্জুনে যুদ্ধ ক্ষেত্ৰত অৱতীৰ্ণ হোৱা" মনোৰম দৃশ্য, শিশু শ্ৰীকৃষ্ণই লৱণু-চুৰ কৰা দৃশ্য, ভগবান বুদ্ধ, তাজমহল, জীৱ-জন্তু, চৰাই-চিৰিকতি, ব্যৱহাৰ্য চৌখিন সামগ্ৰী আৰু অলংকাৰেৰে আলমাৰী পৰিপূৰ্ণ হৈ থকা "আসাম আইভ'ৰি ৱৰ্কছ" আৰু "ৰাধানাথ আইভ'ৰি আৰ্ট হাউছ" নামৰ হাতীদাঁতৰ শিল্প-কেন্দ্ৰ দুটাই সৌ-সিদিনালৈকে স্থানীয় ৰাইজ আৰু পৰ্যটকক সংগ্ৰহালয়ে কৰাৰ নিচিনা আকৰ্ষণ কৰিছিল। বৰপেটাৰ হাতীদাঁত শিল্পৰ পিতৃ-স্বৰূপ আত্মাৰাম নামৰ সুনিপুণ শিল্পী এজনে আজিৰপৰা প্ৰায় ডেৰশ বছৰ পূৰ্বে হাতীদাঁত শিল্প-কলাৰ মাজেৰে ব্যৱসায়ৰ পথ প্ৰদৰ্শন কৰি থৈ যায়। তেওঁৰে শিষ্য সুনিপুণ শিল্পী ৰাধা নাথ দাসৰ বংশধৰ জগন্নাথ দাস (মিস্ত্ৰী) আৰু ভগবান দাসে হাতী-দাঁতৰ শিল্প কেন্দ্ৰ প্ৰতিষ্ঠা কৰি এইবিধ ক্ষুদ্ৰ শিল্পৰ যোগেদি পিছপৰা অসম-ৰাজ্যৰ হস্ত-শিল্প-নৈপুণ্য সম্বন্ধে দেশৰ বিভিন্ন প্ৰান্তৰ ৰাইজৰ উচ্চ প্ৰশংসা আদায় কৰে। লগতে একমাত্ৰ বৰপেটাত থকা হাতীদাঁত-শিল্পই অসমৰ মান বৃদ্ধিত সহায় কৰে। অৰ্কল সেয়ে



*অসম চৰকাৰৰ হাতত বৰ্তমান প্ৰায় তিনি হাজাৰ কে. জি. হাতীদাঁত আছে। ইমান পৰিমাণৰ হাতীদাঁত থকা সত্ত্বেও অসমৰ প্ৰকৃত থলুৱা শিল্পীৰ দুটা মাত্ৰ শিল্প প্ৰতিষ্ঠানক বছৰি দহ-পোন্ধৰ কেজিকৈ হাতীদাঁত যোগান ধৰাটো কোনো দোষণীয় কাম হ'ব নোৱাৰে।*



OKDISCD

নহয়, সেই ক্ষুদ্ৰ-শিল্পক জীৱিকা উপাৰ্জনৰ প্ৰধান আহিলা হিচাপে গ্ৰহণ কৰা জগন্নাথ মিস্ত্ৰী, ভগবান মিস্ত্ৰীৰ উপৰিও কৰুণাকান্ত দাস, শ্ৰীনৰহৰি দাস আদিয়ে হাতীদাঁতৰ কামৰ যোগেদি যে স্বচ্ছন্দভাৱে চলিব পাৰি তাৰ নমুনা দাঙি ধৰিছিল। ৰজা-মহাৰাজৰপৰা আৰম্ভ কৰি বৃটিছ চৰকাৰৰ বৰ-বিষয়া, জাতীয় চৰকাৰৰ প্ৰধানমন্ত্ৰী, মুখ্যমন্ত্ৰী আৰু অসংখ্য সামাজিক-সাংস্কৃতিক অনুষ্ঠানৰপৰা অলেখ প্ৰশংসা-পত্ৰ বৰপেটাৰ হাতীদাঁত শিল্পীসকলে পাইছিল। কেইবছৰমান আগতে মৃত্যু হোৱা ভগবান মিস্ত্ৰীয়ে সযতনে সংগ্ৰহ কৰি ফাইলৰ মাজত ৰখা শতাধিক তেনে প্ৰশংসা-প্ৰত্ৰৰ মাজত প্ৰয়াত প্ৰধান মন্ত্ৰী জৱাহৰলাল নেহৰুৰ প্ৰশংসা সম্বলিত অসম-ৰাজ্যিক চৰকাৰে মিস্ত্ৰী গৰাকীলৈ পঠোৱা এখন চিঠিও আছিল। ১৯৫৬ চনত তেতিয়াৰ ভাৰতৰ প্ৰধান মন্ত্ৰী জৱাহৰলাল নেহৰু অসমলৈ আহোঁতে অসম চৰকাৰৰ ফালৰপৰা মানপত্ৰ স্বৰূপে তেখেতলৈ বৰপেটাৰ হাতীদাঁত শিল্পীয়ে হাতে সজা হাতীদাঁতৰ লাখুটি এডাল আগবঢ়ায়। প্ৰধানমন্ত্ৰী নেহৰুৱে সেইডাল অতি সুন্দৰ বুলি প্ৰসংশা কৰিছিল। হাতীদাঁতৰ অভাৱ নথকা অসম-ৰাজ্যত হাতীদাঁত শিল্পক প্ৰকৃত উদ্যোগ হিচাপে গঢ়ি তোলাৰ বাবে ৰাজ্য চৰকাৰক মনোযোগ দিবলৈ পৰামৰ্শ দি তেখেত তেতিয়াৰ অসমৰ মুখ্যমন্ত্ৰী বিষ্ণুৰাম মেধিলৈ এখন চিঠি পঠায়। মুখ্যমন্ত্ৰী মেধিয়ে তেতিয়াই প্ৰধানমন্ত্ৰীৰ পৰামৰ্শৰ আঁত ধৰি ৰাজ্য চৰকাৰৰ সংশ্লিষ্ট মন্ত্ৰী, বন বিভাগ আৰু উদ্যোগ বিভাগৰ বৰমূৰীয়ালৈ হাতীদাঁত শিল্পৰ উৎকৰ্ষ সাধনৰ বাবে চৰকাৰী উৎসাহৰ আৱশ্যকতাৰ ওপৰত গুৰুত্ব দি এখন চাকুলাৰ জাৰি কৰে। তাত উল্লেখ কৰে: "The Prime Minister is under the impression that we got several mounds of tusk every year, but we have no ivory industry. The people of the type (artisans of ivory-works) need encouragement by all possible ways and must have working capital..."

কিন্তু আমোলাতন্ত্ৰৰ প্ৰাধান্যত চলা অসম চৰকাৰৰপৰা অসমৰ হাতীদাঁত শিল্পই উৎসাহ-উদ্দীপনা নাপালে। আইন-কানুনৰ নানান মেৰপাক উলিয়াই হাতীদাঁত শিল্পৰ বাবে বছৰি যি পোন্ধৰ-বিছ মোন হাতীদাঁতৰ আৱশ্যক আছিল, সেইখিনিকো যোগান পোৱাৰ পৰা শিল্পানুষ্ঠানবোৰক বঞ্চিত কৰা হয়। "কিঞ্চিৎ কৰি বঞ্চিৎ নকৰা" নীতিৰে বন বিভাগে ১৯৭৮ চনলৈকে মাজে সময়ে দুই-চাৰি কেজিকৈ হাতীদাঁতৰ যোগান দিছিল যদিও সেইখিনি হাতীদাঁত শিল্প প্ৰতিষ্ঠান এখন বৰ্তি থকাৰ জোখাৰে নাছিল। সেইখিনি বিতৰণৰ ক্ষেত্ৰতো বন-বিভাগৰ দুৰ্নীতিৰ স্বৰূপ প্ৰকাশ পাইছিল। প্ৰথমতে, ইয়াৰ ব্যৱসায়ীয়ে নীলাম ডাকত ফেৰ মাৰিব নোৱৰা বুলি চেলু উলিয়াই ৰাজ্যৰ বাহিৰৰ ব্যৱসায়ীৰ লগত লেটিপেটি কৰি পিছ দুৱাৰেদি হাতীদাঁত বাহিৰলৈ পঠাই অসমীয়া শিল্পীক বঞ্চিত কৰা হৈছিল। দ্বিতীয়তে, বাধ্যত পৰি অসমীয়া শিল্পীৰ মাজত যি সামান্য পৰিমাণৰ হাতীদাঁত বিতৰণ কৰা হৈছিল, তাৰো চান কাঢ়ি ফাঁচীবজাৰৰ বেনামী হাতীদাঁত শিল্পৰ ফাৰ্মক ভাগ দিয়া হৈছিল। লেখকৰ দ্বাৰা পৰিবেশিত বেনামী হাতীদাঁত-শিল্প প্ৰতিষ্ঠানক লৈ বন-বিভাগৰ বিষয়াই চলোৱা দুৰ্নীতিৰ বাতৰি, আৰু গড়ৰ খড়্গৰ বিদেশত ব্যৱসায়ৰ গোপন ষড়যন্ত্ৰৰ বাতৰি "দৈনিক অসম" কাকতত ১৯৭৮ চনত প্ৰকাশ পায়। তেতিয়াৰ পৰাই দুয়োবিধৰ চৰকাৰী বেপাৰ বন্ধ হয়। গোপন ব্যৱসায় বন্ধ হ'ল যদিও অসমৰ হাতীদাঁতৰ শিল্পীয়ে সেই বছৰৰ পৰাই শিল্পটো জীয়াই ৰাখিবলৈ এতোলাও হাতীদাঁত বনবিভাগে যোগান নধৰা হ'ল।

প্ৰসংগক্ৰমে, এই বছৰৰ দুই ছেপ্টেম্বৰ তাৰিখে অসমৰ মুখ্যমন্ত্ৰী শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্তৰ সভাপতিত্বত হোৱা অসম ৰাজ্যিক বন্য-প্ৰাণী উপদেষ্টা পৰিষদৰ সভাত হাতীদাঁতৰ কথাটো উত্থাপিত হোৱাটো উল্লেখযোগ্য। শিল্পীক হাতীদাঁত যোগান ধৰাত কি বাধা আছে বুলি সদস্যই সোধাত বিভাগীয় বিষয়াই জনায় যে বিপন্ন জীৱ-জন্তুৰ অংগ-প্ৰত্যংগৰ "ব্যৱসায়" ৰাষ্ট্ৰই বন্ধ কৰিছে। দ্বিতীয়তে জনায় যে দক্ষিণ ভাৰতৰ দৰে বৰপেটাৰ হাতীদাঁতৰ শিল্প সম্ভাৰ চিকুণ নহয়। এনে যুক্তিৰেই যে চৰকাৰক বুজনি দি ৰাজ্যৰ আমোলা-বিষয়া সকলে অসমৰ এক সুন্দৰ শিল্প উদ্যোগক মৰণমুখী কৰিছে তাত সন্দেহ নাই। একেজন বিষয়াই দক্ষিণ ভাৰতৰ হাতীদাঁত শিল্প আফ্ৰিকাৰ পৰা আমদানি কৰা হাতীদাঁতেৰে সমৃদ্ধ হৈ আছে বুলিও পৰিষদক জনায়। বিষয়াৰ পৰস্পৰ বিৰোধী কথাৰ পৰাই বিভাগটোৰ হাতীদাঁত শিল্পৰ প্ৰতি থকা সহানুভূতিহীন মনোভাব প্ৰকাশ পায়। দক্ষিণ ভাৰতৰ বিশেষকৈ কেৰালা, কৰ্ণাটক আদিৰ হাতীদাঁতৰ শিল্প উদোগসমূহে নিজ ৰাজ্য চৰকাৰৰ পৰা বছৰি হাতীদাঁতৰ নিৰ্দিষ্ট ক'টা লাভ কৰা বুলি এই বছৰতে সেই অঞ্চল ভ্ৰমণ কৰা কালত তাৰ শিল্পীয়ে আমাক জনায়। হাতীকে ধৰি বিশ্বৰ বিপন্ন বন্য-প্ৰাণীৰ অংগ-প্ৰত্যংগৰ ব্যৱসায় নিষিদ্ধ কৰাৰ সিদ্ধান্ত আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত গ্ৰহণ কৰা হয়। চুইজাৰলেণ্ডত ১৯৮০ চনত অনুষ্ঠিত Convention in Trade of Endangered Species-অত (সংক্ষেপে-CITES) উক্ত সিদ্ধান্ত গ্ৰহণ কৰাৰ পাছত অইন ৰাষ্ট্ৰৰ লগতে ভাৰতেও সেই নীতি মানি লয়। কিন্তু সেই নীতিয়ে এই কথাও কোৱা নাই যে থলুৱা বনজ সম্পদৰ ভিত্তিত গঢ় লৈ উঠা থলুৱা ক্ষুদ্ৰ শিল্পক বঞ্চিত কৰিব লাগে। যদি ট্ৰেড বা ব্যৱসায় বন্ধই কৰা হৈছে, তেন্তে এই একেখন ভাৰত ৰাষ্ট্ৰৰ দক্ষিণৰ ৰাজ্যই দেশতেই হওক বা বিদেশৰ পৰাই হওক, হাতীদাঁত ক্ৰয় কৰাটো 'ট্ৰেড'ৰ ভিতৰত নপৰে নে? তদুপৰি বৰপেটাৰ হাতীদাঁত শিল্প সামগ্ৰীয়ে দক্ষিণৰ

প্ৰখ্যাত হাতীদাঁত শিল্পী জগন্নাথ মিস্ত্ৰীৰ "ৰাধানাথ আইভ'ৰি আৰ্ট হাউছ"ত শিল্পী শৈলেন দাসে হাতীদাঁতৰ কাম-বনৰ পৰিবৰ্তে সিংহাসন সাজি হাতীদাঁত শিল্প প্ৰতিষ্ঠানৰ স্মৃতি ৰক্ষা কৰি আছে



## চৰকাৰৰ হাতত হাতীদাঁত ত্ৰিছ কুইণ্টল আছে

১৯৭৮ চনৰ আগলৈকে আগৰ চৰকাৰৰ দিনত দুই নম্বৰী ব্যৱসায়ত সিদ্ধহস্ত এচাম ব্যৱসায়ীয়ে চৰকাৰৰ দুৰ্নীতি পৰায়ণ আমোলা-বিষয়াৰ সহযোগত ষড়যন্ত্ৰমূলকভাৱে নীলামত কিনি অসমৰ গড়ৰ খড়্গ, আৰু হাতীদাঁত বাহিৰলৈ চালান দি প্ৰভূত পৰিমাণে ধন ঘটিছিল। এই ব্যৱসায়িক চক্ৰটোৰ অধিকাংশ লোকেই অনা-অসমীয়া। তেওঁলোকে অসমীয়া দালালৰ সহযোগত উক্ত কাৰবাৰ চলাইছিল। সেই ব্যৱসায়ৰ জুতি এতিয়াও পাহৰিব নোৱৰা দালাল-ব্যৱসায়ী আমোলা বিষয়াৰ চক্ৰটোৱে হাতীদাঁত, গড়ৰ খড়্গ সৰকোৱাৰ সুৰুঙা বিচাৰি আছে। অসম চৰকাৰৰ তত্ত্বাৱধানত ক'ত, কিমান হাতীদাঁত, গড়ৰ খড়্গ আছে সেই তথ্যপাতি উক্ত ব্যৱসায়ীৰ নখ-দৰ্পণত। প্ৰভাৱশালী এই ব্যৱসায়ীচামৰ দিল্লীতো প্ৰভাৱ আছে। সেয়েহে নতুন অ.গ.প. চৰকাৰক বলাব নোৱাৰিব বুলি ভাবি এতিয়া তেওঁলোকে অসম চৰকাৰৰ নিজৰ হাতীদাঁত আৰু গড়ৰ খড়্গখিনি দিল্লীলৈ নিওৱাৰ ফান্দ পাতিছে। সদ্যহতে কেন্দ্ৰই মুখে-মুখে গঁড়ৰ খড়্গ খিনিৰ তাগিদা দিয়া বুলি অসম চৰকাৰৰ কাণ চোৱাইছে। জানিব পৰা মতে লিখিতভাৱে কেন্দ্ৰই এই দাবী কৰা নাই। প্ৰকৃতাৰ্থত যিহেতু অসমৰ বনজ সম্পদ অসম চৰকাৰৰ কৰ্তৃত্বাধীন, সেয়েহে কেন্দ্ৰই উক্ত সম্পদখিনি ৰাজ্য চৰকাৰৰ পৰা বিচৰাৰ নৈতিক অধিকাৰ নাই। এই ক্ষেত্ৰত অ. গ. প. চৰকাৰে দৃঢ়তা অৱলম্বন কৰিব বুলি আশা কৰিছোঁ।

অসম চৰকাৰৰ জিম্মাত ১৯৮৬ চনৰ ৩১ ডিচেম্বৰলৈকে জমা থকা হাতীদাঁতৰ এটা থূলমূল হিচাপ পোৱা গৈছে:

| ঠাই | | হাতীদাঁতৰ সংখ্যা | ওজন (কেজি) |
|---|---|---|---|
| ১। | পূব অসম বন্য-প্ৰাণী সংমণ্ডল | ১০৭ | ৪৬০.৯৮২ |
| ২। | ডিগবৈ সংমণ্ডল | ১৪ | ১১৩.৭০০ |
| ৩। | দৰং পশ্চিম সংমণ্ডল | ৯ | ১১৫.৯৩১ |
| ৪। | কামৰূপ পূব সংমণ্ডল | ১৫৫ | ৯৮৫.৫১৪ |
| ৫। | আই ভেলি সংমণ্ডল | ৪ | ৩৮.৭৫০ |
| ৬। | অসম ৰাজ্যিক চিৰিয়াখানা | ৩ | ১৯.৮৯৫ |
| ৭। | পশ্চিম অসম বন্য-প্ৰাণী সংমণ্ডল | ৪ | ২১.৮০০ |
| ৮। | পূব দৰং সংমণ্ডল | ৫ | ৫৮.৮০০ |
| ৯। | পূব কাৰ্বি আংলং | ৫ | ৭.৬১০ |
| ১০। | শিৱসাগৰ | ৪ | ৩.৫৪০ |
| ১১। | গোলাঘাট | ১২ | ৪২.৯২৫ |
| ১২। | লক্ষীমপুৰ | ১৩ ডোখৰ | ৪.০০০ |
| ১৩। | ডিব্ৰুগড় | ৫ | ৫৮.১০০ |
| ১৪। | হল্টুগাঁও | ২৩ | ১৯৩.৬৫০ |
| ১৫। | ধুবুৰী | ১ ডোখৰ | .৫৫০ |
| ১৬। | উত্তৰ কামৰূপ | ১০ | ৯৬.২৭৫ |
| ১৭। | শিলচৰ | ২৬ ডোখৰ | ১৬.৭৬০ |
| ১৮। | টাইগাৰ প্ৰজেক্ট | ৬১ | ৩৩৭.১৪৩ |

চলিত বছৰৰ বৰ্তমানলৈকে অসম চৰকাৰৰ হাতত মজুত থকা হাতীদাঁতৰ পৰিমাণ প্ৰায় ত্ৰিছ কুইণ্টললৈ বাঢ়িছে।

OKDISCD

লগত ফেৰ মাৰিব নোৱাৰে বুলি বন-বিষয়াই কোৱাৰ যুক্তি নাই। বৰপেটা তথা অসমৰ হাতীদাঁত শিল্পজাত সামগ্ৰীৰ চাহিদাৰ কথা চৰকাৰৰ বেচা-কিনা নিগমকে ধৰি দেশৰ বিভিন্ন ঠাইত থকা অসমৰ এম্পৰিয়ামৰ কৰ্ম-কৰ্তাসকলেহে কব পাৰিব। আনহাতে, আৱশ্যকীয় পৰিমাণে কেঁচা মাল হাতী-দাঁত পালে দক্ষিণৰ শিল্পীৰ দৰে আধুনিক যন্ত্ৰ-পাতিৰ সহায়ত অতি চিকুণ কলা-সন্মত হাতীদাঁতৰ সামগ্ৰী তৈয়াৰ কৰা কৌশল ইয়াৰ শিল্পীয়ে অনায়াসে আয়ত্ত কৰিব পাৰিব।

অসমৰ হাতীদাঁত শিল্প এটা জাতীয় সম্পদ। আগৰ চৰকাৰৰ অনাদৰত মৃত্যুমুখী হোৱা এইবিধ আপুৰুগীয়া শিল্পক আঞ্চলিক অসম-গণ পৰিষদ দলৰ চৰকাৰখনে সঞ্জীৱিত কৰি তুলিব বুলি ৰাইজে আশা কৰিছে। সুদীৰ্ঘ-কাল হাতীদাঁত নাপাই, হাতীদাঁত শিল্প কাৰখানাত আৰু কাম-বন কৰাৰ মনোবৃত্তি নথকা বেছিভাগ শিল্পীয়ে কাৰখানা বন্ধ কৰি দিছে। সদ্যহতে মাত্ৰ "ৰাধানাথ আইভ'ৰি আৰ্ট হাউছ" আৰু "ভগৱতী আইভৰি ৱৰ্কছ" নামৰ দুটা মাত্ৰ কাৰখানাত হাতীদাঁতৰ পৰি-বৰ্তে নামঘৰত থবলৈ কাঠ আৰু অন্যান্য ধাতু, আৰু ৰঙৰ সমন্বয়ত সিংহাসন আৰু অন্যান্য আচবাব তৈয়াৰ কৰি থকা হৈছে। শিল্প প্ৰতিষ্ঠান দুটাৰ গৰাকী ক্ৰমে শ্ৰীশৈলেন দাস আৰু শ্ৰীটিকেন ৰায়নে এনে-কৈয়ে কোনোমতে হাতীদাঁত-শিল্পৰ স্মৃতি জীয়াই ৰাখিছে। অসম চৰকাৰৰ হাতত বৰ্তমান প্ৰায় তিনি-হাজাৰ কে. জি. হাতীদাঁত আছে। ইমান পৰিমাণৰ হাতীদাঁত থকা সত্ত্বেও অসমৰ প্ৰকৃত থলুৱা শিল্পীৰ দুটা মাত্ৰ শিল্প প্ৰতিষ্ঠানক বছৰি দহ-পোন্ধৰ কেজিকৈ হাতীদাঁত যোগান ধৰাটো কোনো দোষণীয় কাম হ'ব নোৱাৰে। দক্ষিণ ভাৰতৰ হাতীদাঁত শিল্প যদি বৰ্তিব পাৰে, তেন্তে অসমৰ হাতীদাঁত শিল্প মৰিব কিয়? মুঠতে কেন্দ্ৰলৈ মিছাকৈ ভয় কৰি অসমৰ অন্যতম প্ৰাচীন হাতীদাঁত শিল্পক এনেকৈ মৰিবলৈ এৰি দিয়া উচিত নহ'ব।

হাতীদাঁত শিল্পটোৱে এপিনে তাৰ প্ৰকৃত উপাদানৰ ক্ষুধাত মৰণমুখী হৈছে, আনপিনে কিন্তু উদ্যোগ বিভাগে হাতীদাঁত শিল্পৰ নামত প্ৰশিক্ষকক বানচ, শিক্ষাৰ্থীক বৃত্তি, শিল্প প্ৰতিষ্ঠানক ঋণ-সাহায্য আদিৰ যোগান ধৰি আছে। একেখন ৰাজ্য চৰকাৰৰ অধীনস্থ দুটা বিভাগৰ মাজতে (বন-বিভাগ আৰু উদ্যোগ বিভাগ) হাতীদাঁত শিল্পক পুনৰ জীৱিত কৰাৰ ক্ষেত্ৰত বুজাপৰা তথা সমন্বয়ৰ অভাৱ সুস্পষ্ট। ৰাজ্যৰ উদ্যোগ বিভাগে হাতীদাঁত শিল্পৰ ক্ষেত্ৰত লোৱা ব্যৱস্থাই সাম-গ্ৰিকভাৱে ৰাজ্য চৰকাৰৰ একপ্ৰকাৰ "টোগলকী" বিচাৰ-বিবেচনাৰ কথাকে সূচায়। উদাহৰণ স্বৰূপে হাতীদাঁতৰ কাম শিকোৱাৰ বাবে সদ্যহতে ৰাজ্য চৰকাৰৰ উদ্যোগ বিভাগে লোৱা উদ্য-মৰ কথাকে প্ৰথমতে উল্লেখ কৰা যাওক। বৰপেটাৰ হাতীদাঁত শিল্প প্ৰতিষ্ঠান দুখনত হাতীদাঁতৰ কাম বন শিকাৰ বাবে মুঠ চাৰিজনকৈ যুবকক প্ৰশিক্ষণ দিবলৈ ৰাজ্যৰ উদ্যোগ বিভাগে ব্যৱস্থা কৰি দিছে। প্ৰতিজন প্ৰশিক্ষা-ৰ্থীকে মাহেকত এশ টকাকৈ বৃত্তিও দিছে। আকৌ প্ৰশিক্ষকেও প্ৰতিজন শিক্ষাৰ্থীৰ বিপৰীতে মাহেকত পঞ্চাছ টকাকৈ মানধন পায়। যিহেতু ১৯৭৮ চনৰ পাছত শিল্প প্ৰতিষ্ঠান কেইটাই আজিলৈকে এটুকুৰাও হাতীদাঁত পোৱা নাই, তেনেস্থলত প্ৰশিক্ষাৰ্থীসকলে কি ধৰণৰ হাতীদাঁতৰ কাম-বন শিকিছে সেই সম্বন্ধে চৰকাৰৰ উদ্যোগ-বিভাগে খা-খবৰ লৈছে নে? দ্বিতীয়তে, যোৱা ২৯ জুলাই (১৯৮৭) তাৰিখে উদ্যোগ বিভাগে বৰপেটাৰ হাতীদাঁত শিল্প-প্ৰতিষ্ঠানলৈ পঠোৱা এক পত্ৰযোগে এই বুলি আহ্বান জনাইছে যে অহা নৱেম্বৰ মাহত নতুন দিল্লীত অনুষ্ঠিত হ'বলগা আন্তঃৰাষ্ট্ৰীয় বাণিজ্য মেলাত অসমৰ হাতীদাঁতৰ সামগ্ৰী প্ৰদৰ্শনৰ বাবে তেওঁলোকে আৱশ্যকীয় পৰিমাণে উচ্চ মানৰ হাতীদাঁতৰ বস্তু তৈয়াৰ কৰিব লাগে। তাৰ বাবে শিল্পী সক-ললৈ বেংকৰ জৰিয়তে আৱশ্যকীয় ধনৰ যোগান ধৰাৰো আশ্বাস উদ্যোগ বিভাগে দিছে। কিন্তু উদ্যোগ বিভা-গৰ চিঠিখনত মূল বস্তু (কেঁচা মাল) হাতীদাঁতৰ ঘূণাক্ষৰেও উল্লেখ নাই। পূৰ্বে এনেধৰণৰ বাণিজ্যিক বা শিল্প সামগ্ৰীৰ ৰাজ্যিক, ৰাষ্ট্ৰীয় বা আন্তঃ-ৰাষ্ট্ৰীয় পৰ্যায়ৰ প্ৰদৰ্শনীত অসমৰ মৰ্যাদা ৰক্ষা কৰাত অসমৰ হাতীদাঁত শিল্পই বিশেষ ভূমিকা লৈছিল। এতিয়া অ. গ. প. চৰকাৰৰ দিনত নতুন দিল্লীত আয়োজিত আগন্তুক বাণিজ্যিক মেলাত অসমৰ হাতীদাঁতৰ সুন্দৰ শিল্প সম্ভাৰে অসমক প্ৰতিনিধিত্ব কৰিব নোৱাৰিব বুলি জানিব পৰা গৈছে।

অসমৰ বন বিভাগটোৰ বৰপেটা তথা অসমৰ হাতীদাঁত শিল্পটোৰ প্ৰতি অৱহেলা তথা সহানুভূতিহীন মনো-ভাৱৰ বাবেই এই সুন্দৰ শিল্পটোৰ এনে দুৰ্দশা যদিও, অসমলৈ ৰাষ্ট্ৰনেতা আহিলে এই বিভাগটোৱে কিন্তু হাতী-দাঁত শিল্পীৰ কাষ নাচাপিলেই নহয়। ১৯৮১ চনত তেতিয়াৰ ৰাষ্ট্ৰপতি শ্ৰীনীলম সঞ্জীৱ ৰেড্ডি কাজিৰঙালৈ আহোঁতে বন-বিভাগে হাতত এটুকুৰা হাতীদাঁত লৈ ভাগৱতী আইভ'ৰি ৱৰ্কছ'ত উপস্থিত হয়। তেওঁলোকক এটা গঁড় বনাই দিব লাগে। দুদিনতে শিল্পীয়ে গঁড়ৰ পিঠিত বগলী সহ এটা সুন্দৰ কলা সন্মত গঁড়ৰ মূৰ্তি তৈয়াৰ কৰি দিয়ে। ৰাষ্ট্ৰপতিলৈ বন বিভাগে সেইটোকে উপহাৰ স্বৰূপে আগবঢ়াই গৌৰৱবোধ কৰে। ১৯৭১ চনত তেতি-য়াৰ প্ৰধান মন্ত্ৰী ইন্দিৰা গান্ধী অস-মলৈ আহোঁতেও অসমৰ তেতিয়াৰ মুখ্যমন্ত্ৰী মহেন্দ্ৰ মোহন চৌধুৰীয়ে বৰ-পেটাৰ সুখ্যাত শিল্পী জগন্নাথ দাসে তৈয়াৰ কৰা হাতীদাঁতৰ মনোৰম হাত-পেৰাটো প্ৰধান মন্ত্ৰীলৈ গুৱাহাটীৰ ৰাজহুৱা সভাত উপহাৰ স্বৰূপে আগ বঢ়াইছিল। তেতিয়াও হেনো প্ৰধান মন্ত্ৰী "খুচী" হৈ গৈছিল।

[আলোক চিত্ৰ ঃ দ্বিজেন দাস]





# পদাৰ্থৰ ক্ষুদ্ৰতম ৰূপঃ কোৱাৰ্ক

ডঃ দিলীপ কুমাৰ চৌধুৰী

তাহানিৰ দিনৰ পৰাই এটা প্ৰশ্নই মানুহক ব্যতিব্যস্ত কৰি আহিছেঃ আমাৰ চাৰিওফালে থকা সাধাৰণ বস্তুবোৰ, যেনে— বায়ু, পানী, গছ-গছনি, মাটি, কাঠ এই সকলোবোৰ এটাৰে সৈতে আনটো সম্পূৰ্ণ পৃথক নে ইহঁতৰ এটাৰ সৈতে আনটোৰ কিবা সম্পৰ্ক আছে? আন কথাত কবলৈ গলে, ভিন-ভিন এই বস্তুবোৰক একে ধৰণৰ কেইবিধমান মূলবস্তুৰ বিভিন্ন পৰিমাণৰ সমষ্টি বুলিব পাৰি নেকি? আমাৰ দেশৰ দাৰ্শনিকসকলেও কৈছিল,— এই সকলো বস্তু মাথোন বায়ু, জুই, পানী, মাটি আৰু শূন্য,—এই পাঁচবিধ মুখ্য উপাদানৰ সংমিশ্ৰণ।

অষ্টাদশ শতিকাৰ আধুনিক বিজ্ঞানেহে এনে ধ্যান-ধাৰণাত চেচাঁ-পানী ঢালিলে। ফৰাচী দেশৰ এণ্টোইন লেভয়ছিয়াৰে ১৭৭৫ চনত দেখুৱালে যে অতীজতে মৌলিক পদাৰ্থ বুলি বিবেচনা কৰা জুই দৰাচলতে খৰি আৰু বায়ুত থকা অক্সিজেনৰ মাজত হোৱা ৰাসায়নিক বিক্ৰিয়াৰ বাহিৰে আন একো নহয়। জন ডেল্টন, গে লুছাক, এভ'গেড্ৰো আদি উনৈছ শতি-কাৰ বিজ্ঞানীসকলৰ গৱেষণাই মৌলৰ (element) ধাৰণাৰ সৃষ্টি কৰে। এই ধাৰণামতে প্ৰতিটো মৌলপদাৰ্থ একে ধৰণৰ অসংখ্য পৰমাণুৰ সমষ্টি।

বিংশ শতিকাৰ মাজভাগলৈ প্ৰায় ১০৬ বিধ মৌল আৱিষ্কৃত হয়। পৰীক্ষামূলকভাৱে মৌলৰ সংখ্যা বাঢ়ি যোৱাৰ লগে লগে বিজ্ঞানীৰ মনত প্ৰশ্নৰ উদয় হ'ল,— এই মৌলবোৰৰ পৰমাণুবোৰ প্ৰকৃততে মৌলিক নে ইহঁতৰো গাঁথনি আছে? ৰসায়ন-বিজ্ঞানীসকলে বিভিন্ন মৌলৰ মাজত ভিন-ভিন পৰীক্ষা চলায়। তেওঁলোকৰ পৰীক্ষাৰ ফলবোৰৰ শুদ্ধ ব্যাখ্যাৰ বাবে অণুৰ (molecules) ধাৰণাৰ সৃষ্টি হয়। পদাৰ্থৰ যিকোনো সৰু টুকুৰা এটা অজস্ৰ পৰমাণুৰ সমষ্টি। পদাৰ্থৰ চকুত পৰা বিশেষত্বসমূহ এই অণুবোৰৰ গাঁথনি আৰু গতিৰ পৰিণাম মাথোন। যেনে— অণুবোৰৰ গতি শক্তি বাঢ়িলে পদাৰ্থৰ উষ্ণতা বাঢ়ে। ৰসায়ন বিজ্ঞানৰ মতে পদাৰ্থৰ গঠনৰ শেষ স্তৰ হ'ল পৰমাণু (atom)। পদাৰ্থক কোনো উপায়ে পৰমাণুতকৈও সৰু টুকুৰা কৰিব পাৰিলে, তেনে টুকুৰাই পদাৰ্থৰ বিশেষত্ববোৰকেই পাহৰি যাব। অতি সৰল ভাষাত, উদাহৰণস্বৰূপে, এনে অতি ক্ষুদ্ৰ সোণৰ টুকুৰা এটা সোণ নহ'বও পাৰে।

পৰমাণুৰ ধাৰণাটোৱে এটা মৌলিক প্ৰশ্নৰ উত্তৰ দিব নোৱাৰে। প্ৰশ্নটো হ'ল,—পৰমাণুৱেই পদাৰ্থৰ ক্ষুদ্ৰতৰ অবিভাজ্য অৱস্থা নেকি? উদাহৰণ স্বৰূপে কোনো পদাৰ্থৰ টুকুৰা এটা যদি সূৰ্যৰ সমান উষ্ণতালৈ লৈ যোৱা হয়, তেনেহ'লে পৰমাণুসমূহ একেদৰে থাকিব নেকি?

উনবিংশ শতিকাৰ শেষ ভাগৰে পৰা বিজ্ঞানীসকলে অনুমান কৰিছিল



হিডেকি য়ুকাৱা (১৯০৭-১৯৮১) এই মহান জাপানী বিজ্ঞানীগৰাকীয়ে ১৯৩৫ চনত মেছন কণাৰ স্থিতি ভৱিষ্যত-বাণী কৰে। তেওঁক ১৯৪৯ চনত নোবেল বঁটা প্ৰদান কৰা হয়। তেৱেঁই নোবেল বঁটা বিজয়ী প্ৰথম জাপানী বিজ্ঞানী।

যে ৰাসায়নিক পৰমাণুবোৰ অবিভাজ্য নহ'বও পাৰে। অতি উষ্ণ অৱস্থাত পৰমাণুবোৰ হয়তো ভাগি যাব।

সঁচাকৈয়ে তিনিগৰাকী জাৰ্মান পদাৰ্থবিজ্ঞানী (প্লাকাৰ, হিটৰফ আৰু গ'লষ্টেইন) পৰমাণু এটাক দুটা অংশত বিভক্ত কৰিবলৈ সক্ষম হয়। দুয়োটা অংশই যে বিদ্যুৎ আধানযুক্ত (charged) তাকো উমান পোৱা গ'ল।

১৮৯৭ চনটো বিজ্ঞানৰ ইতিহাসত এটা স্মৰণীয় বছৰ। সেইবছৰতে ইং-লণ্ডৰ বিজ্ঞানী থমছনে পৰমাণুৰ দুয়োটা খণ্ড অধ্যয়ন কৰি সিদ্ধান্ত কৰে যে ইয়াৰ এটা ঋণাত্মক আধানযুক্ত।

পঢ়ুৱৈসকলক এইখিনিতে মনত পেলাই দিয়া যুগুত হ'ব যে বিদ্যুৎ বিজ্ঞান অনুসৰি পদাৰ্থৰ কণা এটা তিনিবিধৰ হ'ব পাৰে— ঋণাত্মক, ধনা-ত্মক বা শূন্য-আধানযুক্ত। গোটে হিচাপে পৰমাণুৰ বৈদ্যুতিক আধান শূন্য। তথাপি ইয়াত সমমানৰ ধনাত্মক (+) আৰু ঋণাত্মক (—) আধান থাকিব পাৰে।

থমছনে আৱিষ্কাৰ কৰা ঋণাত্মক আধানযুক্ত অংশটোৱেই হ'ল ইলেকট্ৰন। পিছে পৰমাণুৰ এনে ঋণাত্মক আধান-যুক্ত খণ্ড এটা থাকিলে ধনাত্মক আধানযুক্ত দ্বিতীয় খণ্ড এটাও থাকিব লাগিব, তেতিয়াহে পৰমাণুটো আধান-শূন্য হ'ব।

১৯১১ চনত ইংলণ্ডৰ ৰাদাৰফ'ৰ্ডে পৰীক্ষাৰ দ্বাৰা প্ৰমাণ কৰে যে পৰমাণুৰ কেন্দ্ৰভাগটো ধনাত্মক আধানযুক্ত। এই কেন্দ্ৰভাগক আজিকালি নিউক্লিয়াছ বোলে।

এতিয়া প্ৰশ্ন হ'ল— নিউক্লিয়াছটো মৌলিক জানো?

১৯২০ চনত ৰাদাৰফ'ৰ্ডে নিউক্লিয়াছৰ ভিতৰত নিউট্ৰন বুলি আধানশূন্য কণা এটাৰ স্থিতি ভৱিষ্যত বাণী কৰে। জাৰ্মান বিজ্ঞানী ৱানাৰ হাইজেন-বাৰ্গেও নিউক্লিয়াছৰ ভিতৰত ধনাত্মক আধানযুক্ত প্ৰ'ট'ন আৰু আধানশূন্য নিউট্ৰনৰ কথা কয়। ১৯৩২ চনত

ইংলণ্ডৰ জেমছ চেডউইকে গৱেষণাগাৰত নিউট্ৰন আবিষ্কাৰ কৰে।

এনেদৰেই বৰ্তমানৰ পাঠ্যপুথিত থকা পৰমাণুৰ ছবিখন প্ৰতিষ্ঠিত হয় ঃ পৰমাণু হ'ল নিউক্লিয়াছ আৰু ইলেকট্ৰনসমূহৰ সমষ্টি। নিউক্লিয়াছৰ ভিতৰত প্ৰ'ট'ন আৰু নিউট্ৰন নামৰ দুবিধ কণা থাকে।

শেহতীয়া প্ৰশ্ন হ'ল, —এই কেইটা কণাৰে পৰমাণুৰ সম্পূৰ্ণ ব্যাখ্যা দিব পাৰি জানো ?

যোৱা আধাশতিকাজোৰা তাত্ত্বিক আৰু পৰীক্ষামূলক গৱেষণাৰ পৰা বিজ্ঞানীসকল বৰ্তমান নিঃসন্দেহ যে পৰমাণুৰ অতিক্ষুদ্ৰ জগতখন তাতেই শেষ নহয়।

প্ৰথম প্ৰশ্ন উঠে নিউক্লিয়াছৰ ক্ষেত্ৰত। ইয়াৰ ভিতৰত থকা নিউট্ৰন আৰু প্ৰ'ট'নবোৰ বাহিৰলৈ ওলাই নাহে কিয় ? সিহঁত কেনেকৈ নিউক্লিয়াছটোৰ ভিতৰত বান্ধ খাই আছে ? বিদ্যুৎ বিজ্ঞানৰ মতে একে বিধৰ আধানযুক্ত প্ৰ'ট'নবোৰৰ এটাই আনটোক বিকৰ্ষণহে কৰিব লাগিছিল। আনহাতে নিউট্ৰনবোৰৰ বিদ্যুৎ আধানেই নাই; —তেনেস্থলত সিহঁতে পৰস্পৰক আকৰ্ষণেই বা কৰে কেনেকৈ ? সেয়েহে, নিউট্ৰন আৰু প্ৰ'টনবোৰক নিউক্লিয়াছত ধৰি ৰখাৰ ক্ষেত্ৰত নতুন ধ্যান-ধাৰণাৰ আৱশ্যক হৈ পৰিল।

ইয়াৰ বাবে জাপানৰ বিজ্ঞানী য়ুকাৱাই ১৯৩৫ চনত এটা তত্ত্ব উদ্ভাৱন কৰে। এই তত্ত্ব মতে মেছন নামৰ এবিধ কণা আছে। প্ৰ'ট'ন বা নিউট্ৰন এটাই এনে মেছন কণা এটা দলিয়াই দিলে আন এটা প্ৰ'ট'ন বা নিউট্ৰনে সেইটো ধৰি লয়। মেছন কণাৰ এনে বিনিময় বা আদান-প্ৰদানৰ বলে প্ৰ'ট'ন দুটাৰ মাজৰ বৈদ্যুতিক বিকৰ্ষণৰ কথা একেবাৰে তল পেলাই দিয়ে। ১৯৪৭ চনত ইংলণ্ডৰ চাৰিগৰাকী বিজ্ঞানীয়ে এনে তিনিবিধ মেছন কণা আৱিষ্কাৰ কৰে। ইয়াৰ বৈজ্ঞানিক চিহ্ন হ'ল পায় প্লাছ ($\pi^+$), পায় মাইনাছ ($\pi^-$) আৰু পায় নট ($\pi^0$)।

অৰ্থাৎ নিউক্লীয় কণা হ'ল দুই শ্ৰেণীৰ ঃ বিনিময় নোহোৱা কণা ঃ প্ৰ'ট'ন আৰু নিউট্ৰন ; আৰু বিনিময় হোৱা কণা ঃ পায় মেছন তিনিটা। বিনিময় নোহোৱা শ্ৰেণীৰ কণাক বেৰিয়ন বুলিও কোৱা হয়।

পঞ্চাছৰ দশকত কেইবাটাও পৰীক্ষা চলোৱা হ'ল। দেখা গ'ল যে বেৰিয়ন শ্ৰেণী প্ৰ'ট'ন আৰু নিউট্ৰনতেই সীমাবদ্ধ নহয়। তেনে বিধৰ এশৰো বেছি কণা আৱিষ্কৃত হ'ল।

আনহাতে মেছন শ্ৰেণীও $\pi^+$, $\pi^0$, $\pi^-$ তাতে সমাপ্ত নহ'ল। ইয়াৰো সংখ্যা বাঢ়িয়েই থাকিল।

যোৱা শতিকাৰ বিজ্ঞানীসকলে প্ৰশ্ন তুলিছিল, —ইমান বেছি সংখ্যক মৌল মৌলিক হবনে ?

এই শতিকাৰ ষাঠিৰ দশকত তেনেদৰে প্ৰশ্ন উঠিল. ইমানবোৰ বেৰিয়ন আৰু মেছন জাতীয় নিউক্লীয় কণা প্ৰতিটোৱেই মৌলিক হ'ব পাৰেনে ?

এই প্ৰশ্নটোৰ পম খেদি আমেৰিকা যুক্তৰাষ্ট্ৰৰ বিজ্ঞানী মুৰে গেলমেন আৰু ইজৰাইলী বিজ্ঞানী জৰ্জ যুয়ীগে অনুমান কৰিলে যে সকলো নিউক্লীয় কণা



মুৰে গেলমেন। তেওঁ কোৱাৰ্কতত্ত্বৰ জন্মদাতা। আমেৰিকা যুক্তৰাষ্ট্ৰৰ নিউয়ৰ্কত ১৯২৯ চনত তেওঁৰ জন্ম হয়। বৰ্তমান তেওঁ কেলিফৰ্নিয়া ইনষ্টিটিউট অৱ টেকন'ল'জিৰ (CALTEC) অধ্যাপক ১৯৬৯ চনত তেওঁ পদাৰ্থ বিজ্ঞানৰ নোবেল বঁটা লাভ কৰে। তেওঁ এতিয়াও মৌলিক কণা বিজ্ঞানত গৱেষণাৰত।

তালিকা-১

| কোৱাৰ্কৰ শ্ৰেণী | বৈদ্যুতিক আধান | বেৰিয়ন সংখ্যা |
|---|---|---|
| u | +২/৩ | +১/৩ |
| d | −১/৩ | +১/৩ |
| s | −১/৩ | +১/৩ |

কোৱাৰ্ক (Quark) নামৰ এবিধ পৰম মৌলিক কণাৰ সমষ্টি।

এইখিনিতে আমি আগতীয়াকৈ প্ৰতি কণাৰ (anti particle) ধাৰণাটো উন্মুকিয়াই থওঁ। আধুনিক বিজ্ঞানৰ মতে প্ৰতিটো কণাৰে একোটাকৈ প্ৰতি-কণা থাকে। কণা আৰু প্ৰতি-কণাৰ কিছুমান বৈশিষ্ট্য একে, আন কিছুমান বিপৰীত। যেনে, দুয়োৰে ভৰ একে কিন্তু বৈদ্যুতিক আধান বিপৰীত। অৰ্থাৎ কণা এটাক যদি প্ৰ'ট'নটোৱে আকৰ্ষণ কৰে, প্ৰতি-কণাটোক ই বিকৰ্ষণ কৰিব। তেনেদৰে বেৰিয়ন-শ্ৰেণীৰ "বেৰিয়ন সংখ্যা" প্ৰতি-বেৰিয়নৰ বাবে বিপৰীত হ'ব। কণাৰ চিহ্নৰ ওপৰত এটা ৰেখাখণ্ডৰ চিন দি প্ৰতি-কণা বুজোৱা হয়। যেনে $\bar{p}$ মানে হ'ল প্ৰতিপ্ৰ'ট'ন।

আগতে উল্লেখকৰা কোৱাৰ্ক তত্ত্ব মতে বেৰিয়ন শ্ৰেণীৰ কণা তিনিটা কোৱাৰ্কৰ সমষ্টি। তেনেদৰে মেছন শ্ৰেণীৰ কণা এযোৰ কোৱাৰ্ক আৰু প্ৰতি কোৱাৰ্কৰ সমষ্টি। ষাঠিৰ দশকৰ নিউক্লীয় কণাবোৰৰ ব্যাখ্যাৰ বাবে গেলমেন আৰু যুয়ীগে তিনিবিধ কোৱাৰ্কৰ স্থিতি কল্পনা কৰিছিল। তাৰ নাম দিয়া হয় ইউ (upৰ u), ডি (downৰ d) আৰু s (strangeৰ s)। ১ নম্বৰ তালিকাত সিহঁতৰ বৈদ্যুতিক আধান আৰু বেৰিয়ন সংখ্যা দিয়া হ'ল। মনত ৰাখিবলগীয়া কথা হ'ল প্ৰ'ট'ন, নিউট্ৰন আদি সকলোৰে "বেৰিয়ন সংখ্যা" হ'ল +১। প্ৰতিবেৰিয়নৰ "বেৰিয়ন সংখ্যা" হ'ব −১।

কোৱাৰ্কৰ আচহুৱা-আচহুৱা লগা কথা এটা হ'ল— ইয়াৰ বৈদ্যুতিক আধান ইলেকট্ৰনৰ আধানৰ এক বা দুই তৃতীয়াংশ। তেনেদৰে বেৰিয়ন সংখ্যাও ১/৩।



তালিকা ২

| কণা | কোৱাৰ্ক-গাঁথনি | বৈজ্ঞানিক চিহ্ন |
|---|---|---|
| প্ৰ'টন | দুটা ইউ কোৱাৰ্ক আৰু এটা ডি কোৱাৰ্ক | uud |
| নিউট্ৰন | এটা ইউ কোৱাৰ্ক আৰু দুটা ডি কোৱাৰ্ক | udd |
| পায় প্লাছ | এটা ইউ কোৱাৰ্ক আৰু এটা প্ৰতি-ডি কোৱাৰ্ক | $\bar{d}u$ |
| পাই মাইনাছ | এটা ডি কোৱাৰ্ক আৰু এটা প্ৰতি-ইউ কোৱাৰ্ক | $\bar{u}d$ |

১ নম্বৰ তালিকাৰ পৰা অতি সহজে আমাৰ চিনাকি কণা প্ৰ'টন, নিউট্ৰন আৰু পায়মেছন কেইটাৰ কোৱাৰ্ক-গাঁথনি অনুমান কৰিব পাৰি। ইয়াক ২ নম্বৰ তালিকাত দেখুউৱা হৈছে।

প্ৰ'টন, নিউট্ৰন আৰু পায়মেছন কণাৰ গাঁথনিৰ বাবে এছ (S) কোৱাৰ্ক আৱশ্যক নহয়। আন কিছুমান ক্ষণস্থায়ী বেৰিয়ন আৰু মেছন কণাৰ গঠনত ই আৱশ্যকীয় হৈ পৰে।

ষাঠিৰ দশকত কোৱাৰ্ক তত্ত্বৰ আন দুগৰাকী গুৰি ধৰোঁতা হ'ল চিকাগো বিশ্ববিদ্যালয়ৰ বিজ্ঞানী য়'ছিৰ' নাম্বু আৰু অক্সফ'ৰ্ড বিশ্ববিদ্যালয়ৰ ৰিচাৰ্ড ডালিট্জ। তেওঁলোক দুজনাৰ অৱিহণাই কোৱাৰ্ক তত্ত্বক সত্তৰ দশকলৈ সফলতাৰে আগুৱাই নিয়ে।



য়'ছিৰ নাম্বু

১৯২১ চনত জাপানত জন্ম গ্ৰহণ কৰা এই গৰাকী বিজ্ঞানী বৰ্তমান আমেৰিকা যুক্তৰাষ্ট্ৰৰ চিকাগো বিশ্ববিদ্যালয়ৰ অধ্যাপক। তেওঁৰ কোৱাৰ্ক তত্ত্বলৈ আগবঢ়োৱা অৱিহণা বিশ্বস্বীকৃত। গ্লুৱনবোৰে যে ৰচিৰ দৰে কোৱাৰ্কক বান্ধি ৰাখে, সেয়া নাম্বুৰে ধাৰণা।

## সত্তৰ দশকৰ নতুন আৱিষ্কাৰ

১৯৭৪ চনৰ কথা। আমেৰিকা যুক্তৰাষ্ট্ৰৰ ষ্টেনফ'ড বিশ্ববিদ্যালয়ৰ ত্বৰকত (Stanford Linear Accelerator Centre, সংক্ষেপে SLAC) বাৰ্টন ৰিকটাৰ নামৰ এগৰাকী বিজ্ঞানীৰ নেতৃত্বত এদল গৱেষণাকাৰীয়ে এটা নতুন কণা আৱিষ্কাৰ কৰে। সেই একে সময়তে, মাচাচুচেটছ কাৰিকৰী বিজ্ঞান কেন্দ্ৰত (M. I. T.) ছেমুৱেল টিং নামৰ এজন বিজ্ঞানীৰ নেতৃত্বত আন এটা দলে একেটা কণাকে আৱিষ্কাৰ কৰে। এই কণাটোৰ বহুতো আচহুৱা বৈশিষ্ট্য দেখা পোৱা গ'ল। কণাটোৰ নাম দিয়া হ'ল এপ্ছাই ($\psi$)। ইয়াৰ শুদ্ধ ব্যাখ্যাৰ বাবে "c" কোৱাৰ্ক নামৰ আন এটা কোৱাৰ্ক আৰু "$\bar{c}$" প্ৰতি-কোৱাৰ্কৰ আৱশ্যক হৈ পৰিল। এই শ্ৰেণী কোৱাৰ্কৰ "চাম" নামৰ এটা নতুন বিশেষত্ব থকা বুলি ধৰা হয়। "c" কোৱাৰ্কৰ বৈদ্যুতিক আধান হ'ল +২/৩। "$\psi$" কণাটো এযোৰ "c" আৰু "$\bar{c}$" অৰ সমষ্টি। $\psi$ৰ ওজন প্ৰ'ট'নৰ তিনিগুণ।



ৰিচাৰ্ড ডালিট্জ

অষ্ট্ৰেলিয়াত জন্ম গ্ৰহণ কৰা এই গৰাকী বিজ্ঞানী বৰ্তমান অক্সফ'ৰ্ড বিশ্ববিদ্যালয়ৰ ৰয়েল ছ'ছাইটি গৱেষণা অধ্যাপক। তেওঁ এগৰাকী এফ. আৰ. এছ. সন্মানেৰে বিভূষিত বিজ্ঞানী। ইউৰোপত এৱেঁই কোৱাৰ্ক তত্ত্ব গুৰি ধৰিছে।

## পঞ্চম কোৱাৰ্কটো

১৯৭৭ চনৰ কথা। আমেৰিকা যুক্তৰাষ্ট্ৰৰ ব্ৰুকহেভেন গৱেষণাগাৰত (Brookhaven National Laboratory) পৰীক্ষাত্মক বিজ্ঞানী লিডাৰমেনে প্ৰ'ট'নৰ প্ৰায় দহগুণ ওজনৰ এটা মেছন কণা আৱিষ্কাৰ কৰে। ইয়ো অতি আচহুৱা ধৰণৰ কণা। চিনাকি মেছন কণালৈ ই কোনো পধ্যেই অৱক্ষয় হ'ব নোখোজে। এনে ধৰণ-কৰণৰ বাবে ইয়াক "b" আৰু "$\bar{b}$" নামৰ এযোৰ নতুন কোৱাৰ্ক আৰু প্ৰতি-কোৱাৰ্কৰ সমষ্টি বুলি ধৰিব লগীয়া হয়। "b $\bar{b}$" শ্ৰেণীৰ কণা এতিয়ালৈকে কেইবাটাও আৱিষ্কৃত হৈছে। এনে শ্ৰেণীৰ কণাৰ নামকৰণ হৈছে (আপছিলন) বুলি।

## আৰু এটা কোৱাৰ্ক ?

পাঁচোটা কোৱাৰ্কেৰে যদিও সকলো পৰীক্ষাত্মক ঘটনাৰ শুদ্ধ বিশ্লেষণ দিব পাৰি, তথাপি তাত্ত্বিক বিজ্ঞানীসকলে গাণিতিক বিপদৰ হাত সাৰিবলৈ "t" কোৱাৰ্ক নামৰ ষষ্ঠ কোৱাৰ্ক এটাৰো ভৱিষ্যতবাণী কৰিছে। তেনে কোৱাৰ্ক থকা কণা এতিয়াও আৱিষ্কৃত হোৱা নাই। বহুতো বিজ্ঞানীৰ মতে ই বৰ গধুৰ বাবেহে আৱিষ্কৃত হোৱা নাই।

## কোৱাৰ্কৰ ৰং

কোৱাৰ্ক তত্ত্বৰ দ্বাৰা পৰীক্ষাত্মক ঘটনাবোৰৰ সঠিক বিশ্লেষণ কৰিবলৈ হ'লে প্ৰতিবিধ কোৱাৰ্ক তিনিবিধৰ হ'ব লাগে। তেনে কোৱাৰ্কৰ ৰঙা (r), নীলা (b) আৰু সেউজীয়া (g)



OKDISCD



ছেমুৱেল টিং



বার্টন ৰিকটাৰ

এওঁলোক দুয়ো আমেৰিকা যুক্তৰাষ্ট্ৰৰ পদাৰ্থ বিজ্ঞানী। টিঙে আমেৰিকাৰ ব্ৰুকহেভেন ৰাষ্ট্ৰীয় গৱেষণাগাৰত চতুৰ্থ কোৱাৰ্ক থকা কণাটো আৱিষ্কাৰ কৰিছিল। ৰিকটাৰে ষ্টেনফৰ্ড বিশ্বৱিদ্যালয়ৰ ত্বৰকত (SLAC) সেই কণাটো আৱিষ্কাৰ কৰিছিল। ১৯৭৬ চনত তেওঁলোকক যুটীয়াভাৱে নোবেল বঁটা প্ৰদান কৰা হয়।

ৰৰণ বা কালাৰ থকা বুলি ধৰা হয়। চিনাকি বেৰিয়ন বা মেছন কণাবোৰত সমান পৰিমাণৰ ৰঙা, নীলা আৰু সেউজীয়া ৰৰণৰ কোৱাৰ্ক থাকে বাবে সিহঁত বৰ্ণবিহীন।

গ্লুঅন

প্ৰশ্ন উঠে, কোৱাৰ্কবোৰ প্ৰ'টন, নিউট্ৰন বা মেছনৰ ভিতৰত কেনেকৈ বান্ধ খাই থাকে? এই প্ৰশ্নৰ উত্তৰৰ পমখেদি বিজ্ঞানীসকলে দুটা কথা লক্ষ্য কৰিছে। প্ৰথম কথা হ'ল,— ষ্টেনফৰ্ড বিশ্ব বিদ্যালয়ত কৰা কিছুমান পৰীক্ষাৰ পৰা অতি ক্ষুদ্ৰ দূৰত্বত কোৱাৰ্কবোৰ বিন্দু সদৃশ আৰু প্ৰায় বান্ধ নোখোৱা যেন বোধ হয়। ফাইনমেন নামৰ এগৰাকী বিশ্ববিশ্ৰুত বিজ্ঞানীয়ে এনে কোৱাৰ্কৰ নাম দিছে পাৰ্টন (parton)।

আনটো কথা হ'ল— মুকলি হিচাপে কোৱাৰ্কক এতিয়াও ধৰা পেলোৱাপৰা নাই। মাজে-সময়ে দুই এগৰাকী বিজ্ঞানীয়ে কোৱাৰ্ক ধৰা পেলাইছে বুলি ঘোষণা কৰিলেও, আন বিজ্ঞানীয়ে পৰীক্ষা আৰু যুক্তিৰ দ্বাৰা প্ৰমাণ কৰে যে আৱিষ্কৃত কণাটো কোৱাৰ্ক নহয়। সেয়েহে বৰ্তমান বিজ্ঞানীসকল প্ৰায় একমত যে কোৱাৰ্কৰ মাজত এবিধ বিশেষ মৌলিক কণাৰ বিনিময় হয়। তেনে মৌলিককণাই বেছি দূৰত্বত ৰচিৰ দৰে কাম কৰে। দূৰত্ব বাঢ়ি যোৱাৰ লগে তাৰ বান্ধো বাঢ়ি যায়। সেয়েহে প্ৰ'টন, নিউট্ৰন বা মেছন এটাৰপৰা কোৱাৰ্ক এটা মুকলিকৈ টানি উলিওৱাটো অসম্ভৱ।



ৰিচাৰ্ড পি. ফাইনমেন

এওঁ ১৯১৮ চনত আমেৰিকা যুক্তৰাষ্ট্ৰৰ নিউয়ৰ্কত জন্ম গ্ৰহণ কৰে। ১৯৪২ চনত তেওঁ প্ৰিন্সটন বিশ্ববিদ্যালয়ৰপৰা ডক্তৰেট ডিগ্ৰি লাভ কৰে। তেওঁ তাত্ত্বিক পদাৰ্থ বিজ্ঞানৰ প্ৰতি আগবঢ়োৱা অৱিহণা চমকপ্ৰদ। ১৯৬৫ চনত তেওঁ নোবেল বঁটা লাভ কৰে। কোৱাৰ্ক তত্ত্ব পাৰ্টন নিদৰ্শ (model) তেওঁৰ আৱিষ্কাৰ। তেওঁৰ শিক্ষকতাৰ নৈপুণ্যও বিশ্বৰ পদাৰ্থ বিজ্ঞানীসকলৰ আদৰ্শস্বৰূপ

কোৱাৰ্কবোৰৰ মাজত এনে আচৰিত বল তৈয়াৰ কৰিবপৰা কণাসমূহক গ্লুঅন (gluon) বোলে। বৰ্তমানৰ তত্ত্ব মতে এনেধৰণৰ আঠবিধ গ্লুঅন আছে।

ভাৰতবৰ্ষত কোৱাৰ্ক তত্ত্বৰ গৱেষণা

কেইবাটাও ভাৰতীয় অনুষ্ঠানে এই তত্ত্বৰ বিভিন্ন দিশত গৱেষণা চলাই আছে। তাৰ ভিতৰত দিল্লী বিশ্ববিদ্যালয় আৰু বোম্বাইৰ টাটা ইনষ্টিটিউট অন্যতম। অসমৰ গুৱাহাটী বিশ্ববিদ্যালয়েও এই বিষয়ত যোৱা কেইবছৰত গৱেষণা চলাইছে।

শেষ কথা

ইমানৰ পাছতো প্ৰশ্ন উঠিব পাৰে —কোৱাৰ্কবোৰেই পদাৰ্থৰ ক্ষুদ্ৰতম অংশ হয় জানো? নে ইয়ো আন কিবা পৰম মৌলিক কণাৰহে সমষ্টি? এতিয়ালৈকে এই প্ৰশ্নটোৰ কোনো পৰীক্ষমূলক ভিত্তি পোৱা নাই। তাত্ত্বিক দিশতহে কিছু গৱেষণা চলিছে। কেইগৰাকীমান বিজ্ঞানীৰ মতে কোৱাৰ্কৰ ভিতৰতো আন এবিধ মৌলিক কণা আছে। তাৰ নাম দিয়া হৈছে— প্ৰিয়ন (preon)। বেছিভাগ বিজ্ঞানীয়ে পিছে এই ধাৰণাটোক অনাৱশ্যকীয় বুলি ভাবে। ভৱিষ্যতৰ পৰীক্ষামূলক গৱেষণাইহে প্ৰকৃত সত্য নিৰূপণ কৰিব।

অধ্যাপক বসন্ত ডেকাৰ—
**পৰমাণু আৰু পাৰমাণৱিক কণাৰ আৱিষ্কাৰ** মূল্য—৮·০০ টকা
**লয়াৰ্ছ বুক ষ্টল**
পানবজাৰ, গুৱাহাটী-১



# অসমীয়া ভাষা পৰিষ্কাৰকৈ লিখা আৰু কোৱা (ন)

ড° মহেশ্বৰ নেওগ

## শব্দ-বিভক্তি

কামিলা মানুহে কাম কৰে।
মানুহে মানুহক ভাল পায়।
'লুইতৰে বালি: বগী ঢকেঢকী:
কাছই কণী পাৰে লেখি।'
কাছই নৈৰ পাৰত পোৱালি তোলে।

ইয়াত 'মানুহে' আৰু 'কাছই' কাম কৰা বুজাইছে। সিহঁত কৰ্তা। কৰ্তা বুজাবলৈ 'মানুহ' আৰু 'কাছ' শব্দত ক্ৰমে -'এ' আৰু -'ই' বিভক্তি যোগ কৰা হৈছে। কাছ, বৃক্ষ, শব্দ আদি অ-কাৰান্ত। তেনে শব্দৰ পিছত -'ই' বিভক্তি হয়।

মুনিয়ে তপস্যা কৰিছে।
হৰিয়ে খৰি ফালিছে।
গুৰুৱে সজ কথা শিকায়।
সাধুৱে সকলোৰে উপকাৰ কৰে।
মৌৱে কাহ-জ্বৰ ভাল কৰে।

এইবোৰতো কৰ্তা বুজাবলৈ 'এ' প্ৰত্যয় যোগ হৈছে। কিন্তু তাৰ আগতে ই-কাৰান্ত শব্দৰ পিছত 'য়' আৰু উ-কাৰান্ত, ঔ-কাৰান্ত শব্দৰ পিছত 'ৱ' যোগ হৈছে। কিন্তু এই য় আৰু ৱ-ৰ উচ্চাৰণ সিমান স্পষ্টহৈ নহয়। মনত ৰাখিব লাগিব— ই-কাৰান্ত, উ-কাৰান্ত, ঔ-কাৰান্ত শব্দৰ পিছত কৰ্তা-কাৰকত এ বিভক্তিহে হয়, ই বিভক্তি নহয়।

ৰামে ভাত খালে। [ৰাম···নহয়।]
ভাত খাই উঠি ৰাম শুলে।
[ৰামে···নহয়।]
হৰিয়ে কাঠ কাটিছে।
[হৰি···নহয়।]
কাঠ কটাৰ ভাগৰত হৰি জিৰাইছে।
[হৰিয়ে···নহয়।]
সাধুৱে লোকৰ উপকাৰ কৰে।
[সাধু···নহয়।] ['সাধুই' নহয়।]
সাধু সন্তোষ মনেৰে থাকে।
[সাধুৱে···নহয়।]

সকৰ্মক ক্ৰিয়াৰ কৰ্তাত ই, এ বিভক্তি যোগ হয়। অকৰ্মক ক্ৰিয়াৰ কৰ্তাত ৰিভক্তি যোগ নহয়।

এখেত, তেখেত, কোন, কেও, কিহ, যিহ, তহঁত আদি সৰ্বনাম ক্ৰিয়াৰ কৰ্তা হ'লে সিহঁতত এ বিভক্তি যোগ হয়।

এখেতে আমাক মৰম কৰে।
তেখেতে ভাল কথা কয়।
তহঁতে কাম কৰিবি।
তেওঁ ভাত খালে।
তাই কিতাপ পঢ়িছে।
শিক্ষকে তাক শাস্তি দিলে।
তেওঁ ল'ৰাটো আনি মোক দিলে।
মই খণ্ডত ল'ৰাটোক ধৰি
কোবালো।

ইয়াত কৰ্মকাৰকৰ উদাহৰণ পাইছো। ক'ৰবাত -ক বিভক্তি হৈছে। ক'ৰবাত হোৱা নাই।

তৃতীয়া বিভক্তিৰ চিন— -ৰে, -দি, দ্বাৰা বা দ্বাৰায়। দ্বাৰা বা দ্বাৰায় প্ৰকৃততে পৰসৰ্গ; সেই দেখি তাক মূল শব্দটোৰপৰা (য'ত ৰ যোগ হয়) পৃথক কৰি লিখা হয়। দ্বাৰা বা দ্বাৰায়'ৰ অৰ্থ হ'ল দুৱাৰেদি, যোগেদি, আলম কৰি। -ৰে, -দি, -দ্বাৰা/দ্বাৰায়ৰ প্ৰয়োগত কিছুমান সূক্ষ্ম কথা মন কৰিবলগীয়া—

পণ্ডিতে ল'ৰাটোক লেকেচি বাঁহৰ
এচাৰিৰে কোবালে। [দি,
দ্বাৰা/দ্বাৰায় নহয়।]
'শহুৰৰ বৰঘৰ/সোমালো বোপা-
দেউ/কেইখন দিহেৰে খালা?'
(বিয়ানাম) [দি, দ্বাৰা/দ্বাৰায়
নহয়।]
মই নিজ মুখেৰে তাক কথাষাৰ
ক'লোঁ। [দি, দ্বাৰা/দ্বাৰায়
নহয়।]

গুৰুৰ মুখেদি/মুখে যি বাণী ওলাব,
সি ঈশ্বৰৰ আজ্ঞা বুলি বুজিবাঁ।
[ৰে, দ্বাৰা/দ্বাৰায় নহয়।]
কেনেকৈ গ'ল? শত্ৰু-বাহিনী বৰ
বৰ যুদ্ধৰ নাৱেৰে/নাৱত
আহিল আৰু গ'ল।
এই বাটেদি কত বাটৰুৱা গ'ল
লাখুটিৰে খুপি খুপি।
ৰামৰ দ্বাৰায় সেই কাৰ্য সিদ্ধ হ'ল।
[কৰ্মবাচ্য হৈছে।]
ৰামৰ দ্বাৰা শ্যামে কামটো
কৰালে। [কৰণৰ অৰ্থত।]

"'সৈতে' শব্দৰ যোগত তৃতীয়া বিভক্তি হয়। যেনে— সীতা আৰু লক্ষ্মণেৰে সৈতে ৰাম বনলৈ গৈছিল; তেওঁৰে সৈতে কাজিয়া নকৰিবাঁ। মূৰ্খেৰে সৈতে বাস কৰা অযুগুত।" (হেমচন্দ্ৰ।) গতিকে 'সীতা আৰু লক্ষ্মণৰ সতে ৰাম বনলৈ গৈছিল' নহয়; হ'ব লাগে:

সীতা আৰু লক্ষ্মণেৰে সৈতে ৰাম
বনলৈ গৈছিল।

চতুৰ্থী আৰু পঞ্চমী বিভক্তি:

মাকৰ ঘৰৰপৰা চকুপানী টুকি টুকি কইনা শহুৰৰ ঘৰলৈ গ'ল। আচলতে 'পৰা' হ'ল এটা পৰসৰ্গ। সেই দেখি তাক কোনোৱে সুকীয়া শব্দ কৰি ধৰে আৰু লিখে। ইতিমধ্যে 'ঘৰ' শব্দত 'ৰ' বিভক্তি যোগ হৈছেই। আনসকলে ৰ-পৰা'ক এটা বিভক্তি জ্ঞান কৰি একেলগ কৰি লিখে। দুইটা উপায়েৰে যুক্তি আছে।



OKDISCD

# লাষ্ট বাছ

গুণীন বৰদলৈ

মোৰ আখৰ বেয়া। সেই কাৰণেই নে কি, গোট-গোট কৈ সজাই-পৰাই ধুনীয়াকৈ লিখা কাগজ-পত্ৰবোৰ মই উধৰ পৰা মূধলৈ পঢ়োঁ। নহ'লে বাকীবোৰ হাতেলিখা দৰখাস্তৰ শেষৰ পেৰেগ্ৰাফটোত কি আছে তাকে চাই পঢ়ি চোৱাৰ সাক্ষী স্বৰূপে নিচেই সংক্ষিপ্তভাৱে কাগজৰ চুকত চহী এটা মাৰি বাস্কেটত থৈ দিওঁ। পিয়নে নি অফিছত দিয়েগৈ।

এইখন দৰখাস্ত সেইকাৰণেই পঢ়িলো। ধুনীয়া আখৰ।

—অধীনৰ বিনীত নিবেদন এই যে মই ···জিলাৰ ···গাঁৱৰ অধিবাসী। গাঁৱৰ ৰাইজৰ হিতৰ অৰ্থে মই ধৰ্মীয় কামতে সৰুৰে পৰা লাগি আছোঁ। মোক শিৱভক্ত বুলি এই অঞ্চলৰ সকলো ৰাইজে জানে। তাৰ প্ৰমাণ লগত গাঁঠি দিয়া কাগজবোৰে কব। পিছে মই ইমান দিনে নিজৰ ঘৰতহে শিৱ সাধনা কৰি আছোঁ। এতিয়া মহাদেৱে মোৰ সাধনাত সন্তুষ্ট হৈ নিৰ্দেশ দিছে যে মই ৰাজহুৱাভাৱে শিৱ সাধনাত নিজকে নিয়োগ কৰিব লাগে। মোৰ উপায় নাই, কাৰণ এই ঠাইত শিৱ মন্দিৰ নাই। কিন্তু শিৱৰ আজ্ঞা; —মই যেনে তেনে এটা শিৱ মন্দিৰ প্ৰতিষ্ঠা কৰি হ'লেও সেই নিৰ্দেশ মান্য কৰিব লাগিব। গাঁৱৰ শিৱভক্ত ৰাইজে দিহা দিছে— চৰকাৰৰ ঘৰৰপৰা বিনা ৰয়েলটিৰে কাঠখিনি আনি দিব পাৰিলে বাকী মন্দিৰ প্ৰতিষ্ঠাৰ কাম ৰাইজেই সমাধা কৰিব।

গতিকে নিবেদন এই যে ওচৰৰ তিনি চাৰিখন গাঁৱৰ ৰাইজৰ হিতাৰ্থে কৰিবলৈ লোৱা এই ধৰ্মীয় কামৰ বাবে ধৰ্মপ্ৰাণ চৰকাৰে অন্ততঃ তিনিহাজাৰ কিউবিক মিটাৰ শাল কাঠ বিনা ৰয়েলটিৰে দিয়ে যেন। ইতি।

শিৱৰ সেৱক,

··· ··· ···

লগত গাঁঠি দিয়া ছাৰ্টিফিকেটখনো পঢ়িলো।

আমি এই গাঁৱৰ ৰাইজ গয়ৰহৰ হৈ কব পাৰোঁ যে আজি এবছৰ ধৰি ··· ···ৰ শৰীৰত সদাশিৱই ভৰ কৰিছে। তেওঁক সকলো ৰাইজে জাগ্ৰত শিৱ বুলিয়েই শ্ৰদ্ধা-ভক্তি কৰে। দৰখাস্তত লিখা সকলো কথা সঁচা।

মানুহজনলৈ চালো। ৪০ বছৰমান বয়সৰ হ'ব। ধকধকীয়া বগা পাঞ্জাবী আৰু চুৰিয়া পিন্ধিছে। মূৰত ভালকৈ আঁচুৰি থোৱা, গলধনলৈকে পৰা দীঘল চুলি। ভৰি শুদা, মুখৰ ডাড়ি পৰিষ্কাৰকৈ খুৰোৱা। গাত এখন ফুলাম গামোছা। শিৱ নামটোৱে মনত তৎক্ষণাত প্ৰতিক্ৰিয়া কৰা ছবিখনৰ লগত অমিল।

লগত অহা কেইজনেও মোলৈ একেথৰে চালে।

বাটৰ চুকে-কোণে থকা সকলো শিৱমন্দিৰ চোন আজিকালি পকাঘৰহে। শালকাঠৰ শিৱ মন্দিৰ কৰবাত আছে যদি মই কিজানি দেখা নাই। নাই বুলি ডাঠি কব নোৱাৰোঁ। মোৰ সন্দেহভঞ্জন কৰি লগত অহা এজনে ক'লে, "নহয় ছাৰ, আপোনালোকে নগৰত থকাবোৰহে দেখিছে। গাঁৱত এনেকৈয়ে সাজে ছাৰ।"

বাৰু বুলি কৈ তেওঁৰ দৰখাস্তখন যথাস্থানত থৈ ফাইলৰ কামত ধৰিলো।

ইয়াৰ অৰ্থ বা ইংগিত এয়ে যে আপোনাৰ দৰখাস্ত গ্ৰহণ কৰা হ'ল আৰু যথাবিহিত ব্যৱস্থা লোৱা হ'ব। কিন্তু দৰখাস্তকাৰী আৰু সংগীসকলে মোৰ কোঠা এৰি যোৱাৰ লক্ষণ দেখা নাপালো। পোনপটীয়াভাৱে 'আপুনি যক, মই এতিয়া কাম কৰোঁ'— বুলিও কব নোৱাৰি।

কিছুপৰ তলকা মাৰি থকাৰ পাছত তেওঁলোকৰ এজনে ক'লে, "আমি কিন্তু আজি অৰ্ডাৰ লৈ যাম বুলিহে আহিছোঁ।"

কথাৰ সুৰ টান। ইংগিত— 'তুমি এইদৰে আমাক পত্ৰপাঠে বিদায় দিলে নহ'ব।

"আজি"? আচৰিত হোৱাৰ দৰে মোৰ মুখৰ পৰা কথাষাৰ ওলাল।

"অ আজি। লাষ্ট বাছ চাৰি বজাত যায়।"

মোৰ খং উঠিছিল যদিও দমাই ৰাখিলো। কাৰ বেল-বাছ কেতিয়া যায় তাৰ খবৰো যে আমাৰ নিচিনা বিষয়াবোৰে ৰাখিব লাগে! কোনো কোনো ব্যৱসায়ী কলিকাতাৰ পৰা গুৱাহাটীৰ চাহৰ নীলাম বজাৰলৈ আহি একেদিনাই লাখ টকাৰ ব্যৱসায় কৰি ঘুৰি যায় বুলি শুনিছোঁ অৱশ্যে।

কিন্তু ৰাইজৰ কথা। ৰাইজ শব্দটো অতি ব্যাপক। প্ৰচাৰ আৰু প্ৰকাশ মাধ্যমত ইয়াৰ গুৰুত্ব ইমান বেছি যে কোন কেতিয়া সাত ধেনু পৰাচিত হ'ব লাগে তাৰ ঠিক নাই। আমি সদায় সাৱধান।

"শুনক; সৰজমিন তদন্ত নকৰাকৈ এইবোৰ কাম নহয়।"

মই যিমান মোলায়েম কৰি কব পাৰোঁ কৈ তেখেতসকলক বিদায় দিবলৈ চেষ্টা কৰিলো।

"সেইবোৰ পাছত কৰি থাকিব। সঁচা-মিছা জানিবই নহয় পাছত।"

"তথাপি আমি নিয়ম মাফিক কাম কৰিবই লাগিব।" মই এইবাৰ অলপ গহীনভাৱে জনাই দিলো।

কিন্তু দৰখাস্তকাৰী নাচোৰ-বান্দা। কথাৰ সুৰ কাঢ়া।

"শুনক; স্থানীয় এম. এল. এ ডাঙৰীয়াই দৰখাস্তৰ ওপৰতে সকলো কথা অনুমোদন কৰি জনাই দিছে। মন্ত্ৰীয়েও লিখি দিছে। তাৰ ওপৰত আপোনাক আৰু কি লাগে?"

হয়ো হয়। স্বপ্নত শিৱই আহি তেওঁক তেনেদৰে কৈছিল নে নাই সেই বিষয়ে মই তদন্ত কৰাম কেনেকৈ? গতিকে 'বিশ্বাসে মিলয় হৰি তৰ্কে বহুদূৰ' বুলি বাৰু এৰি দিলো। বিশ্বাসহে আচল কথা। পিছে চৰকাৰৰ ঘৰত কামবোৰ এনেদৰে নচলে। বিপদ সেইখিনিতে।

দৰখাস্তখনত আৰু এবাৰ চকু ফুৰালো। স্থানীয় বিধায়কে কেইবাশাৰীও বাক্যৰে অনুমোদন জনাইছে। অনুমোদন নজনাই কোনো বিধায়কে ভৱিষ্যতৰ বাট বন্ধ নকৰে — সেইটো জানো। মন্ত্ৰীয়েও লিখিছে হয়। ইংৰাজী ভাষাত নকৈ বহু কথা কব পাৰি আৰু কৈয়ো আচল কথা নোকোৱাকৈ থাকিব পাৰি। অসমীয়াতো পাৰি। মন্ত্ৰীয়ে ইংৰাজীতে লিখিছে। যথোপযুক্ত ব্যৱস্থা বুলিলে কি বুজা যায়? কাৰ্য ব্যৱস্থা ইতিবাচকো হ'ব পাৰে, নেতিবাচকো হ'ব পাৰে। পোনপটীয়াকৈ লিখিবৰ ইচ্ছা নাথাকিলে যে এনেকৈ লিখা হয়, সেই কথা এতিয়া দৰখাস্তকাৰীক বুজোৱা যায় কেনেকৈ? আমি কিন্তু তাৰ অৰ্থ বুজোঁ। লেঠাটো সেইখিনিতে।

ঠিক কৰিলো,— যিমান পাৰি ভদ্ৰভাৱে জেৰা কৰিয়েই চোৱা যক।

"মন্দিৰ সাজিবলৈ আপোনালোকৰ মাটি কিমান আছে বাৰু? তিনিহাজাৰ কিউবিক মিটাৰ শাল কাঠেৰে সাজিবলৈ লৈছে যেতিয়া মন্দিৰ বেচ ডাঙৰেই হ'ব!"

"মাটি? মাটি ছাৰ হব আৰু।"

কথাৰ সুৰত অনিশ্চয়তা ফুটি উঠাত ইয়াতকৈ ভাল পৰিপূৰক উত্তৰ বিচাৰি তেওঁ আন এজনলৈ চালে।

এইবাৰ সিজনে ক'লে, "মাটি হ'ব। দান দিয়া মানুহো বিচাৰিলে ওলাব।"

"তাৰ মানে মাটিৰ বন্দৱস্ত হোৱাই নাই?" সুবিধা পাই মই ফোৰণ দিলো।

এজনে খেচেংকৈ কৈ দিলে, "অজস্ৰ চৰকাৰী মাটি পৰি আছে। ললেই হল এডোখৰ।"

"ঠিক কৈছে আপুনি। কিন্তু মাটিডোখৰ চৰকাৰে মন্দিৰৰ নামত হস্তান্তৰ কৰিবতো লাগিব! সেইটো বন্দবস্ত হৈছে জানো?"

"ক'ত হৈছে? আমি কিন্তু কৰিম ছাৰ বন্দবস্ত। এইফালে কাঠৰ বন্দবস্ত হ'লেহে মাটিৰ কথা ভাবিব পাৰি।"

দৰখাস্তকাৰীসহ আটাই কেইজনলোকৰ আগৰ উগ্ৰমূৰ্তি অদৃশ্য হ'ল; লাহে-লাহে লেউ-সেউ ভাব একোটা ফুটি উঠিল। "কিবা এটা কৰক আৰু। শিৱ মন্দিৰৰ কথা। ৰাইজৰো আশীৰ্বাদ পাব।"

"মই বুজাত আপোনালোকে মাটি কিনাৰ আগতেই চৰকাৰৰ ঘৰৰ পৰা কণ্ট্ৰলত ছিমেণ্ট, টিংপাত, লোহা-এইবোৰ গোটাই থোৱাৰ কথা ভাবিছে যেন লাগিছে।"

"হ'লেও ছাৰ, কাঠখিনি গোটাই থোৱাটো বৰ ডাঙৰ কথা। আপুনি থাকোঁতেই কিবা এটা কৰি লব নোৱাৰিলে···।"

মোৰ অজানিতে বোধহয় ওঁঠত হাঁহি এটা বিৰিঙি উঠিছিল। মই হঠাতে মানুহ কেউজনৰ ইমান উপকাৰী হৈ পৰিলো কেনেকৈ? মানুহ কেইজনে দেখিলো—ধমক দিব পাৰে যেনেকৈ, তাৰ দুগুণে স্তাৱক হ'বও পাৰে তেনেকৈ!

ইজনে কথাষাৰ শেষ কৰিবলৈ নৌ পাওঁতেই সিজনে মুখতে ধৰি ক'লে, "আপোনাক ছাৰ ঘৰতে লগ পাই সকলো কথা কব লাগিব। ইয়াত সিমান সময় নহ'ব। আপোনাৰ ঘৰটো চিনি পোৱা হ'লে···।"

মোৰ হাঁহি উঠিব খুজিছিল। নিজকে পুতো কৰিবৰ মন গৈছিল। পিছ মুহূৰ্ততে মোৰ স্বাভাৱিক কৰ্তৃত্ব খটুৱাই শিৱভক্তকে ধৰি মানুহকেইজনক অফিছ কোঠাৰ পৰা উলিয়াই দিবৰ মন গৈছিল। পিছে সাহসে নুকুলালে। ৰাইজ বুলিলে বুলিবৰ নাই। এনেকুৱা কিছুমান অৱস্থাত দুৰ্ঘটনাত পৰা গাড়ীৰ ড্ৰাইভাৰ আৰু বাটৰ জনতাৰ কথা মনলৈ আহে।

মই সাহস গোটাই খামিডাঠ হৈ কলো, "নালাগে মোৰ ঘৰ চিনি পাব। বুজিব লগাখিনি মই ইয়াতে সকলো বুজিলো। মাটিৰ দাগ নম্বৰ, পট্টা নম্বৰ আৰু নামজাৰী কৰা কাগজৰ নকল পঠাই দিব।"

মানুহ কেইজন থৰ লাগিল।

"আৰু আপোনালোকৰ লাষ্ট বাছ যাবৰ হ'ল। খৰখেদা কৰক।"

আৰু কবৰ প্ৰয়োজন নহ'ল। তেওঁলোক গ'লগৈ। মোৰ শিৱ বা ৰাইজৰ আশীৰ্বাদ লোৱা নহ'ল।

## সম্পাদকৰ কোঠালিত

বন্ধুঃ অসমৰ স্থায়ী ৰাজধানীৰ স্থান। অতি উত্তম বিষয়বস্তু। বহু "বন্ধ" সফল হোৱাৰ উজ্জ্বল সম্ভাৱনা। তাৰে যদি দুটা বন্ধ ৰিলায়েন্স কাপৰ ছেমি ফাইনেলৰ দুদিনত পৰিলহেঁতেন। জিলাই জিলাই বন্ধ হোৱাৰ কোনো দৰকাৰ নাই; তেনে কাম ঠেক মনোবৃত্তিৰ পৰিচায়ক বুলি নিন্দিত হোৱাৰ সম্ভাৱনা। ইমান ডাঙৰ বিষয়বস্তু; গতিকে অসম বন্ধই যুক্তিযুক্ত। কেৱল দয়া কৰি ৰেডিঅ' টেলিভিশ্যন আৰু বিদ্যুৎ যোগানক যেন ৰেহাই দিয়া হয়।

১১ পৃষ্ঠাৰ পিছৰ পৰা

তেওঁলোকে নিজৰ ক্ষমতাৰ অপব্যৱহাৰ কৰে। এটা বিশেষ উদ্যোগৰ ওপৰত প্ৰভাৱ পেলাব পৰা একোটা সিদ্ধান্ত মূল্যৰ বিনিময়ত গ্ৰহণ অথবা বাতিল কৰাৰ ঘটনাৰ উদাহৰণো দাঙি ধৰা হৈছে।

নিঃসন্দেহে আজি দুৰ্নীতিৰ অভিযোগৰ পৰা মুক্ত অতি কম কংগ্ৰেছী নেতাহে (বিশেষকৈ চৰকাৰত) আছে। শ্ৰীমতী গান্ধীয়ে তেওঁৰ শাসনকালত ঘটা প্ৰতিটো ঘটনাৰ কথা জানিছিল। দেশৰ যিকোনো গুৰুত্বৰ যিকোনো লোকৰ বিষয়ে "একোখন সম্পূৰ্ণ ডছিয়াৰ" তেওঁৰ হাতত আছিল বুলি কোৱা হয়। এইটো অতিৰঞ্জিত কথা হ'লেও ৰ (RAW) বা কেন্দ্ৰীয় চোৰাংচোৱা সংস্থাৰ (CBI) যোগেদি তেওঁ বিচৰা যিকোনো তথ্যাই সংগ্ৰহ কৰিব পৰা তেওঁৰ শক্তিৰ বিষয়ে কোনেও সন্দেহ নকৰে। কোন কোন লোক দুৰ্নীতি পৰায়ণ সেইকথা জনা সত্ত্বেও তেওঁ যে কোনো ব্যৱস্থা গ্ৰহণ কৰা নাছিল, সেই ধাৰণাটোৱে তেওঁৰ ভাবমূৰ্তি নষ্ট কৰিলে। ৰাজীৱ গান্ধীয়ে তেওঁৰে পদাংক অনুসৰণ কৰিছে।





OKDISCD

# "যি টুথপাউদাৰত লং তেল নাই, সি মোৰ কোনো কামত নাহে।"




"সেয়ে মোৰ মনেবিচৰা টুথপাউদাৰ হৈছে প্ৰমিছ। লং তেলেৰে ভৰা। গাঁৱে-নগৰে নাম কৰা। লং তেলৰ আছে দুটা বিশেষ গুণ। এটা হ'ল ই দাঁতক সৰু-সুৰা ৰোগৰ পৰা সুৰক্ষিত ৰাখে। ইয়াৰ প্ৰভাৱত দাঁতৰ ক্ষতিসাধন কৰিব পৰা জীৱাণু বিয়পিব নোৱাৰে। ফলত আপোনাৰ দাঁত দৃঢ় মজবুত হৈ থাকে। আৰু দ্বিতীয়তে ই আপোনাৰ শ্বাস সজীৱ সুগন্ধিত কৰি ৰাখে। সেয়ে আপোনাৰ সৈতে বাৰ্ত্তালাপ কৰা লোকে আপোনাৰ পৰা মুখ ঘূৰাই নিনিয়ে।

আটাইতকৈ ডাঙৰ কথা হৈছে দাম যি পৰে সেই অনুসৰি প্ৰমিছ টুথ-পাউদাৰৰ গুণৰ তুলনা নাই। আপুনি যিখিনি খৰচ কৰে তাৰ প্ৰতিটো পইচা কামত আহে।

মোৰ কথা মানে যদি প্ৰমিছ টুথপাউদাৰহে লব। লং তেলেৰে ভৰপূৰ। বালচাৰাৰ চিন্তাধাৰাৰ অনন্য উৎপাদন।"

লং তেলৰ এক অসাধাৰণ উৎপাদন

## প্ৰমিছ টুথপাউদাৰ




বালচাৰা টুথপেষ্ট বিশেষজ্ঞ

CHAITRA-B BLS 828 ASM









পাৰাদ্বীপৰ পৰা ভুবনেশ্বৰৰ পথ ছোৰাত, অৰুণাভে প্ৰথমতে ভাৱিছিল —অকল ৰূপালীৰ কথা মনলৈ আহিব। বিদায় লৈ অহাৰ সময়ত মুহূৰ্ত্তৰ বাবে বেলকনিত থিয় হৈ থকা ৰূপালী তেওঁৰ চকুত পৰিছিল।

ৰূপালীৰ দুচকুত ফুটি উঠিছিল নেকি সেই পৰিচয়ৰ স্মৃতি? ৰূপালীক এটা অস্বস্তিকৰ পৰিস্থিতিৰ পৰা ৰক্ষা কৰিবৰ বাবেইতো অৰুণাভে নিজৰ পূৰ্বৰ কোনো স্মৃতিৰ কথা অৱতাৰণা নকৰিলে। যি এবাৰ স্বইচ্ছাই আঁতৰি যায়, তাক দূৰৈৰ পৰাই গোপনে-গোপনে শুভেচ্ছা জনোৱাৰ বাহিৰে বা আৰু কৰিবলগীয়া কি থাকে?

চলন্ত গাড়ীৰ ছিটত বহি অৰুণাভে ছিগাৰেট এটা জ্বলাই ল'লে। বাহিৰত আবেলিৰ গোন্ধ, ঘোৰ খোৱা নীলবৰ্ণ আকাশ।

নীলকণ্ঠই একমনে গাড়ী চলাই আছে। কি বা ভাবি আছে। আচলতে, পৃথিৱীৰ প্ৰতিজন মানুহে সকলোৰে অলক্ষিতে নিজৰ মনৰ ভিতৰতে সংগোপনে এক নিজস্ব পৃথিৱী নিৰ্মাণ কৰে; সেই পৃথিৱীত বহুত দূৰৰ পৰা ভাঁহি অহা দুন্দুভিৰ শব্দৰ দৰে নিঃসংগ পৰত সুখ আৰু দুখৰ শব্দ বাজে।

বাঁওহাতখন বুকুৰ ওপৰত থৈ অৰুণাভে অনুভৱ কৰিবলৈ চেষ্টা কৰিলে এই মুহূৰ্তত হৃদয়ৰ গভীৰত কিহৰ শব্দ প্ৰতিধ্বনিত হৈছে। নামহীন কিবা এটা একাকী শব্দ নৈশব্দৰ দৰে তেওঁৰ হাতৰ তলুৱাৰে বগুৰা বাই শৰীৰৰ প্ৰতিটো অংগত বিয়পি পৰিল।

শেষ হৈ যোৱা প্ৰথম ছিগাৰেটটো দলিয়াই দি অৰুণাভে আৰু এটা ছিগাৰেট জ্বলাই ল'লে।

ভুবনেশ্বৰত প্ৰবেশ কৰাৰ মুহূৰ্তত এবাৰৰ বাবে অৰুণাভে ভাৱিলে— সন্ধিয়াটো আজি কেনেকৈ কটোৱা যাব। অনুৰাধাৰ কথাকে মনলৈ আহিল প্ৰথমতে। কোনো কোনো মানুহৰ কথা মনলৈ আহিলেই এক নিৰ্মল আনন্দই হৃদয় স্পৰ্শ কৰে।

হঠাতে অৰুণাভৰ অনুভৱ হ'ল ৰূপালীৰ উপস্থিতি আৰু অতীত হৈও অতীত হ'ব নোখোজা সেই স্মৃতিয়ে তেওঁক আৰু কোনো দিনে আমনি নকৰে।

পোনে পোনে প্ৰাচী হোটেললৈ বলা। অৰুণাভে নীলকণ্ঠক ক'লে।

অৰুণাভৰ কিছু লাগেজ এতিয়াও হোটেলৰ ক্ল'ক ৰুমতে আছে। কালি-য়েই ৰুম বুক কৰি ৰাখিবৰ বাবে অৰুণাভে মেছেজ পঠিয়াইছিল। মেহৰা চাহাবে নিশ্চয় বুক কৰি ৰাখিছে।

গুড আফটাৰনুন।

কাউণ্টাৰত এংলো ইণ্ডিয়ান মহিলা গৰাকীৰ লগত আৰু এজনী ছোৱালী থিয় হৈ আছে। ৰিছেপছনিষ্ট হ'ব, আগতে অৰুণাভৰ চকুত পৰা নাছিল, নতুন ৰিক্ৰুইটো হ'ব পাৰে। জিনছৰ পেণ্ট এটাৰ ওপৰত হালধীয়া গেঞ্জি এটা, বাঁওফালে বুকুত এই উৰোঁ উৰোঁকৈ থকা কপৌ চৰাই এটা প্ৰিণ্ট কৰা আছে। কি বা অৰ্থ!

অৰুণাভ সোমোৱাৰ লগে লগেই ওচৰতে থকা ইণ্টাৰক'মটো বাজি উঠিল। বাওঁহাতেৰে ছোৱালীজনীয়ে উঠাই ললে।

মেহৰা চাহাবে ঠিকেই খবৰ দিছে।

এংলো ইণ্ডিয়ান মহিলা গৰাকীক আজি কিবা নিষ্প্ৰভ যেন লাগিছে, হয়তো ছোৱালীজনী ওচৰত থকাৰ বাবে। প্ৰথম দিন ইমান চকুত পৰা নাছিল, আজি অৰুণাভৰ ভালকৈ চকুত পৰিল,— সেউজীয়া স্কাৰ্ট পৰিহিতা মহিলাৰ মুখত প্ৰসাধনে ঢাকি ৰাখিব নোৱৰা বয়সৰ ৰেখা। ওচৰতে থকা হালধীয়া গেঞ্জিৰে ছোৱালীজনীক এটা ৰঙা আপেল যেন লাগিছে; বুকুত গেঞ্জিয়ে ঢাকি ৰাখিব নোৱৰা ঔদ্ধত্য আছে।

এইবাৰ বেলেগ কোঠালি। থাৰ্ড ফ্ল'ৰত। হোটেলখন এতিয়া চিনাকি হৈ গৈছে।

লাউঞ্জৰ ছোফাত বহি দুজন বয়সস্থ মানুহে এই আবেলিতে বিয়েৰ খাই আছে। বুজিব নোৱৰা কিবা এটা ভাষাত তেওঁলোকে অনৰ্গল কথা পাতি আছে। দাক্ষিণাত্যৰ ফালৰ হ'ব। কলেজত থাকোঁতে বিভিন্ন ৰাজ্যৰ পৰা

অহা ল'ৰাবোৰৰ পৰা অৰুণাভে বিভিন্ন ভাষা শিকাৰ এটা প্ৰচেষ্টা চলাইছিল প্ৰথমতে। সকলোৱে প্ৰথম প্ৰথম তেনেকুৱা কৰে। দুই-এটা অশ্লীল শব্দ শিকাৰ পাছত উৎসাহ শেষ হৈ যায়। সেই সময়তে অৰুণাভে অনুভৱ কৰিছিল পৃথিৱীৰ সকলো ভাষা শিকিলেও যেন দাক্ষিণ্যত্যৰ ভাষা শিকাতো সম্ভৱ নহয়।

গা ধুই উঠি অৰুণাভে অফিছলৈ ফোন কৰিলে। অনাতাঁৰ-কোঠাত আজি কালি ছব্বিছ ঘণ্টা মানুহ থাকে; ৰিগৰ লগতো ভুবনেশ্বৰৰ সংযোগ স্থাপন কৰা হৈছে। ৰিগৰ কমিউনিকেশ্যন ছিষ্টেম দেখি অৰুণাভ অবাক হৈ গৈছিল। ছেটেলাইটৰ জৰিয়তে যেন গোটেই পৃথিৱীখন হাতৰ মুঠিলৈ অনা হৈছে। ডায়েল ঘূৰালেই লণ্ডন, পেৰিছ, ছিঙাপুৰৰ লগত সংযোগ স্থাপন হয়। অৰুণাভে মাজ সমুদ্ৰৰ মাজৰ ৰিগৰ পৰাই পেৰিছৰ এক্সচেঞ্জৰ ছোৱালী অপাৰেটৰৰ মাত শুনিছে। ভাবিলে কেনেকুৱা লাগে! অথচ ভুবনেশ্বৰৰ পৰা পাৰাদ্বীপৰ লাইন পাবলৈ প্ৰায় দিনটো লাগে,— যদিহে লাইন ঠিকে থাকে।

মাইকেলে সদায় সন্ধিয়া ছিঙাপুৰত থকা কাৰোবাৰ সৈতে ৰিগৰ পৰাই চুপতি মাৰি থাকে। ডেনিছে এদিনো কালৈকো ফোন কৰা নাই। অৰুণাভে এদিন সুধিছিল— তুমি কেতিয়াবা ঘৰলৈ ফোন নকৰা কিয়?

ডেনিছে কেৱল এটা শান্ত হাঁহিৰে সমিধান দিছিল—যি হাঁহিৰ অৰ্থ হয়তো অকল তেওঁহে জানে।

কোনোবা অচিনাকি অপাৰেটৰ এজনে টেলিফোন তুলি ললে।

মেহৰা চাহাব এতিয়া অফিছত আছেনে? অৰুণাভে সুধিলে।

এই অলপ আগতে ওলাই গৈছে। আপুনি কোনে কৈছে?

অৰুণাভ চৌধুৰী।

গুড ইভিনিং ছাৰ। আজি ৰাতিৰ ফ্লাইটত মেহৰা চাহাব দিল্লীলৈ যোৱাৰ কথা। এতিয়া হোটেল কোনাৰকত পাব পাৰে।

টেলিফোনটো ক্ৰেডেলত থৈ অৰুণাভে ভাবিলে এতিয়াই মেহৰা চাহাবক ফোন কৰিব নে নকৰে। এই দুসপ্তাহ অৱশ্যে অৰুণাভৰ অফিছৰ লগত কোনো সম্বন্ধ নাই। অফ-শ্ব'ৰ ৰিগত থাকিলে এইটোৱেই সুবিধা। একেৰাহে কিছুদিন ৰিগত থকাৰ পাছত অফ পোৱা যায়। বিদেশী কম্পেনিবোৰে তিনি সপ্তাহ ৰিগত কাম কৰাৰ পাছত তিনি সপ্তাহ ছুটি দিয়ে; লগতে ঘৰলৈ যাবলৈ আপ এণ্ড ডাউন এয়াৰ ফেয়াৰ। পাছলৈ হয়তো এই ক'ম্পেনিয়েও একেই সুবিধা দিব পাৰে। বৰ্তমানে মানুহৰ অভাৱৰ বাবে পোন্ধৰ দিন কাম কৰিলে এসপ্তাহৰ ছুটিৰ ব্যৱস্থা ৰাখিছে।

মেহৰা চাহাবক তথাপি ৰিপ'ৰ্ট কৰাটো উচিত হ'ব। ফোনটো তুলি ল'লে অৰুণাভে।

হোটেল কোনাৰক লাগে।

সিমূৰৰ পৰা ভাঁহি আহিল নিয়ন্ত্ৰণ-কক্ষৰ অপাৰেটৰৰ কণ্ঠস্বৰ। কনভেণ্ট-এডুকেটেড ছোৱালীৰ একছেণ্টেড মাত।

হোটেল কোনাৰক?

মিষ্টাৰ মেহৰাৰ লগত কথা হ'ব পাৰোঁনে?

জাষ্ট এ মিনিট।

মেহৰা চাহাব এতিয়া আকৌ কৰবালৈ ওলাই যাব; সাতবজাৰ পাছত অৰুণাভক হোটেল কোনাৰকতে লগ ধৰিবলৈ ক'লে।

হাতৰ ঘড়িলৈ চালে অৰুণাভে। এতিয়াও দুঘণ্টাৰ অধিক সময় আছে। অনুৰাধা হয়তো এতিয়া অফিছৰ পৰা ঘৰ পালেগৈ। অনুৰাধাৰ ঘৰত টেলিফোন নাই। তথাপি অফিছৰ নাম্বাৰতে অৰুণাভে ডায়েল কৰিলে।

দীৰ্ঘ দুইমিনিট জুৰি ক্ৰিং ক্ৰিং শব্দৰে টেলিফোন বাজিল। অফিছ নিশ্চয় বন্ধ হ'ল; চৰকাৰী অফিছত ছুটিৰ পাছত কোননো বহি থাকে! অফিছৰ সময়তে মানুহ বিচাৰি পোৱা নাযায়।

ফোনটো নমাই থবৰ সময়তে ভাঁহি আহিল অনুৰাধাৰ মাত। অৰুণাভৰ কণ্ঠস্বৰ শুনিয়েই অনুৰাধাই চিঞৰি উঠিল।

এতিয়াও বাচি আছা নেকি তুমি? মইতো তোমাৰ বাবে কনডলেন্স পাতিম বুলি ভাবিছিলো। কেতিয়া আহিলা?

আজি। তোমাৰ খবৰ কোৱা?

বাঃ খবৰ ল'ব নালাগে। আমাৰ খবৰ লোৱা মানুহ বহুত আছে। তুমি নললেও হ'ব। ...এই, অফিছলৈ আহিব পাৰিবা?

তোমাৰ অফিছলৈ মই আকৌ কিয় যাম?

আহাচোন। কথা আছে। দেৰি নকৰিবা কিন্তু। অফিছ চিনি পোৱা নহয়। মই বাৰাণ্ডাতে থাকিম। আহিবাতো?

কিয়?

মই মাতিছোঁ, সেইকাৰণে।

ঠিক আছে।

দেৰি নকৰিলে অৰুণাভে। অকলে অকলে সন্ধিয়াটো কটোৱাতকৈ কিছু সময় অনুৰাধাৰ লগত কটালে সময়খিনি ভালদৰেই পাৰ হ'ব। নীলকণ্ঠক চাবি বজাত ৰিপ'ৰ্ট কৰিবলৈ কৈছিল, আহিল নে নাই জানো!

ৰিছেপশ্যন কাউণ্টাৰত এতিয়াও হালধীয়া গেঞ্জি পিন্ধা ছোৱালীজনী পিছমূৰকৈ থিয় হৈ আছে। শ্বেম্পু কৰা বব কটা চুলি। অনাবৃত গলধন সাগৰৰ পাৰৰ মসৃণ বালিচৰৰ দৰে লাগিছে।

কোঠাৰ চাবি কাউণ্টাৰত জমা থৈ অৰুণাভ হোটেলৰ বাহিৰ ওলাল। বাহিৰত নীলকণ্ঠই গাড়ীত বহি টোপনিয়াই আছে।

ৰবীন্দ্ৰ মণ্ডপৰ পৰা কিছু আঁতৰত চেক্ৰেটেৰিয়েটৰ কাষত অনুৰাধাৰ অফিছ। গাড়ীৰে ক্ৰছ কৰোঁতে অনুৰাধাই এদিন দেখুৱাই দিছিল; দুমহলীয়া বিল্ডিং, বাহিৰত চকুত পৰাকৈ ছাইনব'ৰ্ড আছে।

উৰিষ্যা চৰকাৰৰ সহযোগত উৰিষ্যাত বিভিন্ন ঠাইক লৈ অনুৰাধা-



হঁতে কেইবাখনো ডকুমেণ্টেৰি ফিল্ম কৰিছে।

অফিছ উলিয়াবলৈ অৰুণাভৰ বিশেষ একো অসুবিধা নহ'ল। সন্মুখত নীলকণ্ঠই গাড়ী ৰখালে। গাড়ীৰ শব্দ শুনিয়েই ঘৰৰ ভিতৰৰ পৰা বাৰাণ্ডালৈ ওলাই আহিল অনুৰাধা। ধোঁৱা বৰণীয়া প্ৰিণ্টেড শাৰী, কান্ধেদি বৈ গৈছে চিনাকি সেই বাদামী চুলিৰ বেণী। চিৰিৰে নামি আহি অনুৰাধাই ক'লে,— তুমি কিন্তু খীণালা। ৰিগত খাবলৈ নিদিয়ে নেকি?

খোৱাৰ কাৰণে নহয়।

হাঁহি মাৰি অৰুণাভে ক'লে।

চিৰিৰে ওপৰলৈ উঠি যোৱা অনুৰাধাই পিছফালে মুখ ঘূৰাই সুধিলে,— তেনেহ'লে?

তোমাৰ চিন্তাত।

বাঃ বাঃ তেল ক'ম্পেনিৰ মানুহতো, তেল মৰাত বাহিৰে দেখিছোঁ একোৱেই নাজানা। ভিতৰলৈ বলা।

সৰু অফিছ। চ'কিদাৰ এটাত বাহিৰে অফিছত কোনো নাই।

তোমাৰ কাৰণেই মই ৰৈ আছোঁ, বাকী সকলো গ'লগৈ। —অনুৰাধাই ক'লে।

সৰু হ'লেও পৰিষ্কাৰ অফিছ। দেৱালত উৰিষ্যাৰ বিভিন্ন মঠ,— মন্দিৰ আৰু দৰ্শনীয় স্থানৰ ৰঙীণ সুদৃশ্য প'ষ্টাৰ; ফাইল-পত্ৰেৰে উশাহ বন্ধ হৈ যাব খোজা নিৰ্জীৱ চৰকাৰী অফিছৰ পৰা এই অফিছ সঁচাকৈ ব্যতিক্ৰম। যি অফিছত অনুৰাধাৰ দৰে প্ৰাণ-চাঞ্চল্যৰে ভৰি থকা এজনী ছোৱালী থাকে, সেই অফিছ যেন ঠিক এনেকুৱাই হ'ব; —

অৰুণাভে মনতে ভাবিলে।

ভিতৰৰ চিৰিৰে অনুৰাধাহঁত ওপৰলৈ উঠি গ'ল। চিৰিৰ বাঁওফালে দেৱালত পুৰীৰ সমুদ্ৰত অস্তপ্ৰায় সূৰুযৰ সুবিশাল প'ষ্টাৰ; সন্ধিয়াৰ সমুদ্ৰবক্ষত ওপঙি ৰোৱা মাছমৰীয়া নাও।

তুমি চাগে ভাবিছা, তোমাকনো এতিয়া এইদৰে ক'লৈ মাতি আনিছোঁ। এতিয়াই গম পাবা।

ৰহস্যময় হাঁহি এটা মাৰি অনুৰাধাই ক'লে।

ওপৰৰ মহলাৰ ক'ৰিডৰৰ দুইফালে দুটা কোঠালী।

বাহিৰৰ ৰাস্তাত হালধীয়া পোহৰ, তললৈ পৰা ভাঁহি আহিছে সন্ধিয়াৰ ব্যস্ত পথৰ ৰিক্সাৰ শব্দ। নিৰ্জনতা বিৰাজমান অফিছৰ ভিতৰত।

আহাঁ।

বাঁওফালৰ কোঠালিৰ দুৱাৰ খুলি অনুৰাধা ভিতৰলৈ সোমাই গ'ল। অৰুণাভে অনুসৰণ কৰিলে। দুৱাৰ-খিৰিকি বন্ধ প্ৰায়ান্ধকাৰ কোঠালি। খিৰিকিত ওলমি আছে ডাঠ অস্বচ্ছ পৰ্দা।

দুৱাৰখন বন্ধ কৰি দিয়া।

আন্ধাৰতে অনুৰাধাই ক'লে।

দুৱাৰ বন্ধ কৰাৰ লগে-লগে অন্ধকাৰে আগুৰি ধৰিলে কোঠালিৰ পৰিবেশ। ৰহস্যময় হাঁহি ওটা মাৰি অনুৰাধাই নিচেই ওচৰৰ পৰা ক'লে, —ভয় লাগিছে নেকি তোমাৰ? একো নকৰোঁ দিয়া, ভয় খাব নালাগে। এইফালে আহাঁ।

এচুকৰ ছোফাত অৰুণাভ বহিল।

আন্ধাৰতে অনুৰাধাই খুট-খাট কি জানো কৰিলে। অৰুণাভে অনুমানেই কৰা নাছিল, —সন্মুখত দেৱালত লগোৱা আছে বগা পৰ্দা। এচুকত ৰখা প্ৰজেক্টৰৰ পৰা অনুৰাধাই পৰ্দাত পোহৰ পেলালে। আন্ধাৰৰ মাজেৰে দৃশ্যমান ধোঁৱাময় ঋজু পোহৰৰ ৰেখা। কণ্ঠস্বৰ ভাঁহি আহিল অনুৰাধাৰ।

ডকুমেণ্টেৰিখন যে কৰিছিলো, তোমাক দেখুৱাম বুলি ভাবিছোঁ। বৰ কষ্ট কৰিছোঁ জানা এই খনৰ কাৰণে। তোমাৰ কমেণ্ট দিবা।

কিমান সময় পাৰ হৈ গ'ল অৰুণাভে প্ৰথমতে অনুমান কৰিব নোৱাৰিলে। সেই কেইটা মুহূৰ্ততে অৰুণাভৰ ভাব হ'ল— উৰিষ্যাৰ প্ৰতিটো চুকতে যেন লুকাই আছে ঐতিহ্যমণ্ডিত একো একোখন সুদৃশ্য ঠাই। অৰুণাভে সিদ্ধান্ত ল'লে,— এই পোন্ধৰ দিনৰ ভিতৰতে যিমান পাৰি উৰিষ্যাৰ ঠাইবোৰ ঘূৰিব লাগিব। অনুৰাধা লগত যাব নে? অনুৰাধাতকৈ ভাল গাইড কোন হ'ব পাৰে।

হঠাতে অনুৰাধাই লাইট জ্বলাই দিলে। উজ্বল পোহৰে অৰুণাভৰ চকু চাঁত মাৰি ধৰিলে। প্ৰজেক্টৰ অফ কৰি অনুৰাধাই সুধিলে,— কেনেকুৱা পালা?

—এনেকৈ ডকুমেণ্টেৰি কৰিলে উৰিষ্যা টুৰিষ্টেৰে ভৰি যাব।

আচলতে কি জানা, চাব লগীয়া ঠাই সকলোতে আছে। তুমি কেনেকৈ প্ৰেজেণ্ট কৰিছা, কেনেকৈ মানুহক আকৰ্ষণ কৰিছা তাৰ ওপৰতেই নিৰ্ভৰ কৰিছে মানুহৰ ভিৰ। তোমাৰ অসমতো কিমান চাবলগীয়া ঠাই আছে! মায়েতো সদায় যাওঁ যাওঁ কৈ থাকে। কামাখ্যাত পূজা দিলেহে বোলে স্বৰ্গত ঠাই পাব। তুমিয়েই এবাৰ লৈ যাবা। মায়ে বৰ ভাল পায় তোমাক।

তুমি নোপোৱা নেকি?

হাঁহি হাঁহি অৰুণাভে সুধিলে।

তোমাক ভাল পোৱাতকৈ গছৰ মূঢ়া এটাকে ভাল পোৱা ভাল। কোনো কথাতে তোমাৰ একো ৰিএকশ্যন নাই। এতিয়া বলা। এইদৰে ইয়াত চুপতি মাৰি থাকিলে কাইলৈকে অফিছত ওলাব নোৱৰা হম। তলত যে চ'কিদাৰজন দেখিছা, নাম্বাৰ ৱান ছি. আই. ডি।

বাহিৰৰ পথত সন্ধিয়াৰ ভিৰ। অফিছৰ চৌহদত নীলকণ্ঠ ৰৈ আছে গাড়ীত বহি। অনুৰাধাই সুধিলে উৰিয়াতে,— চিনি পাইছা নে নাই। সলজ্জ হাঁহি মাৰি নীলকণ্ঠই মূৰ দুপিয়ালে।

ছিগাৰেট এটা জ্বলাই ল'লে অৰুণাভে।

এই, তোমাৰ গাড়ীখন এৰি দিয়া। অনুৰাধাই ক'লে। অৰুণাভে অনুৰাধাৰ মুখৰ ফালে চালে।

সন্ধিয়া গাড়ীত ঘূৰি ফুৰিবলৈ একদম ভাল নালাগে। চব মানুহে



OKDISCD

দেখিছো খোজ কাঢ়ি ফুৰিছে তাৰ মাজত গাড়ীত উঠি ঘুৰি ফুৰিলে নিজকে কেনেকুৰা অপৰাধী যেন লাগে।

বাঃ একদম বেলেগ ফিল'ছফি দেখোন! অৰুণাভে হাঁহি হাঁহি ক'লে।

ঠাট্টা কৰিব নালাগে। অফিছৰ গাড়ী লৈ ক'ত ছোৱালীৰ লগত ঘুৰি ফুৰিছা, তোমাৰ সেই মেহৰা চাহাব নে কাক ৰিপ'ৰ্ট কৰি দিম ৰবা। গম পাবা।

নীলকণ্ঠক সাঁত বজাত অৰুণাভে হোটেল প্ৰাচীত ৰিপ'ৰ্ট কৰিবলৈ কলে।

কোন ফালে যাবা?

অৰুণাভে সুধিলে।

ৰাস্তাৰ সোঁফালে ছিনেমা হল এটা। ফাৰ্ষ্ট শ্ব' এতিয়াও আৰম্ভ হোৱা নাই। সন্মুখত মানুহৰ ভিৰ। বোধহয় কিবা উৰিয়া ছিনেমা, এক্কা-বেঁকা আখৰ অৰুণাভে পঢ়িব নোৱাৰিলে।

এনেয়ে ৰাস্তাৰে খোজ কাঢ়োঁ বলা। মাজে-মাজে এনেদৰে মানুহৰ ভিৰৰ মাজেৰে খোজ কাঢ়িব লাগে। নহ'লে পৃথিৱীৰ মানুহ বুলি মনতেই নাথাকিব। পাৰাদ্বীপত কি কৰিলা? তোমালোকৰ কম্পেনিৰ কথা উৰিয়া পেপাৰত খুব ওলাইছে। তোমালোকৰ ৰিগ দেখুৱাবলৈ নিবা?

লেডিজ ষ্ট্ৰিক্টলি প্ৰহিবিটেড।

নিবৰ মন নাই যদি নিনিওঁ বুলি কবা।

সঁচাকে।

হৈছে। দৰকাৰ নাই, নাচাওঁ তোমাৰ ৰিগ।

এনেয়ে কৈ চাইছিলো তুমি কেনেকুৱা কৰা।

অনুৰাধাৰ বাদামী চুলিৰ বেণী বতাহত উৰিছে। এনেকুৱা বয়সত সকলো ছোৱালীৰ মুখতে যেন কিবা এক লাৱণ্যময়ী মাধুৰ্য ফুটি উঠে। দিনটো অফিছত থাকি অনুৰাধা এতিয়া ক্লান্ত, তথাপি সকলো সময়তে অনুৰাধাৰ চকু দুটা চিকমিকাই থাকে। সন্ধিয়াৰ আন্ধাৰৰ লগত অনুৰাধাৰ ধোঁৱা বৰণীয়া শাৰী সুন্দৰভাৱে মিলি গৈছে।

কি চাই আছা তেনেকৈ? এনেকৈ ৰাস্তাৰ মাজত ছোৱালীৰ মুখলৈ চাই থাকিলে মানুহে পিটি গুড়ি কৰি দিব। উৰিষ্যাৰ মানুহ সাংঘাতিক কনজাৰভেটিভ। ...আৰু সেই যে ছিনেমা হলৰ সন্মুখত ল'ৰাবোৰ দেখিছা ছোৱালীৰ বাবে প্ৰাণ দিওঁ-দিওঁকৈ থাকে।

হাঁহি হাঁহি অনুৰাধাই ক'লে।

এইখিনিত ভাল ৰেস্তোৰা এখনো নাই। চাহ খাব পাৰিলোহেঁতেন। ঘৰলৈকে যাওঁ বলা। মায়ে তোমাৰ কথা সুধি থাকে। মাত দি যাবা।

ব্যস্ত পথ এৰি সোঁফালৰ গলিৰে অনুৰাধাহঁত ৰেলৰে ক্ৰছিঙৰ ফালে আগবাঢ়িল। ছাইকেলত উঠি দুজন ডেকা ল'ৰাই কৌতুহলী দৃষ্টিৰে অৰুণাভক লক্ষ্য কৰিলে। অনুৰাধাই কোনো পাত্তা নিদিলে।

মাত্ৰ এবাৰৰ বাবে অৰুণাভৰ মনত পৰিল ৰূপালীৰ কথা। অনুৰাধা নাথকিলে কিজানি হোটেলৰ কোঠালিত বহি অকলে-অকলে এতিয়া অৰুণাভে ৰূপালীৰ কথাকে ভাবি সন্ধিয়াটো পাৰ কৰি দিলেহেঁতেন। কেনেকৈ এজনৰ সান্নিধ্যই আন এজনৰ স্মৃতিৰ ভিৰ পাতল কৰি দিয়ে!

পিছফালৰপৰা আন্ধাৰৰ মাজেৰেই অৰুণাভে অনুৰাধাৰ ফালে চালে। পাতল, লাহী শৰীৰ, বতাহত দোলায়িত বেণী. ডিঙিত মিহি চেইন। এই জনী ছোৱালীয়ে কেতিয়াও কোনো কথা ছিৰিয়াছলি নাভাবে নে কি?

ৰেলৰ ইঞ্জিন এটা পাৰ হৈ গ'ল। কিবা এটা কৈছিল অৰুণাভে; ইঞ্জিনৰ শব্দত তেওঁৰ কথাষাৰ ঢাক খাই গ'ল।

গেট খুলি অনুৰাধা সোমাই গ'ল। ৰাস্তাৰ পৰাই অৰুণাভে দেখা পালে অনুৰাধাৰ মাকে ড্ৰয়িংৰুমত কথা পাতি আছে কাৰোবাৰ সৈতে।

দুৱাৰ খুলিয়েই মুহূৰ্তৰ বাবে অনুৰাধা চুপ হৈ ৰ'ল।

সন্মুখতে বহি আছে অতনুদা। পিছফালে মুখ ঘূৰাই চালে অনুৰাধাই —গে'ট বন্ধ কৰি অৰুণাভ সোমাই আহিছে ভিতৰলৈ। [আগলৈ]




সাহিত্য-সমালোচনা, সংস্কৃতি বিষয়ক আলোচনা, পুৰণি পুথিৰ সংকলন-সম্পাদনাৰ ক্ষেত্ৰত গুৱাহাটী বিশ্ববিদ্যালয়ৰ লোক-সংস্কৃতি বিভাগৰ অধ্যাপক ডঃ নবীনচন্দ্ৰ শৰ্মাৰ এক নিজস্ব বৈশিষ্ট আছে। তেখেতৰ সদ্য প্ৰকাশিত গ্ৰন্থখনি হ'ল ঃ

ডাক–প্ৰবচন

ডাকৰ বচন জাতীয় প্ৰবচন ভাৰতবৰ্ষৰ ভালেমান প্ৰান্তীয় ভাষাত ভিন ভিন নামেৰে প্ৰচলিত হৈ আহিছে। অসমীয়া লোক-সাহিত্যত ডাকৰ বচনসমূহ উল্লেখযোগ্য সম্পদ। সময়ে সময়ে অসমীয়া সাহিত্যিক সমালোচকে ডাকৰ বচনৰ সংগ্ৰহ, সম্পদনা আৰু আলোচনাৰ প্ৰতি আগ্ৰহ দেখুৱাই আহিছে। ডঃ নবীনচন্দ্ৰ শৰ্মাৰদ্বাৰা সংকলিত আৰু সম্পাদিত 'ডাক-প্ৰবচন' স্বৰূপাৰ্থত এই জাতীয় একক গ্ৰন্থ বুলিব পাৰি। অসমীয়া ভাষাৰ কথা এৰি দিলেও ভাৰতীয় কোনো প্ৰাদেশিক ভাষাতেই ডাক, খনা, ভড্‌ডৰ, ভড্‌ডৰী, ভাড, ডংক আদি পৰম্পৰাৰ তুলনামূলক অধ্যয়ন হোৱা নাই। কৃষি-জ্যোতিষ আদি বিষয়ক বচন-প্ৰবচনবোৰ যে কোনো ব্যক্তি বিশেষ বা প্ৰাজ্ঞজনৰ ৰচনা নহয়—এইবোৰ যে কৃষিজীৱী সমাজত মুখ-পৰম্পৰাভাৱে প্ৰবহমান হৈ পৰিশেষত কাল্পনিক ব্যক্তি বিশেষৰ নামৰ লগত সম্পৃক্ত হৈছে—তাৰ সমাজতাত্ত্বিক আলোচনা সন্নিবিষ্ট হৈছে 'ডাক-প্ৰবচন'ৰ অধিসমীক্ষাত।

নিৰপেক্ষ আৰু যুক্তিনিষ্ঠ আলোচনাৰে 'ডাক-প্ৰবচন' অসমীয়া লোক-সাহিত্যত এক উল্লেখযোগ্য সংযোজন।

*বেচ পয়ত্ৰিশ টকা মাথোন*

বাণী প্ৰকাশ
পাণবজাৰ, গুৱাহাটী - ১

TULI-KALAM






## কলিজাৰ জেতুকাৰে সাজে কাৰ হাত

**আনিছ উজ্ জামান**

সদায় বিচাৰি ফুৰা
সদায় বিচাৰি পোৱা
মোৰ গাঁও
দিছে আৰু বানটুঙে বান্ধি থোৱা
এই দুই পাৰ

এই মাটিতেই ফুলে ফুল জুটিমালি, গুলঞ্চ, শেৱালি
কাহিলীপুৱাতে মাতে গিয়াতি চৰায়ে
আকনৰ পাতত সৰে শীতৰ কুঁৱলি

মোৰ গাঁৱতেই জানো জনমি নমৰে
কৃষ্ণৰ গোঁসাই
আজলিৰ চকুৰেদি নিগৰি বাগৰি বয়
ৰিণিকি বাঁহী

বলিমৰা পথাৰত
মুকলি বাটৰ কোনো উমান নাপাই
ধাননিত পৰে
গাভিনী ৰাঙলী

তিনি টেলেঙনি খাই কোন আহে যায়
হাঁউৰিৰ পথাৰত
ৰবাবৰ গোন্ধ আমোলমোলায়

ডিমৰুডালত পৰি আজিও বিনায়
সেই সখিয়তী

ঠেৰেঙা বতাহজাক
জোনাকী জ্বলে গাত
মাজে-মাজে নুপুৰৰ ধ্বনি
ক'ৰবাত কোনোবাই খেদি লৈ ফুৰে
কালিন্দী ভোমোৰা
কিবা অদ্ভুত মোহিনী

নৈ পৰীয়া সেই ভলুকাৰ গাঁজ
আৰু মথুৰাপুৰৰ উজানৰ মাছ
পাহৰায়— পাহৰায় মনত পেলায়
লচমিহঁতৰ হালি পৰা ৰাতিৰ কদম
আৰু ঝুমুৰ
—উন্মাদিনী

বৈ যোৱা, চাই যোৱা
সদায় বিচাৰি ফুৰা
সদায় বিচাৰি পোৱা
মোৰ সেই এৰি অহা গাঁও—

আজিও মাটিত ফুলে নাহৰ শেৱালি
কাহিলীপুৱাতে মাতে চিনাকি চৰায়ে
আকনৰ পাতত সৰে শীতৰ কুঁৱলি


মোৰ গাঁৱৰ মাটিত জ্বলে
ৰাতি ধনগুলৈ
দলঘাঁহ মেটেকাৰ মাজত থাকে নাচি
সেন্দুৰীয়া মাছ আৰু দৰিক পোৱালি

ৰূপেশ্বৰ গাঁওবুঢ়াৰ চোতালত
নহয়নে বিচাৰ আজি
বিহুৰ আঁৰেৰে পলুৱাই নিয়া
আবিয়ে ছোৱালীৰ

ৰিহাৰ আঁচলৰে কোনে মচে চকু
কাৰ কপালত জ্বলে মাণিক মুকুতা
আইতাৰ আশীৰ্বাদ
আৰু সোঁৱৰণি

কলিজাৰ জেতুকাৰে সাজে কাৰ হাত
উকিয়াই ম'হৰখীয়াই মাতি যায়— 'লাহৰি'
মোৰ সপোনত নাচে আঁচুবুলীয়া পুখুৰী

এই মাটিতেই হায়! মোৰ হেৰোৱা লৰালি
তোমাক বিদায় দিয়া নাই কাহানিও
বিদায় লোৱাও নাই কাহানিও
বুকুত গজাই থৈছো
ফেনে ফোটোকাৰে ভৰা
চিনাকি দিচৈ
বানটুঙৰ পানী হেন্দোলনি





OKDISCD

# গোলক

ডঃ সুৰেশ চক্ৰৱৰ্ত্তী

বহুদিন ধৰি মই মূৰৰ ওপৰৰ আকাশখন চোৱা নাই। বিষয়-বৈভৱ, ভাত-শাকৰ আলোচনা পাহৰি গছ-ফুল জান-জুৰি, পখিলা-ভোমোৰাৰ কথা পতা নাই। কিয় জানো হঠাতে ভাব হৈছে বহুযুগ ধৰি মই মোৰ বন্ধু এজনৰ সৈতে মনৰ কথা এষাৰ পতা নাই। আনকি যাক কেন্দ্ৰ কৰি এসময়ত মোৰ প্ৰতিটো দিন অতিবাহিত হৈছিল, যাৰ চকুৰ পতাত চকু থৈ মই নিৰ্বাক হৈ আছিলো,— তেওঁৰ লগতো। তেওঁ আজিকালি বয়সীয়া ভদ্ৰমহিলা হৈ গৈছে। তেওঁৰ মেদবহুল মাংসপিণ্ডলৈ চাই মই নিজেই হতবাক হওঁ। এটা সময়ত এইজনী মানুহক এবাৰ দেখা পোৱাৰ আশাত যি কৰিছিলো!— সোঁৰৱণিৰ গৰ্ভত ইতিহাস লিখিব পৰাকৈ সমল এৰি থৈ আহিছোঁ।



অৰুণা কিয়নো মোৰ মিপোটল দেহ, সুকোমল হাত-ভৰিলৈ চাই, খেতিয়কৰ ল'ৰা বুলি ভাবিবলৈ মোৰ নিজৰেই খোকোজা লাগে। পিতা খেতিয়ক আছিল। মাটি আৰু পৃথিৱীৰ মানুহ আছিল। খেতিক লক্ষ্মী জ্ঞান কৰিছিল। বিহু, পূজা বা আলহী ঘৰৰ বাহিৰে কেতিয়াও ধুতি চোলা পিন্ধি নোপোৱা পিতাই আঁঠুৰ ওপৰলৈকে পৰা এখন গামোচা পিন্ধিছিল। গেঞ্জি নাছিল। মূৰটোত এখন গামোচাৰে এটা পাগুৰি মাৰি লৈছিল। পুৱাৰ প্ৰথমজাক কাউৰীৰ পাখিৰ শব্দত বিচনাৰ পৰা উঠিছিল। কাকো আমনি নকৰাকৈ গোহালিত সোমাইছিল। ধপাত এচিলিম খাই নিজহাতে বলধ হুহাল উলিয়াইছিল। সিহঁতক গা-মূৰ পিহি মৰম কৰিছিল। কাম কৰা মানুহৰ অভাৱ নাছিল; কিন্তু পিতাৰ সেইটো চখ আছিল। কাম কৰা মানুহৰ লগত কোৰ লৈ একেলগে পথাৰলৈ গৈছিল। প্ৰভু-ভৃত্য নহয়, ভাই-ককাইৰ নিচিনাকৈ সমানে কাম কৰিছিল।

বাৰান্দাৰ পিৰাত বহি পিতাই জলপান খাইছিল। কোমল চাউল, গৰম গাখীৰ, কঠাল, নহ'লে গুৱা সান্দহ, দৈ গাখীৰ আৰু আঠীয়া কল। মায়ে কাষতে বৈ আছিল। টিকটিকিয়া ৰঙা সেন্দূৰৰ ফোঁটটোৰে, ৰঙা পাৰিৰ চাদৰ পিন্ধা মাৰ মুখখন তেতিয়া নৱমী পূজাৰ দেৱীৰ মুখখনৰ নিচিনা লাগিছিল। টাকুৰি ঘূৰাদি ৰাতিপুৱাৰ পৰা ৰাতি দুপৰলৈকে মায়ে কাম কৰিছিল। গাই খীৰাইছিল, চোতাল-ঘৰ সাৰি-মচি চিকুণ কৰি ৰাখিছিল। গধূলি নিজহাতে ধোঁৱা সজাইছিল। বলদ হুহালৰ কাৰণে বেলেগে দানা সিজাইছিল। বনকৰা মানুহ কেইটাক চাহপানী দিছিল। আলহী-অতিথিৰ সৎকাৰ কৰিছিল। ক্ষীণ দেহাটোত মানুহজনীয়ে ইমানখিনি জোৰ কৰপৰা পাইছিল নিজেহে জানিছিল।

ঘৰত তিনিটা স্থায়ী বনকৰা মানুহ আছিল। খেতিৰ বতৰত সিহঁতৰ সংখ্যা বাঢ়িছিল। তথাপি প্ৰায়ে ৰাতিপুৱা দেখিছিলো, পিতাই নম্ৰতাকৈয়ে দুই-এজন মানুহ আহিছিল। পিতাক কামৰ কথা সুধিছিল। কাকো পিতাই নিৰাশ কৰা নাছিল ঃ "বহুদিন ভাল মাছ-পুঠি খোৱা নাই; চাচোন দ পথাৰৰ খালটো সিঁচি কিবা পোৱা যায় নেকি।" পিতাই সেই মানুহখিনিৰ কথা জানিছিল। আনৰ তাত কাম নাই কাৰণেহে আমাৰ ঘৰলৈ আহিছে! আৰু ইয়াতো যদি নিৰাশ হ'ব লগা হয়, তেনেহলে সেই দিনটোৰ বাবে এটা পৰিয়ালৰ দুখ হ'ব। ইফালে বিনা কামে পইচা-পাতি দিলে সেই মানুহখিনিয়ে অপমান বোধ কৰিব। দুখীয়া মানুহৰ অভিমানৰ ৰেখাডাল তেনেই চুটি। কাৰোবাৰ অযাচিত অনুগ্ৰহকো কেতিয়াবা ভিক্ষা বুলি ভাবে। পিতাৰ সেইখিনি জ্ঞান আছিল। কাণফুল আৰু খাৰু এযোৰ লৈ ৰমা খুৰা আহিছিল। তিনিদিন ঘূৰিও ল'ৰাটোৰ পৰীক্ষাৰ ফিজ গোটাব পৰা নাছিল। তিনিচাৰিশ টকা একেলগে কোনেও নিদিয়ে। পিতাই টকাখিনি দি কৈছিল, "মোক ওভতাই দিব নালাগে। সি পৰীক্ষাৰ ৰিজাল্ট ভাল কৰিলেই মোৰ প্ৰাপ্যখিনি পালো বুলি ধৰি লম। তাক কবা।" প্ৰবল আত্মবিশ্বাস আছিল পিতাৰ। সকলোকে বিশ্বাস কৰিছিল। মাটি আৰু মানুহক ভগবান জ্ঞান কৰিছিল।

মায়ে কাকো বিমুখ কৰা নাছিল। মাৰ বিশ্বাস— আলহী সাক্ষাৎ দামোদৰ; বিমুখ কৰিলে ঘৰৰ লখিমী বিতুষ্ট হয়। তলসৰা পাণ-তামোল বিচাৰি অহা বহুতকে ঘৰত নাথাকিলে নিজ হাতে পাৰি আনি দিছিল। ওচৰ-চুবুৰীয়াৰ অসুখ-বিসুখত কিস্তি, মৌ, পুৰণা থেকেৰাৰ অকপটে যোগান ধৰিছিল।

মা-পিতাই ক, ম জনা নাছিল। মাটিৰ ওপৰৰ আকাশ চাই পিতাই প্ৰকৃতিৰ পৰা শিক্ষা আহৰণ কৰিছিল। ঘৰৰ বেৰৰ ছাঁ চাই মায়ে মোক স্কুললৈ পঠাইছিল। পৰীক্ষাৰ সময়ত পুৱতি নিশা পাৰ হৈ যোৱা ৰেলগাড়ীৰ শব্দত সাৰপাই মোক জগাই দিছিল। মা বেমাৰত পৰি থকা কালত দহ-পোন্ধৰজন মানুহে কাৰো অনুৰোধ নোহোৱা সত্বেও কীৰ্তন-ভাগৱত পঢ়ি ৰাতি উজাগৰে আছিল। পিতাৰ মৃত্যুৰ সময়ত পাঁচখন গাঁৱৰ মানুহে আমাৰ চোতাল পদূলিমুখত ভিৰ কৰিছিলহি। পিতাই কিন্তু নিজৰ নামটোও লিখিব জনা নাছিল।

আচলতে আমাৰ মা-পিতা আমি পঢ়ি শেষ কৰিব নোৱৰা একো-একোখন মহাগ্ৰন্থ আছিল।

কেঁচা মাটিৰ গোন্ধে ডাঙৰদাক স্কুললৈ যোৱাৰ পৰা টানি ৰাখিলে। সি মাটিকে মোৰ বুলি ললে। পিতাই হা-না একো নকলে। সৰুদাই হাইস্কুললৈকে পঢ়ি বাদ দিলে। নৈৰ পাৰৰ ঢোপ গছৰ ৰিব-ৰিব মলয়াই, আহাৰৰ আহুধানৰ নৰানিৰ কাৰৈ-মাছৰ খলকণিয়ে তাকো মাটিৰ পৃথিৱীলৈ ওভতাই নিলে। মই কিন্তু ব্যতিক্ৰম হৈ গ'লো।

পথাৰলৈ মাছ মাৰিবলৈ গৈ বোকাত লুতুৰি-পুতুৰি হোৱা, আম-কঠালৰ তলে-তলে ঘূৰি ফুৰা, জামুগছত বগুৱাবাই ফুৰা, চৈ দিয়া গৰু-গাড়ীত উঠি বজাৰ কৰিবলৈ যোৱা মোৰ শৈশৱ মই সোঁৰৱণিৰ গৰ্ভত এৰি থৈ আহিলো। পাহৰি গলো অৰুণকাৰ কান্ধত উঠি নৈৰ ঢল চাবলৈ যোৱাৰ কথা। প্ৰমীলা পেহীৰ বোকোচাত উঠি ইঘৰ-সিঘৰ ঘূৰি পেহীৰ আধাচোবোৱা তামোল খাই ওঁঠ ৰাঙলী কৰা মোৰ ৰাঙলী শৈশৱ! পাৰ হৈ আহিলোঁ মোৰ লগৰ শিৱ, জগত, চানা, অশোকহঁতৰ সৈতে বাৰিষা বান পৰ দিয়াৰ বতৰ; মেম্বৰ জেঠাহঁতৰ তাড়িৰ কলহ চুৰ কৰাৰ ৰোমাঞ্চকৰ কৈশোৰ। কলেজ পালো। পিতাই তেজৰ বোলেৰে পঠোৱা টকাৰ বিনিময়ত পঢ়া-শুনা কৰিলো। অৰুণাই বেয়া পাব বুলি বিহু-পূজাত ঘৰ বাদ দিলো। এদিন পঢ়া-শুনা শেষ হ'ল। চাকৰি কৰিলোঁ। অৰুণাহঁতৰ ঘৰৰ কথামতে বিয়া কৰালো। আপত্তি কৰিবলৈ মা-পিতা নাছিল। বেয়া পাম বুলি দাদাহঁতে বাহিৰত সন্তুষ্ট, ভিতৰত অসন্তুষ্ট মন লৈ বিয়াত সন্মতি দিলে। দুদিন পাছৰপৰা নগৰবাসী হলো।

"ছুটী নাপাওঁ" কাৰণে লাহে-লাহে ঘৰৰ সৈতে যোগসূত্ৰ কমি আহিল। অৰুণাক লৈ মোৰ সমস্ত চিন্তা ব্যস্ত হৈ পৰিল। লাজ লাগিলেও সঁচা,— মই দাদাহঁতৰ শেষৰ ল'ৰা-ছোৱালী দুই-তিনিটামানৰ নাম নাজানো। কোনজনৰ কেইটা সন্তান তৎক্ষণাৎ সুধিলে কব নোৱাৰোঁ। ঘৰখন ইতিমধ্যে ভাগি গৈছে। দাদাহঁতে বেলেগে পাগ জুৰিছে। পৈতৃক সম্পত্তি তিনিভাগ হৈছে। বছৰত এবাৰ দুয়ো মোৰ তালে আহে, ভাগৰ ধানখিনি কি কৰিম তাকে সুধিবলৈ। মাজতে এবাৰ ভাবিছিলো জীৱনত এটা মানুহৰ কাম কৰোঁ; মাটিখিনি দুয়োৰে নামত আধা-আধাকৈ লিখি দিওঁ। অৰুণাই গজগজাই উঠিল,—"তুমি যে ধৰ্ম যুধিষ্ঠিৰ ওলাইছা, তেওঁলোক যে সদায় ঘৰৰ চাউল মাছ-পুঠি খাই আছে, কোনদিনা তোমাৰ কথা মনত পেলাইছে? তোমাৰ ল'ৰা-ছোৱালীৰ কথা ভাবিছেনে?" গতিকে দিয়া নহ'ল। এদিনীয়া আলহীৰ নিচিনাকৈ অমল, ভবেন মাজে মাজে আহে, চাকৰিৰ ইণ্টাৰভিউ দিবলৈ। নুসুধিলে খুৰাকক একো নকয়। শেষ হৈ গৈছে সিহঁতক কান্ধত লৈ চৰকাৰী ৰাস্তালৈ গাড়ী-মটৰ দেখুৱাবলৈ নিয়া দিনৰ সম্পৰ্ক, বুকুৰ সম্পৰ্ক, তেজৰ সম্পৰ্ক।

ঘৰ-বাৰী হৈছে, আধুনিকতাৰ সৈতে ফেৰ মাৰিব পৰা গৃহণী হৈছে। অন্ততঃ অৰুণাক লৈ মই কেতিয়াও লাজত পৰা নাই। অৰ্ধাংগিনী হোৱাৰ আগৰে পৰা মই, তেওঁৰ কথা শুনিছোঁ। ল'ৰা-ছোৱালী ডাঙৰ হৈছে, হোষ্টেলত থৈছোঁ। সিহঁতে মাকৰ সৈতে কথা পাতে; সেই মতে পইছা-পাতি নিয়ে খৰচ কৰে। মোৰ কৰ্তব্য কেৱল পইচা অৰ্জা; ঘৰ চলোৱাৰ দায়িত্ব তেওঁৰ। চাকৰি কৰিছোঁ; সকলো কথাতে 'হয় ছাৰ' বুলিব পৰা গুণ এটা থকা কাৰণে প্ৰমোছন হৈছে। যৌৱনত স্বপ্নাবিষ্ট আদৰ্শৰ দ্বন্দ্ব নাছিল, গতিকে স্বপ্নভংগৰ হতাশাও নাই। আনৰ দৰে দুৰ্ভাবনাত ভুগিব লগা হোৱা নাই। তেওঁ গাড়ী এখনৰ কথা কৈ আছিল, কেইদিনমান আগতে বুক কৰি আহিছোঁ। সকলোবোৰ ঠিকেই আছিল,— হঠাতে—

ডাক্তৰে কৈছে— একো চিন্তা নাই। সকলো ঠিকঠাক হৈ যাব। ৰাতিপুৱা গধূলি অলপ খোজ কাঢ়িব। পাৰিলে তেলাল বস্তু অলপ কমাই দিব। বৰ বেছি চিন্তা-ভাবনা নকৰিব, উত্তেজনা, আশংকাৰ ভাব এৰাই চলিব। ৰাতি উজাগৰে নাথাকিব। কেইদিনমান জিৰণি লওক, তাৰ পাছত—

অৰুণা ড্ৰয়িংৰুমত টিভিৰ আগত ছিৰিয়েল চোৱাত ব্যস্ত। ল'ৰা-ছোৱালী কেইটাও! কাম কৰা ল'ৰাটোৱে মাজত এবাৰ জুমুকিয়াই গৈছে; এতিয়ামানে চাগে সিও তাতে বহিছে। কিছুমান কথা মনত পৰিছে। মাৰ মৃত্যুৰ সময়ত পিতা দিনে-ৰাতিয়ে মাৰ মূৰশিতানত বহি আছিল। মাৰ মৃত্যুৰ ডেৰ বছৰৰ পাছত পিতাৰ মৃত্যু হৈছিল। মৃত্যুকো যে ইচ্ছাৰে আহ্বান কৰিব পাৰি, মই পিতাক নেদেখা হ'লে বিশ্বাস নকৰিলোহেঁতেন ইতিহাসত মই প্ৰেমৰ কাহিনী পঢ়িছোঁ; কিন্তু প্ৰিয়জনৰ মৃত্যু যে ইমান দুৰ্বহ হ'ব পাৰে শেষ বয়সত পিতাক নেদেখা হলে মই কল্পনা কৰিব নোৱাৰিলোহেঁতেন। অথচ বিয়াৰ পাছদিনাহে পিতাই মাৰ মুখ দেখিছিল। অৰুণাক মই বিয়াৰ চাৰিবছৰ আগৰ পৰা জানিছিলো। আমাৰ মাজত বুজাবুজি হোৱাৰ পাছতহে বিয়া হৈছিল।

পিতাৰ মৃত্যুৰ সময়ত পাঁচখন গাঁও আহিছিল। আজি এসপ্তাহ ধৰি মই ঘৰতে বহি আছোঁ। মাজতে এবাৰ সঞ্চালকে ফোন কৰিছিল। মোৰ নিজা পিয়নটো এদিন বাদে এদিন আহি আছে। তাৰ বাহিৰে কোনো এজন সহকৰ্মীও অহা নাই— খবৰ কৰিবলৈ।

কিতাপ-পত্ৰ পঢ়াৰ অভ্যাস বহুদিন আগতেই নাইকিয়া হৈ গৈছে। আনকি প্ৰধান শাৰীকেইটাৰ বাদে কাকতখন পঢ়াৰো ধৈৰ্য নাথাকে। এই কেইদিন অপৰ্যাপ্ত সময় পাইছোঁ। কাকতখন আগত লৈ বহিছোঁ। প্ৰতি-




OKDISCD

দিনে দেখোঁ— ফটো এখন বা দুখন থাকেই। তলত পুত্ৰ-কন্যা সমন্বিতে পৰিয়ালৰ নামৰ তালিকা ; —তেওঁলোকে মৃত মানুহজনক শ্ৰদ্ধাৰে সুঁৱৰিছে। মাজৰ পৃষ্ঠাত আছে— সৰবৰহী ব্যক্তিৰ মৃত্যুত··· চোৱাৰ ধৈৰ্য নাথাকে। কাকতখন সামৰিলেও আপোনা-আপুনি কিছুমান ভাব আহি থাকে। ৰাস্তাৰে গৈ আছোঁ, হঠাতে সুসজ্জিত ট্ৰাকত তুলি, কেতিয়াবা চাৰিজন মানুহে কান্ধত তুলি মৃতকক লৈ গৈছে ; মানুহবোৰৰ মুখত হৰি-ৰাম ধ্বনি। প্ৰতিক্ৰিয়া মোৰ তেতিয়া হোৱা নাছিল ; কিন্তু এতিয়া জানো কি হৈছে, ঘনে-ঘনে বিক্ষিপ্ত চিন্তাবোৰ আহিছে। মই মৰিলে বাৰু কি কি হ'ব ? মানুহে মোক কিহত তুলি নিব ? অৰুণাই কি কৰিব ? নিশ্চয় হাঁৰৈ-বিৰৈ নকৰে, চিঞৰিব নোৱাৰে। কাৰণ সভ্যতাৰ নামত আমি আমাৰ স্বাভাৱিক আবেগ হেৰুৱাই পেলাইছোঁ। বৰ বেছি বিচনাত তলমূৰ কৰি পৰি ৰব। ল'ৰা-ছোৱালীকেইটাই আমনজিমন কৰিব। নাহিলে নহয় বুলি অহা মানুহখিনিয়ে পদূলিমুখত জুম পাতি ৰব। এটা সময়ত মোক চাঙিত তুলি দিয়া হ'ব। কোনোবাই অনভিজ্ঞ সুঁৰত হৰিধ্বনি দিব। অফিছত এখন শোকসভা হ'ব ; তাত একমিনিট সময় মৌনব্ৰত পালন কৰা হ'ব। সেই সময়খিনি পাৰ হলে সকলোৱে ঘৰাঘৰি যাব পাৰিব বুলি সন্তোষ পাব। মোৰ প'ষ্টটো চৌধুৰীয়ে পাব কাৰণে তেওঁ বাহিৰে বাহিৰে ৰৌ মাছ এটা ঘৰলৈ নিব ? কেইদিনমান পাছত কাগজৰ মাজৰ পৃষ্ঠাত খবৰ ওলাব এজন নিষ্ঠাবান, নিয়মানুবৰ্তী বিশ্বাসযোগ্য কৰ্মচাৰীৰ অকাল মৃত্যুত,—। এমাহ মান পাছৰপৰা গ্ৰেটুইটি, প্ৰভিডেণ্ট ফাণ্ড, ইন্সিঅ'ৰেন্সৰ কাগজ-পত্ৰ লৈ অৰুণাই নিজৰ ঘৰৰ সৈতে আলচ কৰিব। পইচাখিনি পালে ওপৰ মহলাটো সম্পূৰ্ণ কৰি ওপৰটো ভাড়া দিয়াৰ কথা চিন্তা কৰিব। এইবিলাক একেবাৰে সঁচা ব্যৱহাৰিক কথা ; তাত লুকঢাক কৰিবলৈ একো নাই। ইমান বছৰ সংসাৰ কৰাৰ পাছত মই গম পাই গৈছোঁ জীৱনৰ দুকুৰি পোন্ধ বছৰ বয়সত মোৰ এজন মানুহৰ নামো মনত পৰা নাই— যি মৃত্যুৰ পাছতো মোৰ প্ৰতি কৃতজ্ঞ হৈ ৰব, মোক সুঁৱৰিব।

এটা সময়ত হুলস্থূলৰ কাৰণে একপ্ৰকাৰ সিদ্ধান্ত লৈছিলো উপকণ্ঠ অঞ্চলত থকা মাটি ডোখৰত ঘৰকে বান্ধো। ইয়াৰতো ভাৰাত দি তাত শান্তিত থাকিব পাৰিম। কিন্তু এতিয়া এখন্তেক অকলশৰে থাকিবলৈও মোৰ ভয় লাগে। ৰাস্তাৰে যান-বাহন কমি গলে, অৰুণা পাকঘৰত আৰু ল'ৰা-ছোৱালীকেইটা বাহিৰত থাকিলে, মই মোৰ বুকুৰ ধপধপনিটো আকৌ শুনো। টিনত পৰি কাউৰীকেইটাই ৰমলিয়াই ;— মাতটো মোৰ অস্বাভাৱিক যেন লাগে। সেইখিনি পৰতে জেঠীকেইটাই টিকটিকায়,— মোৰ সন্দেহ, শংকাৰ মাত্ৰাটো বেছি হয়। কাৰোবাৰ সৈতে আগ্ৰহেৰে কথা পাতিবৰ মন যায়। অৰুণা অনবৰতে নাথাকে, তেওঁক আমনি কৰিবলৈ ভালো নালাগে। মই বাপুধনক মাতোঁ। ধুবলৈ লোৱা বাচন-বৰ্তন এৰি সি ভয়ে-ভয়ে আহি হাজিৰ হয়। মই তাক মুৰ খজুৱাবলৈ হাত-ভৰি পিটিকিবলৈ লগাই দিওঁ। কিবা এটা ব্যস্ততা। হঠাতে মনত পৰে,— তাৰ পিতাকৰ পিত্তৰ কথা ভনীয়েকজনীৰ কাৰণে ল'ৰা ওলোৱাৰ কথা। সি সাহ পাই অনৰ্গল কৈ থাকে। এক ডেৰঘণ্টাৰ কাৰণে মই নিৰ্জনতাৰ প্ৰকাণ্ড দৈত্যটোৰপৰা হাতসাৰি থাকোঁ। অলপপৰ মই ভাবোচ্ছাসত ভাহি থাকোঁ। কওঁ নেকি তাক—পিতাকক মাতি আনক, ইয়াতে মেডিকেলত দেখুৱাওক, ঔষধ পাতিৰ কাৰণে যিখিনি খৰচ হয় মই দিম ! কমনেকি তাক— তেনেকৈ যদি টকা এহেজাৰ দিলে কোনোবাই তাৰ বায়েকজনীক বিয়া কৰায় কৰাওক, ময়েই লাগে অলপ সহায় কৰিম ! হওকচোন জীৱনত এটা মানুহৰ কাম ! কিন্তু কোৱা নহয়। মই বিবশ হৈ পৰোঁ।

এনেকুৱা জীৱন মই বিচৰা নাছিলো। পৰিকল্পনাও নাছিল। কিন্তু এতিয়া ভাব হৈছে,— মই যেন এক ৰহস্যময় বিচিত্ৰ গোলকৰ মাজত হেৰাই গৈছোঁ। তাৰপৰা পৰিত্ৰাণ পোৱাৰ উপায় নাই। এক ব্যাখ্যাহীন শূন্যতাৰ মাজত সোমাই আছো যাৰ প্ৰতিটো চুক-কোণেই মোৰ চিনাকি। এইবিলাক কথাই থাকি-থাকি আহাৰৰ মেঘৰ নিচিনাকৈ আহি জীৱনটো বিষণ্ণ কৰি তোলে। শৈশৱত ডাঙৰ মানুহ বুলি কেৱল মামাক জানিছিলো। ছমাহবছৰদিনৰ মূৰত পেণ্ট-ছাৰ্ট পিন্ধি মামা আহে। নাৰিকলৰ লাৰু বান্ধি-বান্ধি মায়ে মামাক কয়,— “ডাঙৰ হ'লে ই কি হ'ব ! মোৰ মূৰটো খাব যেন পাইছোঁ। কাৰো কথা নুশুনে, কাকো নামানে। চাওঁ দে এইটো বছৰ। নহ'লে লৈ যাবি তোৰ ৰান্ধনি কৰি।” —ডাঙৰ হৈ মই মূৰটো খাবলৈ মা বেছিদিন নাথাকিল। কিন্তু এতিয়া ভাবো, সঁচাই যদি মই মামাৰ ৰান্ধনি হলোহেঁতেন, মোৰ চাগে এনেকুৱা অৱস্থা নহলহেঁতেন। মদপানী নাখাওঁ আনকি বিড়ি ছিগাৰেটো। সৰুতে মা-পিতাৰ, তাৰপাছত স্কুলৰ শিক্ষকৰ, তাৰপাছত অৰুণাৰ আৰু ওপৰৱালাৰ একান্ত বাধ্য হৈয়ে ৰলো। শৈশৱৰ অবোধ দুষ্টালিখিনি এৰি প্ৰায় সকলো মানুহৰ দৰে এটা স্বাভাৱিক শৃংখলাপুৰ্ণ জীৱন। তথাপি—

বুকুখন গধুৰ-গধুৰ লাগিছে। উশাহ লোৱাত অলপ কষ্ট পাইছোঁ। প্ৰকাণ্ড দৈত্য এটাক বুকুখন খামোছ মাৰি থকা যেন লাগিছে। হাতখন, এটা জিনজিননি অনুভৱ কৰিছোঁ। মূৰটো ঘূৰোৱা যেন লাগিছে। সমস্ত শক্তি গোটাই মই চিঞৰি উঠিছোঁ— অৰুণা।





## কপিলৰ ৰেকৰ্ড ভংগ

১৯৮৩ চনৰ বিশ্বকাপত পাকিস্তানে ৬০ অভাৰত ৫ উইকেটত কৰিছিল ৩৩৮ ৰাণ। এইবাৰৰ বিশ্বকাপৰ আগলৈকে সেইটোৱেই আছিল এটা দলৰ সৰ্বাধিক ৰান। ব্যক্তিগত সৰ্বোচ্চ ৰানৰ ৰেকৰ্ড আছিল কপিলদেৱৰ ঃ যোৱা বিশ্বকাপত জিম্বাবৱেৰ বিৰুদ্ধে কৰা ১৭৫ ৰান। এই দুয়োটা ৰেকৰ্ড এইবাৰ ভংগ হৈছে আৰু ৰেকৰ্ড ভংগকাৰী দেশখন হৈছে ৱেষ্ট-ইণ্ডিজ। ৱেষ্ট ইণ্ডিজে কৰাচীত শ্ৰীলংকাৰ বিৰুদ্ধে ৫০ অভাৰত চাৰি উইকেটৰ বিনিময়ত ৩৬০ ৰান সংগ্ৰহ কৰি বিশ্বকাপৰ ইতিহাসত ৰেকৰ্ড সৃষ্টি কৰিছে।

ৱেষ্ট ইণ্ডিজৰ অধিনায়ক ভিভিয়ান ৰিচাৰ্ডে ড্ৰাইভ, কাট, পুল আৰু হুক ষ্ট্ৰোকেৰে শ্ৰীলংকা দলক ব্যতিব্যস্ত কৰি ১২১ টা বলত ১৮১ ৰান কৰি কপিলৰ ৰেকৰ্ড ভংগ কৰে। এশটা বলত চেঞ্চুৰি আৰু পাছৰ ২১ টা বলত ৮১ ৰান কৰি ৰিচাৰ্ডে তেওঁৰ বেটিং শক্তিৰ পৰিচয় দিয়ে। ১৬ টা বাউণ্ডেৰি আৰু ৬ টা অ'ভাৰ বাউণ্ডেৰিৰে ৰিচাৰ্ডে তেওঁৰ এই ইনিংছটো সমৃদ্ধ কৰিছিল।

উল্লেখযোগ্য যে, একদিনীয়া ক্ৰিকেটত ৰিচাৰ্ডৰ সৰ্বোচ্চ স্ক'ৰ ১৮৯ — ইংলণ্ডৰ বিৰুদ্ধে ১৯৮৪ চনত মাঞ্চেষ্টাৰত।

## উপেক্ষিত নৱজোতৰ প্ৰত্যাবৰ্তন

১৯৮৩ চনত ক্লাইভ লয়েডৰ ৱেষ্ট-ইণ্ডিজৰ বিৰুদ্ধে মাৰ্শ্বাল,হ'ল্ডিংহঁতৰ বল অনায়াসে খেলি উত্তৰাঞ্চল দলৰ ২০ বছৰীয়া যুৱক এজনে ছেঞ্চুৰি কৰিছিল। সেই ছেঞ্চুৰিটোৰ বাবে খেলুৱৈজনে ভাৰতীয় টেষ্ট দলত স্থান লাভ কৰিছিল। আহমেদাবাদ টেষ্টত তেওঁ বেছি ৰান কৰিব পৰা নাছিল,— পৰৱৰ্তী মাদ্ৰাজ টেষ্টত কৰিছিল ৩৬ ৰান। পাছৰ চাৰি বছৰত তেওঁ আৰু ভাৰতীয় দলত স্থান পোৱা নাছিল। নিৰ্বাচকসকলে তেওঁৰ কথা যেন পাহৰি আছিল ; মনত পৰিল এইবাৰৰ বিশ্বকাপৰ সময়ত। নৱজোত সিং সিধু নামৰ এই ২৪ বছৰীয়া পঞ্জাবী যুৱকজনে তেওঁৰ প্ৰত্যাবৰ্তনৰ যথাৰ্থতা বিস্ময়কৰভাৱে প্ৰমাণ কৰিলে একেবাহে তিনিখন খেলত ৫০-অৰ বেছি ৰান কৰি (অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে ৭৩, নিউজিলেণ্ডৰ বিৰুদ্ধে ৭৫ আৰু পুনৰ অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে ৫১ ৰান)। সময়, অ'ভাৰ আৰু ৰানৰ সংখ্যাৰ মাজত যথোচিত সম্পৰ্ক স্থাপন কৰি সিধুৱে একদিনীয়া ক্ৰিকেটৰ বাবে নিজকে আদৰ্শ বেটছমেন হিচাপে প্ৰতিষ্ঠিত কৰিছে।

পাতিয়ালাত জন্ম গ্ৰহণ কৰা নৱজোত শৈশৱতে মাতৃহাৰা হয়। তেওঁৰ পিতৃ ভগৱন্ত সিং সিধু আছিল পঞ্জাবৰ এডভোকেট জেনেৰেল। তেওঁ নৱজোতক ক্ৰিকেট খেলৰ বাবে উৎসাহ দিছিল ;— প্ৰশিক্ষক নিযুক্ত কৰি সহায় কৰিছিল। তেওঁৰ প্ৰবল আকাংক্ষা আছিল নৱজোতক সফল ক্ৰিকেট খেলুৱৈ ৰূপে প্ৰতিষ্ঠা কৰিবলৈ। আজি ৰিলায়েন্স কাপৰ খেলত লাভ কৰা এই সাফল্যৰ বাবে যেন নৱজোতে পুৰ্ণ সুখ লাভ কৰিব পৰা নাই ; কাৰণ তেওঁৰ সাফল্যত যিজন ব্যক্তি আটাইতকৈ সুখী হ'লহেঁতেন, সেই মানুহজন,— তেওঁৰ দেউতাক আজি এই জগতত নাই। দুবছৰ আগতে তেওঁ পৰলোক গমন কৰিছে। একদিনীয়া ক্ৰিকেটত ভাৰতীয় দলৰ থাৰ্ডমেনৰ অভাৱটো নৱজোতে যোগ্যতাৰে পূৰণ কৰিছে। সাহস আৰু উচ্চমানৰ টেকনিকৰ অধিকাৰী এই খেলুৱৈগৰাকীয়ে টেষ্ট মেচতো সাফল্য লাভ কৰিব বুলি আশা কৰিব পাৰি।

## জিম্বাবৱেৰ প্ৰতিভাবান খেলুৱৈ ডেভিড হুউটন

মানুহজনে কিছুপৰিমাণে উচ্ছৃংখল জীৱন যাপন কৰে ; দ্ৰুতগতিত গাড়ী চলাবলৈ ভাল পায়, বিয়েৰ তেওঁৰ অতি প্ৰিয় আৰু ধুমপান নকৰিলে থাকিব নোৱাৰে। ১৯৮৩ চনৰ বিশ্বকাপত তেওঁ দলৰ হৈ সৰ্বাধিক ৰান সংগ্ৰহ কৰিছিল আৰু এইবাৰো নিউজিলেণ্ডৰ বিপক্ষে এক চমকপ্ৰদ ছেঞ্চুৰি অৰ্জন কৰিছে (১৪২ ৰান)। এওঁ হৈছে জিম্বাবৱেৰ উইকেট ৰক্ষক বেটছমেন ডেভিড লাউড হুউটন। হুউটন কেৱল সফল বেটছমেনেই নহয় তেওঁ জিম্বাবৱেৰ ৰাষ্ট্ৰীয় হকি দলৰো গ'ল ৰক্ষক।

## গুৱাহাটী বিশ্ববিদ্যালয় আন্তঃ কলেজ ফুটবল প্ৰতিযোগিতা

গুৱাহাটী বিশ্ববিদ্যালয়ৰ আন্তঃ-কলেজ ফুটবল প্ৰতিযোগিতা অলপতে টিহুত অনুষ্ঠিত হয়। বানপানীৰ বাবে এইবাৰৰ প্ৰতিযোগিতা ঠিক সময়ত অনুষ্ঠিত কৰাত অসুবিধা হৈছিল আৰু সেই বাবে পূজাৰ বন্ধৰ মাজতে এই প্ৰতিযোগিতা পতা হয়। মুঠ ৩৬ খন কলেজে প্ৰতিযোগিতাত ভাগ লৈছিল। ফাইনেলত গুৱাহাটীৰ আৰ্যবিদ্যাপীঠ কলেজে টিহু কলেজক ১-০ গ'লত পৰাজিত কৰি চেম্পিয়ন হয়। উল্লেখযোগ্য যে টিহু কলেজে এইবাৰেই প্ৰথম বাৰৰ বাবে ফাইনেল খেলৰ যোগ্যতা অৰ্জন কৰিছিল। বিশেষভাৱে উল্লেখযোগ্য যে গোসাইগাঁও, টংলা আৰু টিহু কলেজ দলে সুন্দৰ খেলৰ বাবে দৰ্শকৰ ভূয়সী প্ৰশংসা অৰ্জন কৰিছিল। এই তিনিখন কলেজৰ সৰহ ভাগ খেলুৱৈৰে আন্তঃ বিশ্ববিদ্যালয় ফুটবল প্ৰতিযোগিতাৰ বাবে গুৱাহাটী বিশ্ববিদ্যালয়ৰ দল গঠিত হৈছিল। উপযুক্ত প্ৰশিক্ষণ আৰু সা-সুবিধা লাভ কৰিলে উল্লিখিত কলেজৰ খেলুৱৈসকলে আৰু অধিক পাৰদৰ্শিতা অৰ্জন কৰিব বুলি আশা কৰিব পাৰি। প্ৰতিযোগিতাৰ প্ৰতিখন খেলতেই প্ৰচুৰ দৰ্শকৰ সমাগম হোৱাটো ফুটবলৰ প্ৰসাৰৰ বাবে ভাল লক্ষণ। টিহু কলেজৰ শিক্ষক আৰু ছাত্ৰ, লগতে স্থানীয় ৰাইজৰ আন্তৰিক প্ৰচেষ্টাৰ ফলত এইবাৰৰ প্ৰতিযোগিতা সৰ্বাংগ সুন্দৰ হৈ উঠিছিল।

পুলক লাহিড়ী

# অস্ত্র ভোটা কৰা প্ৰক্ৰিয়া

অন্যায়ৰ প্ৰতিকাৰ কৰা, প্ৰাপ্য আদায় কৰা, অধিকাৰ সাব্যস্ত কৰা ইত্যাদি উদ্দেশ্য লৈ ৰাইজে আন্দোলন কৰে। এই সকলো উদ্দেশ্যৰ মূল কথা এটাই,— ৰাইজৰ মংগল। (গঁড় নিধনৰ বিৰুদ্ধে যেতিয়া আন্দোলন কৰা হয়, তেতিয়াও শেষ উদ্দেশ্যটো ৰাইজৰ মংগল, নাইবা গঁড়ো ৰাইজৰে অংশ।)

ৰাইজে আন্দোলন কৰে মানে— ৰাইজৰ হৈ একোটা সংগঠনে কাৰ্যসূচী, আঁচনি আদি প্ৰস্তুত কৰে আৰু নেতৃত্ব গ্ৰহণ কৰে। উদ্দেশ্য আৰু সংগঠনবোৰ ৰাইজৰ যিমানে প্ৰিয় আৰু গ্ৰহণযোগ্য হয়, আন্দোলন সিমানে শক্তিশালী হয়। নেতৃত্ব যিমান দিনলৈ যুক্তিযুক্ত, শুদ্ধ পথেদি গৈ থাকে, আন্দোলন চলি থকা সময়খিনিতো নেতৃত্বই যিমান দিনলৈ সৰ্বসাধাৰণৰ সুখ-দুখৰ প্ৰতি লক্ষ্য ৰাখি কাম কৰে, সিমান দিনলৈ আন্দোলনৰ শক্তি অক্ষুণ্ণ থাকে। এটা সময়ত নেতৃত্বক মূৰৰ ওপৰত তুলি লৈ অইন এটা সময়ত কেৱল আমনি লাগিল কাৰণেই সৰ্বসাধাৰণে সেই নেতৃত্বক ধৰাশায়ী কৰাটো যেনেকৈ অযুক্তিকৰ কাম, এবাৰ মূৰৰ ওপৰত উঠিবলৈ পালে কাৰণেই নেতৃত্বই সৰ্বসাধাৰণৰ সুখ-দুখৰ কথা জলাঞ্জলি দি তেওঁলোকক পৰিচালনা কৰি থকাটোও তেনেকৈ অযুক্তিকৰ কাম। এটা কাৰখানাৰ কলত আটাইতকৈ শক্তিশালী সংগঠনটোৱে যুক্তিযুক্ত কাৰণত অনিৰ্দিষ্ট কাললৈ ধৰ্মঘটৰ আঁচনি লব পাৰে, বনুৱাসকলেও যুক্তিযুক্ত উত্তেজনাৰে হয় হয় কৰিব পাৰে; কিন্তু এমাহ-দুমাহকৈ ধৰ্মঘটে তিনিমাহত ভৰি দিলে বনুৱাসকলৰ কি অৱস্থা হ'ব, তেওঁলোকে নেতৃত্বৰ ওপৰত বিশ্বাস হেৰুৱাব, নে পেটৰ পোৱণিত উপায় নাপাই নেতৃত্বক বিশ্বাসঘাতকতা কৰিব, তেনে অৱস্থাতো তেওঁলোকক কেনেকৈ সংগঠিত কৰি ৰাখিব পৰা যাব, কেনেকৈ তেওঁলোকৰ মনোবল চৰম মুহূৰ্ততো অটুট ৰাখিব পৰা যাব, — এইবিলাকৰ বিষয়ে আগতীয়াকৈ কৰা চিন্তা-ভাৱনা, অংক, কৌশল আদিতেই নেতৃত্বৰ পৰিচয় পোৱা যায়। ধৰ্মঘট অব্যাহত ৰাখি পেটৰ ভাতৰ কাৰণে বনুৱাই চুৰি-ডকাইতি কৰিবলৈ আৰম্ভ কৰাটোও আন্দোলনৰ কুফল, সেই সংকটৰ সময়ত নেতাকেইজনে কেৱল নেতৃত্ব জীয়াই ৰাখিবলৈ কৰা অভ্যাসটোও আন্দোলনৰ কুফল। মন কৰিবলগীয়া কথা,— আন্দোলনৰ এনে কিছুমান কুফলে দেখা দিয়ে সুফলে দেখা দিয়াৰ আগতেই। আমি ইয়াত এনে এটা কুফলৰ কথা আলোচনা কৰিবলৈ লৈছোঁ।

আন্দোলন বা প্ৰতিবাদ-কাৰ্যৰ আঁচনিৰ কিছুমান ঢাপ থাকে। কোনোবা এটা উৎসৰ পৰা এটা সিদ্ধান্ত ঘোষণা কৰা হ'ল; এটা সংগঠনে সেই সিদ্ধান্তটো অন্যায় বুলি সন্দেহ কৰিলে। এতিয়া প্ৰথম ঢাপটো হ'ব—সংগঠনৰ নেতাসকলে গোট খাই খুটিনাটি মাৰি আলোচনা কৰিব—সিদ্ধান্তটো সঁচাকৈয়ে অন্যায় হয় নে নহয়। আলোচনাৰ শেষত পোৱা গ'ল—সিদ্ধান্তটো অন্যায়। এতিয়া দ্বিতীয় ঢাপ,— সকলো যুক্তি দেখুৱাই এটা প্ৰস্তাৱ বা এখন স্মাৰক-পত্ৰ যুগুত কৰা, আৰু সেইটো উক্ত উৎসলৈ পঠোৱা। তাৰ পাছত, ফলাফল চাই, তৃতীয় ঢাপৰ কাম—জনমত গঠন কৰা। ইয়াৰ ঢাপবোৰ হ'ল ৰাজহুৱা সভা-সমিতি, প্ৰাচীৰ-পত্ৰ, প্ৰচাৰ-পত্ৰ আদি। তাৰ পাছত আহে শোভাযাত্ৰা, সত্যাগ্ৰহ, অনশন, পিকেটিং, ধৰ্মঘট আদি। (দেখ দেখ কথা, ইয়াত গুলী-বাৰুদ জড়িত সশস্ত্ৰ আন্দোলনৰ কথা কোৱা হোৱা নাই)। এইবোৰ ঢাপৰ শেষত থাকে এটা চূড়ান্ত ঢাপ বা এপাত শেষ অস্ত্ৰ— "বন্ধ।" এইপাত শেষ অস্ত্ৰ হোৱাৰ কাৰণ হ'ল—সমগ্ৰ দেশ বা ৰাজ্যখনৰ সকলো মানুহকে ই স্পৰ্শ কৰে, লক্ষ-কোটি টকা লোকচান কৰে, অজস্ৰ মানুহৰ কাম ক্ষতি কৰে, কৃষি, উদ্যোগ সকলো ক্ষেত্ৰতে উৎপাদন বন্ধ কৰে। সেইকাৰণেই এদিনৰ বন্ধই উক্ত উৎসটোক (ধৰি লওক—চৰকাৰ এখনক) কঁপাই তুলিব লাগে, যথোচিত সিদ্ধান্ত লবলৈ বাধ্য কৰিব লাগে।

কিন্তু আমাৰ দেশত, বিশেষকৈ অসমত, বন্ধটো আন্দোলনৰ দ্বিতীয় ঢাপমান হোৱাৰ ফালে আগবাঢ়িছে। এমাহৰ প্ৰস্তুতিৰেও দহ হাজাৰ মানুহ গোট খুৱাই এখন সভা পতাৰ কাম, দুই কিল'মিটাৰ দীঘল এটা শোভাযাত্ৰা উলিওৱাৰ কাম টান হৈ পৰিছে, কিন্তু এদিনৰ এটা ঘোষণাৰেই বন্ধ সম্পূৰ্ণ সফল কৰাটো একেবাৰে সহজ কাম হৈ পৰিছে। যাৰ বিৰুদ্ধে আন্দোলন কৰি বন্ধ পালন কৰা হ'ল, তেওঁলোকৰো আজিকালি বন্ধ-চন্ধ যেন গাতেই নালাগে। বন্ধ হ'ল হ'ল। ক'ৰো পৰা অশান্তিৰ খবৰ অহা নাই যেতিয়া চিন্তা কৰিবলগীয়া বিশেষ একো নাই। এটা দেওবাৰ যেনিবা বেছি হ'ল। পলিটিকছত এইবোৰ হৈয়েই থাকে।

আটাইতকৈ দুশ্চিন্তাৰ বিষয়,—বন্ধৰ দিনা কাম-বন এৰি সোমাই-বহি থকা এই লাখ-লাখ মানুহৰ অতি নগণ্য অংশ এটাইহে বন্ধৰ উদ্দেশ্যটোৰ প্ৰতি সচেতনতা প্ৰদৰ্শন কৰে। তাতোকৈ বহু বেছি সংখ্যক মানুহে "কথাই-কথাই খালী বন্ধ" বুলি বিৰক্তি প্ৰকাশ কৰে, আৰু বাকীখিনিয়ে অধিক নিৰংকুশ দেওবাৰ উপভোগ কৰে। গতিকে উদ্যোক্তাসকলে আজিকালি বন্ধ সফল হোৱালৈ চাই কোনো ধৰণৰ কৃতকাৰ্যতা দাবী কৰা অনুচিত। বৰঞ্চ তেখেতসকলে বিচাৰ কৰা উচিত : একোটা আন্দোলনৰ মূল উদ্দেশ্যৰ বাহিৰেও, আন্দোলনৰ কালছোৱাত মানুহক কিছুমান সুচিন্তা আৰু সুঅভ্যাসেৰে সমৃদ্ধ কৰিব পাৰিলে, সেইখিনিক কামৰীয়া সুফল বুলি ধৰিব পাৰি, আৰু উদ্যোক্তাসকলৰ বাবে তেনে চেষ্টা প্ৰয়োজনীয়। বিদেশী বহিষ্কাৰ কৰা সম্পৰ্কীয় আন্দোলনৰ সময়ত এনে কিছু সুফল দেখা গৈছিল। কিন্তু বৰ্তমানে যে বন্ধবোৰ সফল হৈ আছে, ইয়াৰ আচল কাৰণ— আমাৰ মানুহৰ কৰ্মবিমুখতা, এলেহুৱা স্বভাৱ. যোৱা আন্দোলনটোৰ কুফল আৰু সেই সময়ত মানুহবোৰে আহৰণ কৰা কুঅভ্যাস নেকি ?

এই বিচাৰ নকৰাকৈ বন্ধ সফল হৈছে বুলি সন্তুষ্টি লভি থাকিলে আৰু অধিক উৎসাহিত হৈ সেই দিশতে কাম কৰি থাকিলে উদ্দেশ্য সফল নহ'ব, সমাজৰ অপকাৰ হ'ব আৰু এপাত অতি শক্তিশালী অস্ত্ৰ সৰু ল'ৰাই ধেমালি কৰিব পৰা ভোটা বস্তু হৈ পৰিব।

২৮।১০।৮৭





OKDISCD